● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যেতিয়া কোনো এটা বিষয়বস্তুৰে বিতৰ্ক সৃষ্টি কৰিবলৈ এৰে, তেতিয়া বিষয়টোক লৈ আগ্ৰহৰো অন্ত পৰে।

উইলিয়াম হেজলিট
*ইংৰাজ দাৰ্শনিক-লেখক*



www.dainikagradoot.in

৭ ইউক্ৰেইন যুদ্ধত ৰাছিয়াৰ লাভহে হ'ল ঃ পুটিন
১৫ ছাফ মহিলা ফুটবলত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয়
৪ ইংলেণ্ডত সাধাৰণ জনগণৰ জীৱন ধাৰণৰ মান কষ্টকৰ হৈছে

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩২৯তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২২ ভাদ ১৪২৯ ভাস্কৰাব্দ ৮ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 8 September 2022 মূল্য ঃ ৯.০০ টকা

■ দিল্লীত বিজেপিক শাসনৰ পৰা ওফৰাবলৈ ঐক্যবদ্ধ বিৰোধীৰ সংকল্পৰে অভিযান আৰম্ভ নীতিশ কুমাৰৰ ■ কংগ্ৰেছৰ পৰা আৰম্ভ কৰি সকলো বিৰোধী দলৰ নেতাৰ স'তে বৈঠকত মিলিত

# তৃতীয় নহয় প্ৰথম মৰ্চা গঠনৰ হুংকাৰ

■ বিৰোধী ঐক্যৰ নেতা কোন হ'ব পুনৰ সেই প্ৰশ্নৰ অৱতাৰণা ■ পূৰ্বতে ব্যৰ্থ ঐক্যবন্ধন

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ৭ ছেপ্টেম্বৰ ঃ 'আমি মেইন ফ্ৰণ্ট বনাম, থাৰ্ড ফ্ৰণ্ট নহয়।' আজি দিল্লীত কংগ্ৰেছকে ধৰি বিৰোধী নেতাসকলৰ স'তে বৈঠকৰ অন্তত এইদৰে বিজেপিক প্ৰত্যাহ্বান জনাই কয় বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে। বিহাৰত বিজেপিৰ সংগ ত্যাগ কৰি আৰজেডিসহ অন্যান্য বিৰোধী দলৰ স'তে লগ লাগি পুনৰবাৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱা জেডি (ইউ)ৰ নেতা নীতিশে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰেক্ষাপটত বিৰোধী ঐক্যবদ্ধ হোৱাৰ আহ্বানেৰে দিল্লীত কুচকাৱাজ আৰম্ভ কৰিছে। আজি তেওঁ এনচিপিৰ নেতা শ্বাৰদ পাৱাৰক সাক্ষাৎ



কৰে। ২০২৪ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে পাৱাৰৰ লগতে তেওঁ কংগ্ৰেছ নেতা ৰাহুল গান্ধী, জনতা দল চেকুলাৰৰ নেতা এইছ ডি কুমাৰা স্বামী আৰু চিপি (এম)ৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰী, চিপি (আই)ৰ ডি ৰাজা, ইণ্ডিয়ান নেচনেল লোক দলৰ ওমপ্ৰকাশ চৌতালা আৰু সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱৰ স'তে বৈঠকত মিলিত হয়। আজি তেওঁ পুৱাৰ ভাগত চিপি (এমএল)ৰ সাধাৰণ সম্পাদক দীপাংকৰ ভট্টাচাৰ্যৰ স'তেও বৈঠকত মিলিত হয়। ৰাজ্যত বিৰোধীক ঐক্যবদ্ধ হ'বলৈ লোৱাৰ সময়তে প্ৰতিবাৰেই নেতৃত্বৰ প্ৰসংগই অংক ১০ পৃষ্ঠাত চাওক

## ২০১৪ৰ নিযুক্তি কেলেংকাৰিত এপিএছচিৰ অধ্যক্ষক জাননী

ন্যায়িক আয়োগৰ সন্মুখত হাজিৰ হ'ব লাগিব ভাৰত ভূষণ দেৱচৌধুৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** অসম লোকসেৱা আয়োগৰ (এপিএছচি)ৰ বাছনি পৰীক্ষাত সংঘটিত কেলেংকাৰিৰ তদন্তৰ বাবে ন্যায়িক তদন্ত আয়োগে বৰ্তমানৰ অধ্যক্ষ ভাৰত ভূষণ দেৱচৌধুৰীক জাননী জাৰি কৰিছে। এই জাননী অনুসৰি দেৱচৌধুৰীয়ে জাননী লাভৰ ১৫ দিনৰ ভিতৰত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ দ্বাৰা গঠিত আয়োগৰ ১০ পৃষ্ঠাত চাওক



■ উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগ পোৱা ছাত্ৰী-৭৫ শতাংশৰ অধিক নম্বৰ পোৱা ছাত্ৰক স্কুটী ঃ আনন্দৰাম বৰুৱা বঁটা প্ৰদানত মুখ্যমন্ত্ৰী শৰ্মা

## আন্দোলনৰ পৰিৱেশ হ্ৰাস পোৱাত উজলি উঠিছে ৰাজ্যৰ শিক্ষাখণ্ড

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** 'যোৱা এটা দশকত অসমত আন্দোলন আৰু সংগ্ৰামৰ পৰিৱেশ যিমানেই কমি আহিছে, ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলেও নতুন সাহসেৰে আগুৱাই যোৱাৰ প্ৰেৰণা পাইছে আৰু সফলতাও অৰ্জন কৰিছে।' হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা তাতোকৈ অধিক নম্বৰ লাভ কৰা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰি আজি এই মত পোষণ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি গুৱাহাটীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাৱে আয়োজিত আনন্দৰাম বৰুৱা বঁটা প্ৰদান কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে ৰাজ্যখনত সম্প্ৰতি গঢ়ি উঠা শিক্ষাৰ পৰিৱেশ ধাৰাবাহিকভাৱে ধৰি ৰাখিব পাৰিলে জাতিটো বহুদূৰ আগুৱাই যাব। অসমৰ নতুন প্ৰজন্মৰ মাজত প্ৰচুৰ সম্ভাৱনা আছে বুলিও মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি সততে কোৱা ধৰণে ১০ পৃষ্ঠাত চাওক

■ অৰুণাচলৰ সীমান্তৰ বেলশিৰি নৈৰ পাৰত পুতি টিনৰ বাকচত ভৰাই থৈছিল অস্ত্ৰ-শস্ত্ৰসহ বৃহৎ পৰিমাণৰ গুলি-বাৰুদ

## মিছামাৰীত পাকিস্তানত নিৰ্মিত গুলি-বাৰুদ উদ্ধাৰত চাঞ্চল্য



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**তেজপুৰ/ ঠেলামৰা, ৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ একাংশ উগ্ৰপন্থী সংগঠনৰ স'তে বিদেশী শক্তি জড়িত হৈ থকা বুলি নিৰাপত্তা সংস্থাসমূহে বিগত সময়ছোৱাত কৰি অহা অভিযোগৰ সত্যতা প্ৰমাণ কৰি আজি শোণিতপুৰৰ এক দুৰ্গম স্থানত উদ্ধাৰ হ'ল পাকিস্তানত নিৰ্মিত গুলি -বাৰুদ। শোণিতপুৰ জিলাৰ মিছামাৰীত আজি বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰসহ বহু পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয় অসম আৰক্ষীয়ে। পুৱা প্ৰায় ন মান বজাত ভাৰতীয় সেনা বাহিনীৰ তিনি এফ আই ডিৰ ফৰ ক'ৰৰ চোৰাংচোৱা ১০ পৃষ্ঠাত চাওক

### সংগ-প্ৰসংগ

■ দয়ানন্দ পাঠক

## এগৰাকী সাৰ্থক শ্বেক্সপীয়েৰপ্ৰেমী ড° অমৰেশ দত্ত



**অধ্যাপক** অমৰেশ দত্তৰ বিষয়ে লিখিবলৈ যোৱাটো আমাৰ বাবে ধৃষ্টতা। আমাৰ বাবে তেওঁ এক জীৱন্ত অনুপ্ৰেৰণাৰ উৎস। তেওঁৰ ছাত্ৰ হোৱা বাবেহে আমি তেওঁক নিবিড়ভাৱে জনাৰ সুবিধা লাভ কৰিছিলো। আমি গুৱাহাটী বিশ্ববিদ্যালয়ত এম এ পঢ়িবলৈ যাওঁতে তেওঁক ভালকৈ লগ পোৱাৰ সুবিধা ১০ পৃষ্ঠাত চাওক

## মহানগৰীত দুটা শ্ব'ৰূমত অগ্নিকাণ্ডত দুই কোটিৰ সামগ্ৰী নষ্ট

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** মহানগৰীৰ বেলতলা চাৰিআলিস্থিত দুচকীয়া আৰু চাৰিচকীয়া বাহনৰ দুটাকৈ শ্ব'ৰূমত আজি পুৱা সংঘটিত এক বিধ্বংসী অগ্নিকাণ্ডত বিলাসী বাহনসহ প্ৰায় দুই কোটি টকাৰ সামগ্ৰী জুইত জাহ যায়। পুৱা প্ৰায় ৪-৩০ মিনিটত এক মৃদু বিস্ফোৰণ হৈ বিলাসী চাৰিচকীয়া বাহনৰ শ্ব'ৰূম 'ইছুজু'ত জুইৰ সূত্ৰপাত হোৱাৰ পাছতে প্ৰায় ১৫ মিনিটৰ ভিতৰতে গাতে লাগি থকা দুচকীয়া বাহনৰ শ্ব'ৰূম ছয় পৃষ্ঠাত চাওক

## ৰঙিয়াত পথ দুৰ্ঘটনাত ছাত্ৰ নেতাৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ৭ ছেপ্টেম্বৰ ঃ** মৰণফান্দত পৰিণত হৈছে ৰঙিয়াৰ ৩১ নম্বৰ ঘাইপথ। ৰঙিয়া বঙালীকুছিৰ ঘাইপথত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এগৰাকী ছাত্ৰ নেতাৰ থিতাতে মৃত্যু হয়। গুৰুতৰভাৱে আহত হয় আন এজন ছাত্ৰ নেতা। প্ৰত্যক্ষদৰ্শীৰ বিৱৰণ অনুসৰি এখন মটৰ চাইকেলত দুজন যুৱকে এখন তীব্ৰ বেগী ট্ৰাকৰ পিছে পিছে গুৱাহাটী অভিমুখে গৈ থকা অৱস্থাত হঠাৎ নিয়ন্ত্ৰণ হেৰুৱাই ট্ৰাকখনৰ ১০ পৃষ্ঠাত চাওক

প্ৰগতিশীল জাতীয়তাবাদ প্ৰতিষ্ঠাৰ লক্ষ্যৰে সংগ্ৰামী মঞ্চ-গণ মৰ্চা একত্ৰিত ঃ সাংসদ ভূঞা

## ৰাজ্যত আত্মপ্ৰকাশ ঘটিল নতুন ৰাজনৈতিক দল 'জাতীয় দল, অসম'ৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** আঞ্চলিক জাতীয়তাবাদ প্ৰতিষ্ঠাৰ লক্ষ্যৰে ২০১৫ত প্ৰতিষ্ঠা লাভ কৰা আঞ্চলিক ৰাজনৈতিক দল 'অসম সংগ্ৰামী মঞ্চ' আৰু ২০২১ৰ ১০ পৃষ্ঠাত চাওক

## বড়ো ভাষাক দ্বাদশ শ্ৰেণীলৈ শিক্ষাৰ মাধ্যমৰ স্বীকৃতিক আদৰণি

**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ বড়োফা নগৰৰ বড়োলেণ্ড সচিবালয়ত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকত বড়ো ভাষাক দ্বাদশ শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাত খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম (ইটছা)ই উষ্ণ আদৰণি জনাইছে। ইয়াৰ ছয় পৃষ্ঠাত চাওক

■ কংগ্ৰেছৰ ভাৰত জোড়ো কাৰ্যসূচীক লৈ ৰাহুলক কটাক্ষ ■ শ্বেইখ হাছিনাৰ ভাৰত ভ্ৰমণৰ সময়তে মুখ্যমন্ত্ৰী শৰ্মাৰ মন্তব্যক লৈ চৰ্চা

## পাকিস্তান, বাংলাদেশক সাঙুৰি অখণ্ড ভাৰত নিৰ্মাণৰ চেষ্টা কৰক

■ অসমৰ ভাঙি দিয়া মাদ্ৰাছাকেইখন অল-কায়দাৰ অফিচ আছিল

**নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ**
**নতুন দিল্লী/ গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ 'ভাৰত জোৰো' কাৰ্যসূচীৰ প্ৰসংগত ৰাহুল গান্ধীক কটাক্ষ কৰিবলৈ গৈ বিতৰ্কত সাঙোৰ খালে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ ভাৰত ভ্ৰমণ কাৰ্যসূচী অব্যাহত থকাৰ সময়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ৰাহুল



গান্ধীক আক্ৰমণ কৰি কয় যে তেওঁ পাকিস্তান, বাংলাদেশক সাঙুৰি অখণ্ড ভাৰত নিৰ্মাণৰ চেষ্টা কৰক। মুখ্যমন্ত্ৰী ড° শৰ্মাই বাংলাদেশক পুনৰ ভাৰতৰ অংগ কৰিবলৈ ৰাহুল গান্ধীক কটাক্ষ কৰি প্ৰকাশ কৰা মন্তব্যই বাংলাদেশৰ স'তে ভাৰতৰ কূটনৈতিক সম্পৰ্কত জটিলতাৰ সৃষ্টি কৰিব নেকি বুলিও দেশজুৰি চৰ্চা চলিছে। বিশেষকৈ বাংলাদেশৰ ১০ পৃষ্ঠাত চাওক

## নগাঁও অসামৰিক চিকিৎসালয়ৰ পৰা সন্ধানহীন শিশু উদ্ধাৰ

অগ্নিদগ্ধ হৈ মৃত্যু হোৱা মহিলাৰ পৰিচয় ওলোৱা নাই

**বিশেষ সংবাদদাতা**
**নগাঁও, ৭ ছেপ্টেম্বৰ ঃ** নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ পৰা সন্ধানহীন হৈ থকা দুই শিশু উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে নগাঁও আৰক্ষীয়ে। কালি নিশা নগাঁও আৰক্ষীয়ে জিলাখনৰ চালনা চাহ বাগিচাৰ পৰা ১০ বছৰীয়া কন্যা শিশুটিক উদ্ধাৰ কৰাৰ পাছত ছয় পৃষ্ঠাত চাওক

## প্ৰাথমিক শিক্ষাতে অন্ত পৰিল ৩০ শিক্ষাৰ্থীৰ শৈক্ষিক জীৱন

**অগ্ৰদূত বাৰ্তা**
**নামৰূপ, ৭ ছেপ্টেম্বৰঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যাপক সাল-সলনিৰ সিদ্ধান্তই বিপাঙত পেলাইছে ছাত্ৰ-ছাত্ৰীসকলৰ ১০ পৃষ্ঠাত চাওক

বালিপৰাত সুতখোৰৰ দৌৰাত্ম্যত সাৰি নগ'ল বেতনভোগী কৰ্মচাৰীও ■ সৰ্বস্বান্ত বহুজন

## কাবুলিয়ে এটিএম কাঢ়ি লোৱাত দৰমহাৰ ধন উলিয়াব নোৱাৰি আত্মহত্যাৰ চাঞ্চল্যকৰ তথ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৭ ছেপ্টেম্বৰ ঃ** শোণিতপুৰৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলত সম্প্ৰতি চলিছে সুতখোৰৰ সন্ত্ৰাস। চাৰিদুৱাৰ, বালিপৰা আৰু ৰঙাপৰাত একাংশ সুতখোৰৰ লগতে তথাকথিত কাবুলিৱালাই নিজ ইচ্ছানুসৰি উচ্চ সুতৰ বিনিময়ত ঋণৰ বেহা অব্যাহত ৰাখিছে। চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত এনে প্ৰায় ১৫জন কাবুলিৱালা সক্ৰিয় হৈ থকাৰ লগতে প্ৰায় ৫০ জন স্থানীয় লোকে এইদৰে সুতৰ ব্যৱসায় চলাই গৈছে। কিন্তু এইসকলৰ কাৰোৰে নাই এনে ব্যৱসায় চলাই নিয়াৰ অনুজ্ঞাপত্ৰ। উল্লেখ্য যে বালিপৰাত কে'বাবছৰো ভাড়া ঘৰতে থাকি এই সুতৰ ব্যৱসায় চলাই যোৱা বহিঃৰাজ্য তথা বহিঃৰাষ্ট্ৰৰ কাবুলিৱালাই আনকি অসমৰ আধাৰকাৰ্ড লাভ কৰা বুলিও গুৰুতৰ অভিযোগ উঠিছে। ঋণ লোৱা মানুহভেদে ১০ শতাংশতকৈও অধিক সুত আদায় কৰা এইসকল সুতখোৰে ঋণগ্ৰস্তক আনকি ধন পৰিশোধ কৰিব নোৱাৰিলে শাৰীৰিকভাৱে অপদস্থ ১০ পৃষ্ঠাত চাওক

যোৱাবাটত লুকুৱাই ৰখা বেগ দেখুৱাবলৈ নি গুলিচালনা চোৰৰ ■ বশিষ্ঠত থপিয়াইছিল ধন

## মহানগৰীত চিলনী চোৰৰ স'তে আৰক্ষীৰে সংঘৰ্ষত নিহত বহিঃৰাজ্যৰ অভিযুক্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** ৰাজধানী মহানগৰীত একপ্ৰকাৰ সন্ত্ৰাস সৃষ্টি কৰি অহা তথা কালি বশিষ্ঠত ৰাইজে কৰায়ত্ত কৰা এজন চিলনী চোৰ নিশা আৰক্ষীৰে হোৱা সংঘৰ্ষত নিহত হয়। আৰক্ষীৰ গুলিত নিহত চিলনী চোৰজন পশ্চিমবংগৰ গোবিন্দ সিং (৩৫) বুলি আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে বশিষ্ঠৰ গুৰুদ্বাৰ তথা ওজা হোণ্ডাইৰ সমীপত কালি বিয়লি মটৰ চাইকেলত অহা দুজনীয়া দলে এজন লোকৰ পৰা তিনি লাখ টকা থপিয়াই নিবলৈ চেষ্টা কৰিছিল আৰু স্থানীয় লোকে নিহত সিঙক কৰায়ত্ত কৰি বশিষ্ঠ আৰক্ষীক গতাই দিছিল। নিশা লুকুৱাই ৰখা সামগ্ৰী দেখুৱাই দিয়াৰ উদ্দেশ্যে নিহত সিঙে আৰক্ষীৰ চাৰিজনীয়া এটা ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৬° |
| ডিব্ৰুগড় | ৩০° | ২৪° |
| দিল্লী | ৩৭° | ২৭° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৯° | ১৯° |
| শ্বিলং | ২৩° | ১৯° |

৭ ছেপ্টেম্বৰ, ২০২২

### চেঙা তেল



*অগণন প্ৰাৰ্থী! হৰি হৰি... আমাৰ প্ৰদত্ত চাকৰি এপাচিত এটা জালুক মাথোঁ!*

## প্ৰতিশ্ৰুতিৰ পাঁচমাহ উকলিল যদিও প্ৰকাশ নাপালে হিন্দী শিক্ষকৰ পদৰ বিজ্ঞাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ চৰকাৰী খণ্ডৰ উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত খালী হৈ থকা ৬৪৬টা হিন্দী শিক্ষকৰ পদ শীঘ্ৰে পূৰণৰ দাবী উত্থাপন কৰিছে স্নাতক হিন্দী ডিগ্ৰীধাৰী টে'ট উত্তীৰ্ণসকলে। আজি গুৱাহাটী প্ৰেছ ক্লাবত সদৌ অসম উচ্চ প্ৰাথমিক টেট উত্তীৰ্ণ (স্নাতক হিন্দী ডিগ্ৰীধাৰী) সংস্থাই এক সংবাদমেলত চৰকাৰক এই দাবী উত্থাপন কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰতিশ্ৰুতিৰ ছয় পৃষ্ঠাত চাওক

দায়িত্ব পালনৰ নামত নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব কৰিব নোৱাৰে আৰক্ষীয়ে

■ ন্যায়ালয়ৰ নিৰ্দেশ পালন হৈছে নে নাই নিৰীক্ষণ কৰিবলৈ কৰ্তৃত্বও অৰ্পণ

## মহানগৰীৰ যানবাহন আৰক্ষীক প্ৰশিক্ষিত কৰি তুলিবলৈ উৰ্দ্ধতন কৰ্তৃপক্ষক নিৰ্দেশ ন্যায়ালয়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** যান-বাহন নিয়ন্ত্ৰণৰ দায়িত্বত থকা একাংশ আৰক্ষীয়ে পথত চলাচল কৰা সাধাৰণ লোকক সাধাৰণ কথাতে দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ সঘনে উত্থাপিত হৈ আহিছে। তেনে এক ঘটনাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ গ্ৰহণ কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ ৰায়ত যান-বাহন নিয়ন্ত্ৰণৰ দায়িত্বত নিয়োজিত ৰাজ্যৰ সকলো জিলাৰ আৰক্ষী কনিষ্ঠবলক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰিবলৈ আৰক্ষীৰ উৰ্দ্ধতন কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। মুখ্য ন্যায়াধীশ আৰ এম শ্বায়া আৰু ন্যায়াধীশ সৌমিত শইকীয়াৰ খণ্ড বিচাৰপীঠে দিয়া নিৰ্দেশটোত আৰক্ষীৰ উৰ্দ্ধতন কৰ্তৃপক্ষক তেওঁলোকৰ সকলো আৰক্ষীক নিজৰ কৰ্তব্য আৰু দায়িত্বৰ বিষয়ে শিক্ষা দিবলৈও কোৱা হৈছে। ইয়াৰ লগত আইনৰ জ্ঞানো দিব লাগিব। ইয়াৰ বাবে অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ সহায় ল'ব পাৰিব বুলি পৰামৰ্শ দিয়া হৈছে। অসম চৰকাৰেও এই ক্ষেত্ৰত এখন সমিতি গঠন কৰা উচিত বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। নিৰ্দেশটোত লগতে উল্লেখ কৰা হৈছে যে চৰকাৰে এই নিৰ্দেশনা তৎকালে কাৰ্যকৰী কৰিব লাগে। আনহাতে, ন্যায়ালয়ৰ নিৰ্দেশনাবোৰ কাৰ্যকৰী কৰা হৈছে নে নাই সেই দিশটো অসম ৰাজ্যিক ন্যায়িক সেৱা প্ৰাধিকৰণৰ সদস্য সচিবে নিৰীক্ষণ কৰিব লাগিব।

উল্লেখ্য যে চলিত বৰ্ষত ১৭ মাৰ্চত মহানগৰীৰ পল্টন বজাৰ আৰক্ষী থানাৰ অধীনৰ 'বিশাল' নামৰ শ্বপিং ছয় পৃষ্ঠাত চাওক

■ মাটি নামজাৰিৰ বাবদ ধন দাবী কৰি এইবাৰ ধৰা পৰিল পাথৰিঘাটৰ লাটমণ্ডল

## উৎকোচ লৈ ৪৫ দিনত আৰক্ষীৰ জালত ১৯ বিষয়া

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ/ছিপাঝাৰ, ৭ ছেপ্টেম্বৰ ঃ** মাটি নামজাৰিৰ নামত উৎকোচ লৈ দুৰ্নীতি নিবাৰক শাখাৰ হাতত এইবাৰ ধৰা পৰিল দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰ কাৰ্যালয়ৰ লাটমণ্ডল হৰিদাস সিংহ। এজন ব্যক্তিৰ পৰা ১৮ হেজাৰ টকা উৎকোচ লওঁতে পূৰ্বৰে পৰা খাপপিটি থকা অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষে কৰায়ত্ত কৰে লাটমণ্ডলজনক। পাথৰিঘাটৰ লাটমণ্ডলজনক গ্ৰেপ্তাৰ কৰাৰ লগে লগে ৰাজ্যখনত বিগত ৪৫ দিনত উৎকোচ লৈ হাতে-লোটে ধৰা পৰা ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৮ ছেপ্টেম্বৰ, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## মহানগৰীত নিশা কৰ্তব্যৰত সাংবাদিকক আক্ৰমণ দুৰ্বৃত্তৰ ঃ আটক দুজনক

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** ৰাজধানী মহানগৰীত পুনৰ সংঘটিত হৈছে সাংবাদিক নিগ্ৰহৰ ঘটনা। যোৱা নিশা বাতৰি সংগ্ৰহৰ বাবে যোৱা কাকতৰ এজন সাংবাদিকক অতৰ্কিতে চাৰিজনীয়া এটা দুৰ্বৃত্তৰ দলে আক্ৰমণৰ লক্ষ্য কৰি লোৱা ঘটনাই সম্প্ৰতি ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। ভুক্তভোগী তথা অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক বনজিত ঠাকুৰীয়াই ঘটনাৰ সন্দৰ্ভত চান্দমাৰি আৰক্ষী থানাত দাখিল কৰা এজাহাৰত প্ৰকাশ কৰা অনুসৰি, ছয় পৃষ্ঠাত চাওক

## মৰিগাঁও জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ কাণ্ডত ক্ষুব্ধ ৰাইজ

# চুৰিয়া পিন্ধাৰ বাবে কাৰ্যালয়ত প্ৰৱেশত বাধা

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৭ ছেপ্তেম্বৰ ঃ** চুৰিয়া পৰিধান কৰি মৰিগাঁও জিলাৰ শিক্ষা বিষয়াক সাক্ষাৎ কৰিবলৈ অহা জিলাখনৰ তৰাণী কলবাৰীৰ ৰাইজক শিক্ষা বিষয়াৰ কাৰ্যালয়ত সোমোৱাত বাধা প্ৰদান কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাই আজি মৰিগাঁৱত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, মৰিগাঁও জিলাৰ তৰাণী কলবাৰী আদৰ্শ প্ৰাথমিক বিদ্যালয়ত ৪৫ জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰাৰ বিপৰীতে বিদ্যালয়খনত বৰ্তমান শিক্ষক হৈছে মাত্ৰ এজনহে। মৰিগাঁও জিলাৰ মায়ং শিক্ষা খণ্ডৰ অন্তৰ্গত তৰাণী কলবাৰী আদৰ্শ প্ৰাথমিক বিদ্যালয়খনত জিলা শিক্ষা বিষয়া কাৰ্যালয়ৰ পৰা এগৰাকী শিক্ষয়িত্ৰী নিযুক্তি দিছিল যদিও শিক্ষয়িত্ৰীগৰাকীয়ে আজিলৈকে বিদ্যালয়খনত উপস্থিত নহ’ল বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। ইফালে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰৰ দিনত এখন আদৰ্শ বিদ্যালয়ত এনেকৈ শিক্ষকৰ অভাৱ হোৱাত দুখ আৰু ক্ষোভ প্ৰকাশ কৰিছে অঞ্চলটোৰ অভিভাৱকসকলে। উল্লেখ যে ছয় পৃষ্ঠাত চাওক



## নগাঁৱত আনন্দৰাম বৰুৱা বঁটা প্ৰদান অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকা

### ‘ছাত্ৰ-ছাত্ৰীসকলে অকল চিকিৎসক-অভিযন্তা হোৱাৰ সপোন দেখিলেই নহ’ব’, সুনাগৰিকো হ’ব লাগিব

**বিশেষ সংবাদদাতা**

**নগাঁও, ৭ ছেপ্টেম্বৰ ঃ** ‘আমাৰ ছাত্ৰ-ছাত্ৰীসকলে অকল চিকিৎসক-অভিযন্তা হোৱাৰ সপোন দেখিলেই নহ’ব। সমাজৰ লগত জড়িত আন দিশসমূহতো নিজকে প্ৰতিষ্ঠিত কৰিব লাগিব।’ এই মন্তব্য ৰাজ্যৰ জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ। আজি নগাঁও জিলা প্ৰশাসনৰ ব্যৱস্থাপনাত আৰু জিলা শিক্ষা বিভাগৰ সহযোগত এডিপি কলেজৰ সভাগৃহত আয়োজিত আনন্দৰাম বৰুৱা বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মন্ত্ৰী হাজৰিকাই এই মন্তব্য কৰেষ মন্ত্ৰীজনে আৰু কয় যে আজিৰ পৰা ১৫-২০ বছৰৰ পাছত এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই ভাল মন্ত্ৰী-বিধায়ক হ’ব লাগিব। বঁটা প্ৰাপক ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি দিয়া ভাষণত মন্ত্ৰীজনে কয়, ‘মই মন্ত্ৰী যদিও এতিয়ালৈকে ভাল মন্ত্ৰী হ’ব পৰা নাই। নাজানো কেতিয়াকৈ ভাল মন্ত্ৰী হ’ব পাৰো। ভাল মন্ত্ৰী হ’বৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছো। এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা কোনোবা ভাল শিক্ষক, অধ্যাপক হ’ব ছয় পৃষ্ঠাত চাওক

## পুনৰ ক্ষেত্ৰীত ২৬ টা গোধন জব্দ ঃ গ্ৰেপ্তাৰ দুই সৰবৰাহকাৰী

**অগ্ৰদূত বাৰ্তা**



**সোণাপুৰ, ৭ ছেপ্টেম্বৰ ঃ** ক্ষেত্ৰী আৰক্ষীৰ ধাৰাবাহিক অভিযানত এতিয়া নিতৌ জব্দ হ’বলৈ ধৰিছে ইখনৰ পাছত সিখন অবৈধ গো-ভৰ্তি ট্ৰাক। ক্ষেত্ৰী আৰক্ষীৰ এটি টহলদাৰী দলে আজি পুনৰ টোপাতলীৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত পুনৰ ২৬টা অবৈধ গোধন জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এ এছ-০৪ বিচি-০২১১ নম্বৰৰ ট্ৰাকখনত সৰবৰাহকাৰীসকলে নগাঁৱৰ পৰা মেঘালয়লৈ বুলি গোধনসমূহ নি থকাৰ সময়তে আৰক্ষীৰ জালত পৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে এটি গোচৰ পঞ্জীভুক্ত কৰি নগাঁৱৰ ইক্ৰামূল হক (৪০) আৰু আজাহাৰুল ইছলাম (১৮)ক গ্ৰেপ্তাৰ কৰিছে। আনহাতে, আৰক্ষীয়ে ট্ৰাকখন জব্দ কৰি ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। মন কৰিবলগীয়া কথা যে অবৈধ গো-সৰবৰাহকাৰীসকলে ঘাইপথেৰে নগাঁও, মৰিগাঁওকে ধৰি কে’বাখনো জিলা পাৰ হৈ আহি কামৰূপ মহানগৰ জিলাত প্ৰৱেশ কৰে। এই ক্ষেত্ৰত সংশ্লিষ্ট জিলাকেইখনৰ আৰক্ষীক ধূলি দি অবৈধ গো-সৰবৰাহকাৰীয়ে কেনেকৈ কামৰূপ মহানগৰ জিলাত প্ৰৱেশ কৰিবলৈ সক্ষম হয় সেয়াই সম্প্ৰতি ব্যাপক ৰহস্যৰ সৃষ্টি কৰিছে।

## মাজুলী-যোৰহাট সংযোগী নিমাতী ফেৰীসেৱাত অঘটন

### কথমপি ৰক্ষা পৰিল যাত্ৰী

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৭ ছেপ্টেম্বৰ ঃ** অভিশপ্ত আঠ ছেপ্টেম্বৰ, যোৱাটো বৰ্ষৰ এই দিনটোতে মাজুলী-নিমাতী সংযোগী নিমাতী ফেৰীঘাটত সংঘটিত হৈছিল এক ভয়াৱহ ফেৰী দুৰ্ঘটনা। যিটো দুৰ্ঘটনাত তিনিগৰাকীকৈ লোকে প্ৰাণ হেৰুৱাইছিল। উক্ত ঘটনাই চিৰদিনৰ বাবে সাঁচ বহুৱাই গৈছিল মাজুলীবাসীৰ লগতে সমগ্ৰ অসমবাসীৰ। আজি ফেৰীঘাটটোত সংঘটিত অনুৰূপ এক ঘটনাই আতংকিত কৰি তোলে যাত্ৰীসকলক। একাংশ যাত্ৰীয়ে সদৰী কৰা মতে, আজি দিনৰ ১১.৩০ বজাত নিমাতীৰ পৰা কমলাবাৰী ফেৰীঘাটলৈ আহিব লগা ‘জলতৰী’ নামৰ ফেৰীখন প্ৰায় ৮০ গৰাকী যাত্ৰী, ২০খন মটৰ চাইকেল আৰু বিভিন্ন সামগ্ৰী উঠাই নিমাতী ফেৰীঘাট এৰাৰ বাবে সাজু হৈছিল। চাৰিচকীয়া বাহন এখন উঠাবলৈ তেতিয়াও বাকী আছিল। সেই সময়তে ভিতৰত বহি যোৱা এগৰাকী যাত্ৰীয়ে প্ৰস্ৰাৱ কৰিবলৈ গৈ ফেৰীখনৰ প্ৰস্ৰাৱাগাৰৰ কুমুদেৰে পানী সোমোৱা দেখা পাই হুৱা-দুৱা লগায়। এনে পৰিস্থিতিত অন্যান্য যাত্ৰীসকলো উক্ত পানী চাবলৈ যোৱাত ফেৰীখনৰ পাছফালৰ অংশটোত বোজা অধিক হৈ পৰে। লক্ষ্যণীয়ভাৱে ফেৰীখনৰ পাছফালে ওপৰত উক্ত অংশতে যথেষ্ট পৰিমাণৰ মাল-বস্তুৰ বোজাও আছিল। *ছয় পৃষ্ঠাত চাওক*



*শ্ৰমিকৰ পাবলগীয়া সাহায্যৰ ধনকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত লখিমপুৰত এআইটিইউচিৰ প্ৰতিবাদী কাৰ্যসূচী।*

## ভদীয়া বানৰ কবলত বুঢ়াচাপৰি অভয়াৰণ্য



**বিশেষ সংবাদদাতা**

**নগাঁও, ৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন স্থানত এতিয়া ভদীয়া বানৰ প্ৰকোপ বৃদ্ধি পোৱাৰ সময়তে প্লাবিত হৈছে নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনৰ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্যৰ কিছু অঞ্চল। বুঢ়াচাপৰি ৰাজহ গাঁও আৰু অভয়াৰণ্যৰ সমীপত থকা বগানলাৰে অভয়াৰণ্যখনত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী সোমাবলৈ ধৰা পৰিলক্ষিত হৈছে। বিগত তিনিদিন ধৰি অভয়াৰণ্যখনত পানী সোমাই কিছু কিছু ঠাই প্লাবিত কৰাৰ লগে লগে ভাবুকি আহি পৰিছে অভয়াৰণ্যখনৰ বন্যপ্ৰাণীসমূহৰ প্ৰতি। যাৰ বাবে অভয়াৰণ্য কৰ্তৃপক্ষ দিনে-নিশাই অধিক তৎপৰ হৈ পৰিছে। ইফালে, অভয়াৰণ্যখনলৈ বগানলৰে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী সোমাই অহাৰ লগে লগে সমীপৰ বুঢ়াচাপৰি ৰাজহ গাঁৱৰ লগতে ধণীয়া চাপৰিৰ গঞা ৰাইজৰ মাজতো সম্ভাব্য বানৰ আশংকা বৃদ্ধি পাইছে।

## টংকেশ্বৰ সোণোৱাল চতুৰ্থজন মুখ্য কাৰ্যবাহীৰূপে শপত গ্ৰহণ

# অৱশেষত সোণোৱাল স্বায়ত্তশাসিত পৰিষদৰ নতুন মুখ্য কাৰ্যবাহী সদস্য নিযুক্তি

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৭ ছেপ্টেম্বৰ ঃ** মুখ্য কাৰ্যবাহী সদস্য পদক কেন্দ্ৰ কৰি বিগত ২০২১ৰ চাৰি ডিচেম্বৰৰ পৰা অচলাৱস্থা অব্যাহত থকা সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদে আজি লাভ কৰিলে নতুন গতি। পৰিষদখনৰ নতুন মুখ্য কাৰ্যবাহী সদস্য হিচাপে আজি শপত ললে টংকেশ্বৰ সোণোৱালে। গোগামুখ সমষ্টিৰ সদস্য তথা উপ-মুখ্য কাৰ্যবাহী সদস্য সোণোৱাল ২০০৫ৰ পৰাই জড়িত পৰিষদৰ স’তে। তদুপৰি সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি আৰু বৰ্তমানেও সোণোৱাল কছাৰী জাতীয় পৰিষদৰ সভাপতি পদত অধিষ্ঠিত হৈ থকা টংকেশ্বৰ সোণোৱালৰ আজি শপত গ্ৰহণৰ মুহূৰ্তত উপস্থিত থাকি পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰায় ৰাজ্য চৰকাৰৰ হৈ ডিব্ৰুগড় জিলাৰ অতিৰিক্ত উপায়ুক্ত জিতু কুমাৰ দাসে। উল্লেখ্য যে নিজৰেই দলৰ গৰিষ্ঠসংখ্যক সদস্যই একনায়কত্ব আৰু দুৰ্নীতিৰ অভিযোগত *ছয় পৃষ্ঠাত চাওক*

## যোৰহাটত আনন্দৰাম বৰুৱা বঁটা প্ৰদান অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা

### জিলাখনৰ ১,১২৩ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিলে আনন্দৰাম বৰুৱা বঁটা



**ষ্টাফ ৰিপ’ৰ্টাৰ**

**যোৰহাট, ৭ ছেপ্তেম্বৰ ঃ** বৰ্তমান তথ্য প্ৰযুক্তিৰ যুগত পৃথিৱীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত সকলো ক্ষেত্ৰতে ফেৰ মাৰিব পৰাকৈ আমি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰস্তুত কৰি তুলিব লাগিব। ইয়াৰ বাবে শিক্ষক, অভিভাৱক, ছাত্ৰ-ছাত্ৰীৰ সমন্বয়ত এক সুস্থ শৈক্ষিক পৰিৱেশ ছয় পৃষ্ঠাত চাওক

## গোলাঘাটৰ ৮৭০ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীলৈ ২০২২ৰ আনন্দৰাম বৰুৱা বঁটা

### ছাত্ৰ-ছাত্ৰীক গুণগত আৰু নৈতিক শিক্ষা প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ মন্ত্ৰী নেওগৰ

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ৭ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ হাইস্কুল শিক্ষান্ত আৰু হাইমাদ্ৰাছা পৰীক্ষাত ষ্টাৰ নম্বৰ আৰু তাতোকৈ অধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক আজি আনন্দৰাম বৰুৱা বঁটা-২০২২ *ছয় পৃষ্ঠাত চাওক*

## বৰ বৰলৰ আক্ৰমণত মৃত্যু কণমানি ছাত্ৰীৰ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৭ ছেপ্টেম্বৰঃ** দামপুৰ আমদলা তিনিআলিত বংশৰ প্ৰত্যাশা জাতীয় বিদ্যালয়ৰ আৰ্জুআৰা বেগম (৬) নামৰ অংকুৰ শ্ৰেণীৰ ছাত্ৰী এগৰাকী বৰ বৰলৰ (ভীমৰাজ বৰল) আক্ৰমণত মৃত্যুৰ ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। ঘটনাৰ বিবৰণী মতে প্ৰত্যাশা জাতীয় বিদ্যালয়ৰ অংকুৰৰ ছাত্ৰীগৰাকী স্কুলৰ পৰা আহি দুপৰীয়া প্ৰায় এক বজাত আমদলা তিনিআলিত থকা ককাকৰ ঘৰৰ পদূলিত স্কুলৰ গাড়ীৰ পৰা নামিছিল। সেই মুহূৰ্ততে তিনিআলিৰ দোকান এখনত থকা বৰ বৰলৰ বাহৰ পৰা প্ৰায় শতাধিক বৰলে ছাত্ৰীগৰাকীক আক্ৰমণ কৰে। বৰলৰ আক্ৰমণত ছাত্ৰীগৰাকীৰ গগন ফলা চিঞৰত ওচৰতে বৈ থকা কেইজনমান যুৱকে কণমানি ছাত্ৰীগৰাকীক উদ্ধাৰ কৰে যদিও বৰলে তেওঁলোককো আক্ৰমণ কৰে। নিমিষতে অঞ্চলটোত হুৱাদুৱা লাগে। ইফালে বৰলৰ আক্ৰমণত ছাত্ৰীগৰাকী অচেতন হৈ পৰে। পাছত ততাতৈয়াকৈ পৰিয়ালৰ লোকে শুৱালকুছি মহাত্মা গান্ধী চিকিৎসালয়লৈ আনে। চিকিৎসকে ছাত্ৰীগৰাকীক প্ৰাথমিক চিকিৎসা প্ৰদান কৰি ঘৰলৈ পঠিয়াই দিয়ে যদিও ছাত্ৰীগৰাকী আদবাটতে মৃত্যু মুখত পৰে। ছাত্ৰীগৰাকী আমদলাৰ আইনুদ্দিন আহমেদ আৰু আনঞ্জপুমা বেগমৰ ছোৱালী। কণমানি ছাত্ৰীগৰাকীৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰে।



দৈনিক অগ্ৰদূত
গুৱাহাটী বৃহস্পতিবাৰ ২২ ভাদ ১৪২৯ ভাস্কৰাব্দ ৮ ছেপ্টেম্বৰ ২০২২

# শ শ জয়মালা

**ৰেলৰ** খুন্দাত আৰু হাতী-মানুহৰ সংঘাতৰ ফলত অসমৰ যথেষ্ট সংখ্যক বনৰীয়া হাতীৰ মৃত্যু হোৱাৰ তথ্য প্ৰকাশ পাইছে। চৰকাৰে, বিশেষকৈ বনবিভাগে ৰেল বিভাগৰ স'তে আলোচনা কৰি সমস্যাৰ সমাধান কৰাটো বাঞ্ছনীয়; কিন্তু অসমৰ হাতী আজি আন কাৰণতো সুৰক্ষিত নহয়। অসমৰ পৰা তামিলনাডুলৈ প্ৰেৰণ কৰা জয়মালা নামৰ হাতীজনীৰ ওপৰত চলোৱা নিৰ্মমতা-নৃশংসতাৰ ঘটনাৰ সবিশেষ শেহতীয়াকৈ সংবাদ মাধ্যমবোৰত প্ৰকাশ পোৱাত এনে ধৰণৰ বহু তথ্য ফাদিল হৈছে। জয়মালাৰ লগতে অসমৰ বহুতো হাতী ৰাজ্যৰ বাহিৰলৈ সৰবৰাহ কৰা হৈছে আৰু এনেদৰে প্ৰায় পাঁচশ হাতী বহিঃৰাজ্যত বন্দী হৈ আছে বুলি অভিযোগ উত্থাপিত হৈছে। বহিঃৰাজ্যৰ মন্দিৰলৈ বুলি নাইবা আন বিভিন্ন অজুহাতত অসমৰ পৰা হাতীসমূহ লৈ যোৱা হয় আৰু সেই হাতীবোৰ ঘূৰাই পঠিওৱা হোৱা নাই। বিশেষকৈ ভুৱা নথি দেখুৱাই বহু হাতী লৈ যোৱা হৈছে; অথচ আইন অনুসৰি হাতী ধৰা নাইবা সৰবৰাহ কৰা নিষিদ্ধ আৰু বেআইনী। জয়মালা নামৰ হাতীজনীক তামিলনাডুৰ চেন্নাই মহানগৰৰ পৰা শ শ কিলোমিটাৰ দূৰত নি ৰখা হৈছে। এটা মন্দিৰ কৰ্তৃপক্ষৰ জিম্মাত জয়মালাক ৰখা হৈছে; কিন্তু জয়মালাক যিদৰে পালন কৰিব লাগিছিল, তাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। ১০ বছৰ পূৰ্বে ছমাহৰ কাৰণে জয়মালাক লীজত লৈ যোৱা হৈছিল। সেই অনুসৰি ছমাহৰ পাছত জয়মালাক অসমলৈ ঘূৰাই আনিব লাগিছিল; কিন্তু যোৱা ১০ বছৰ ধৰি জয়মালাই তামিলনাডুত বন্দী জীৱন কটাবলগীয়া হৈছে। জয়মালাক এইদৰে অবৈধভাৱে বহিঃৰাজ্যত বন্দী কৰি ৰখাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো উদ্বেগ প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই এগৰাকী শীৰ্ষস্থানীয় বন বিষয়াৰ নেতৃত্বত চাৰিজনীয়া এটা দলক জয়মালাক অসমলৈ ঘূৰাই অনাৰ বাবে তামিলনাডুলৈ প্ৰেৰণ কৰিলে। সকলোৱে আশা কৰিছিল জয়মালা অসমলৈ ঘূৰি আহিব, বন্দী জীৱন শেষ হ'ব আৰু অসমৰ অৰণ্যত মুক্ত বিচৰণ কৰিবলৈ সক্ষম হ'ব; কিন্তু যি আশা আৰু উৎসাহ লৈ অসমৰ চাৰিজনীয়া বন বিভাগৰ দলটো তামিলনাডুত উপস্থিত হৈছিলগৈ, সেই আশাত তামিলনাডুৰ চৰকাৰ তথা বনবিভাগে চেঁচাপানী ঢালিলে। তামিলনাডুৰ মুখ্যমন্ত্ৰীৰ অনুমতি পালেহে জয়মালাক অসমলৈ ঘূৰাই আনিব পৰা যাব আৰু কেৱল সেয়ে নহয়, জয়মালাক ৰখা মন্দিৰৰ পুৰোহিতৰো অনুমতিৰ প্ৰয়োজন হ'ব; কিন্তু মন্দিৰৰ পুৰোহিতে জয়মালাক ঘূৰাই দিয়াৰ কোনো সম্ভাৱনাই নাই। আনহাতে, জয়মালাক যি ঠাইত ৰখা হৈছে, তালৈ অসমৰ দলটোক যাবলৈও দিয়া হোৱা নাই। তাৰ পৰিৱৰ্তে তামিলনাডুৰ বন বিভাগৰ বিষয়াই অসমৰ দলটোক অসমলৈ ঘূৰি আহিবলৈহে কৈছে। অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই অৱশ্যে দলটোক কিছুদিন অপেক্ষা কৰিবলৈ পৰামৰ্শ দিয়ে; কিন্তু তামিলনাডুৰ চৰকাৰে বা মুখ্যমন্ত্ৰীয়ে জয়মালাক অসমলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত যে সহায়-সহযোগ কৰিব তেনে কোনো সম্ভাৱনা এতিয়াও অসমৰ ৰাইজৰ দৃষ্টিগোচৰ হোৱা নাই। যদিহে জয়মালাক অসমলৈ ঘূৰাই অনাত অসম চৰকাৰ ব্যৰ্থ হয়, তেন্তে সেয়া হ'ব অসমৰ বাবে অতি দুৰ্ভাগ্যজনক। এক অবৈধ কাৰ্যক অসমে মানি লোৱাৰ দৰে হ'ব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে পৰৱৰ্তী কি ব্যৱস্থা লয়, সেয়াও হ'ব লক্ষ্যণীয়। চৰকাৰে বা বন বিভাগে এই ক্ষেত্ৰত আইনৰ সহায় লোৱাৰ কথাও নিশ্চয় বিবেচনা কৰিব পাৰে। যিহেতু নিয়মমতে ছমাহৰ পাছতেই জয়মালাক অসমলৈ ঘূৰাই পঠিয়াব লাগিছিল তামিলনাডু চৰকাৰে। সেয়ে জয়মালাক বলপূৰ্বক তামিলনাডুৰ চৰকাৰে বন্দী কৰি ৰখাটো বৈধ নহয়।

উল্লেখ্য যে জয়মালাক যোৱা ১০ বছৰে তামিলনাডুত অবৈধভাৱে বন্দী কৰি ৰখা সত্ত্বেও অসমৰ বন বিভাগে এই বিষয়ত গুৰুত্ব দিয়া নাছিল। অসমৰ জয়মালাক সময়মতে ঘূৰাই অনাৰ যো-জা চলোৱা নহ'ল কিয়? কিয় যোৱা ১০টা বছৰ জয়মালাক বহিঃৰাজ্যত বন্দী কৰি ৰখাৰ বিষয়ত বন বিভাগ মৌন হৈ আছিল? জয়মালাৰ দীঘলীয়া বন্দিত্ব আৰু দুখ-কষ্টৰ বাবে ৰাজ্যৰ বন বিভাগ দায়ী নহয়নে? অৱশ্যে বিভিন্ন মাধ্যমত জয়মালাৰ বিষয়ে তথ্য ফাদিল হোৱাৰ পাছত চৰকাৰে বিশেষকৈ মুখ্যমন্ত্ৰীয়ে গুৰুত্ব সহকাৰে লোৱাত এতিয়া এই ঘটনাই সৰ্বত্ৰ চৰ্চা লাভ কৰিছে। আনকি মুম্বাইৰ একাংশ চিত্ৰ তাৰকায়ো জয়মালাৰ মুক্তি বিচাৰি মত ব্যক্ত কৰিছে সামাজিক মাধ্যমৰ যোগেদি। এই ঘটনাই যদি সৰ্বভাৰতীয় গুৰুত্ব তথা প্ৰচাৰ লাভ কৰে, তেন্তে হয়তো কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগৰো দৃষ্টিগোচৰ হ'বগৈ পাৰে। অৱশ্যে অসমৰ প্ৰতি সহায়-সমৰ্থন কৰা বিষয়া বা নেতা দিল্লীত পোৱা যাব নে নাই ক'ব নোৱাৰি। জয়মালাৰ উপৰি যিহেতু অসমৰ কে'বাশ হাতী বহিঃৰাজ্যত অবৈধভাৱে বন্দী হৈ আছে আৰু অসমত যে হাতী বহিঃৰাজ্যলৈ সৰবৰাহ কৰাৰ এটা দুষ্ট চক্ৰ জড়িত হৈ আছে, সেই বিষয়ত তথ্য ফাদিল হোৱাৰ পাছত চৰকাৰ নিষ্ক্ৰিয় হৈ বহি থাকিবনে? বহি থকা উচিত হ'বনে? জয়মালাক যদি ঘূৰাই আনিব নোৱাৰে, তেন্তে অসমৰ হাতীৰ অবৈধ সৰবৰাহ চলিয়ে থাকিব আৰু সৰবৰাহকাৰী দুষ্ট চক্ৰ অধিক উৎসাহিত হ'ব। জয়মালাক ঘূৰাই আনিব নোৱাৰিলে অসমৰ পৰা বিভিন্ন অজুহাতত আৰু ভুৱা নথি দেখুৱাই বহিঃৰাজ্যলৈ লৈ যোৱা আৰু বছৰ বছৰ ধৰি বন্দী কৰি ৰখা হাতীসমূহক হয়তো কোনোদিনে ঘূৰাই আনিব পৰা নাযাব। তামিলনাডুলৈ যোৱা চাৰিজনীয়া দলটোৱে কে'বাটাও একেদৰে তামিলনাডুত বন্দী হৈ থকা হাতীৰ তালিকা এখনো লগত লৈ যোৱা বুলি কৈছে; কিন্তু বহুসংখ্যক হাতী যে বন্দী হৈ আছে— সেই সন্দৰ্ভত বন বিভাগ কিমান সজাগ? বন বিভাগে আৰু ৰাজ্য চৰকাৰে বহিঃৰাজ্যত অসমৰ কিমান হাতী অবৈধভাৱে বন্দী কৰি ৰখা হৈছে, কিমান হাতী বিভিন্ন অজুহাতত আৰু ভুৱা নথি দেখুৱাই বহিঃৰাজ্যলৈ সৰবৰাহ কৰা হ'ল— সেই বিষয়ে বিতং তথ্য লাভৰ ব্যৱস্থা হাতত ল'বনে? অসমৰ শ শ জয়মালাক অসমলৈ ঘূৰাই আনি অৰণ্যত এৰি দিয়াৰ ব্যৱস্থা কৰিবনে? অন্যথা হাতীৰ সংৰক্ষণৰ বক্তৃতাবোৰ নিৰৰ্থক আৰু অসাৰ হৈ পৰিব।

# ইংলেণ্ডত সাধাৰণ জনগণৰ জীৱন ধাৰণৰ মান কষ্টকৰ হৈছে

## সোঁতৰ বিপৰীতে চিন্তা



ইংলেণ্ডৰ পৰা প্ৰবীণ চৌধুৰী

**ক'ভিড** অতিমাৰীয়ে সমগ্ৰ বিশ্বতে অৰ্থনৈতিক ক্ষেত্ৰখনত কুপ্ৰভাব বিস্তাৰ কৰাৰ কথা প্ৰায় সকলোৱে জানে। যোৱা ছমাহ ধৰি ৰাছিয়া আৰু উইক্ৰেইনৰ মাজত চলি থকা যুদ্ধখনেও অনেক দেশৰ অৰ্থনীতিত অভাবনীয়ভাৱে কুপ্ৰভাব বিস্তাৰ কৰিছে। বিশেষকৈ এনাৰ্জী চেক্টৰত ৰাছিয়াৰ পেট্ৰ'লিয়াম-জাত অপৰিশোধিত তেল আৰু গেছৰ ওপৰত নিৰ্ভৰশীল পশ্চিমীয়া দেশসমূহ ভীষণ দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া হৈছে। ইউনাইটেড কিংডম আৰু ইউৰোপীয় ইউনিয়নৰ সদস্য-দেশ প্ৰমুখ্যে পশ্চিম ইউৰোপৰ দেশসমূহত এনাৰ্জী ব্যয় মাত্ৰাধিক হৈ পৰাৰ কাৰণে সমস্যাটো অধিক গুৰুতৰ হৈ পৰিছে। বিশ্বজুৰি প্ৰায় সকলো দেশেই এতিয়া 'ইনফ্লেচন'-ৰ কৱলত পৰিছে। এসময়ত অৰ্থনীতিবিদ আৰু অৰ্থনীতিৰ শিক্ষক-ছাত্ৰই ব্যৱহাৰ কৰা 'ইনফ্লেচন' শব্দটো এতিয়া সাধাৰণ মানুহৰ মুখে মুখে উচ্চাৰিত হোৱাৰ উপক্ৰম হৈছে।

ইংলেণ্ডৰ সংবাদ মাধ্যমত এনাৰ্জী আৰু গেছৰ দাম বৃদ্ধি হোৱাৰ ফলত জীৱন ধাৰণৰ মান হ্ৰাস হোৱাৰ সংশয়ৰ বিষয়টো এতিয়া সৰ্বাধিক চৰ্চাৰ বিষয় হৈ পৰিছে। ইনফ্লেচন আৰু এনাৰ্জী তথা গেছৰ দাম বৃদ্ধিয়ে সাধাৰণ মানুহৰ মৰ্যাদাপূৰ্ণ জীৱন ধাৰণলৈ কেনেদৰে ভাবুকি আনিছে সেই বিষয়ে নানাজনে নানান মত আগবঢ়াইছে। যোৱা চাৰি বছৰত ব্ৰিটেইনত পেট্ৰ'লৰ দাম বৃদ্ধি হৈ দুগুণ হৈছে; কিন্তু তাক লৈ দেশখনত হৈ-চৈ হৈ থকা নাই, সামগ্ৰিকভাৱে ইনফ্লেচন আৰু এনাৰ্জী তথা গেছৰ দাম বৃদ্ধিয়ে কেনেদৰে সাধাৰণ মানুহৰ মৰ্যাদাপূৰ্ণ জীৱন ধাৰণলৈ সংকট আনিছে তাৰ ওপৰতহে চৰ্চা হৈছে। এক সমীক্ষাৰ মতে ব্ৰিটেইনত সাধাৰণ মানুহ এঘৰে গড় হিচাপত বছৰি ২৯০০ কিলোৱাট আৱাৰ (কে ডব্লিউ এইছ আৰ) বিজুলী আৰু ১২০০০ কিলোৱাট আৱাৰ গেছ ব্যৱহাৰ কৰে। তাৰ বাবদ এঘৰ মানুহে এপ্ৰিল ২০২১-ত বছৰি ১,১৩৮ পাউণ্ড ভৰিবলগীয়া হৈছিল। ব্যয়ৰ সেই পৰিমাণ বাঢ়ি অক্টোবৰ ২০২১-ত ১,২৭৭ পাউণ্ড আৰু এপ্ৰিল ২০২২-ত ১,৯৭২ পাউণ্ড হৈছিলগৈ। অহা অক্টোবৰত ই বাঢ়ি ৩,৫৪৯ পাউণ্ড হ'বগৈ বুলি, ২০২৩-ৰ ৰ জানুৱাৰীলৈ বৃদ্ধি হৈ সি ৫,৩৯০ পাউণ্ড হ'বগৈ বুলি আৰু এক এপ্ৰিল ২০২৩-ত সি ৬,৬২০ পাউণ্ডলৈ বৃদ্ধি হ'বগৈ বুলি আশংকা কৰা হৈছে। অৱশ্যে পহিলা জুলাইত ৫,৯০০ -লৈ আৰু পহিলা অক্টোবৰত ৫,৮৯০ পাউণ্ডলৈ নমাৰো অনুমান কৰা হৈছে। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ দৌৰৰ চূড়ান্ত প্ৰতিযোগী ভাৰতীয় মূলৰ ঋষি চুনাক বিত্ত মন্ত্ৰী হৈ থাকোঁতে প্ৰতিঘৰ মানুহলৈ অহা অক্টোবৰৰ পৰা মাৰ্চলৈ ৪০০ পাউণ্ড ৰেহাই আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কিন্তু ইতিমধ্যে এনাৰ্জীৰ দাম ইমান বেছি বৃদ্ধি পাইছে যে এতিয়া সেই ৰেহাইক যৎসামান্য গণ্য কৰা হৈছে। সংবাদ মাধ্যমত এনে ধৰণৰ আলোচনাও দেখা গৈছে যে ঠাণ্ডাৰ দিনত ঘৰবোৰ গৰম কৰি ৰাখিবলৈ বিজুলী আৰু গেছৰ বাবে যিমান খৰচ কৰিব লাগিব তাৰ পাছত কম আয়ৰ পৰিয়ালসমূহৰ খোৱা বস্তু কিনিবলৈকে পৰ্যাপ্ত ধন নাথাকিবগৈ। উল্লেখ্য যে শীত কালত ইংলেণ্ডত ইমান জাৰ পৰে যে ঘৰসমূহ গৰম কৰি ৰখাৰ ব্যৱস্থা কৰিব নোৱাৰিলে মানুহ জীয়াই থাকিব নোৱাৰে। গেছ আৰু বিজুলীৰ বৰ্ধিত দামে ঔদ্যোগিক ক্ষেত্ৰতো কু-প্ৰভাৱ বিস্তাৰ কৰিছে আৰু অনেক উদ্যোগ বন্ধ হোৱাৰ উপক্ৰম হৈছে। গতিকে"কষ্ট অব লিভিং ক্ৰাইচিছ'ৰ লগতে সমান্তৰালভাৱে 'কষ্ট অব ডুইং বিজিনেচ ক্ৰাইচিছ'-এও ব্ৰিটেইনৰ সংবাদ মাধ্যমৰ শীৰ্ষ সমালোচনাত ঠাই পাইছে।



আমাৰ দেশত বিশেষকৈ আমাৰ ৰাজ্যত সামগ্ৰীৰ দাম বৃদ্ধিয়ে সাধাৰণ মানুহৰ মূৰত মাধমাৰ শোধোৱাৰ কথাহে কোৱা হয়, বিভিন্ন বৰ্গৰ মানুহৰ কাক কেনেদৰে ক্ষতি সাধন কৰিছে সেই বিষয়ে আলোচনা কৰা নহয়। এডাল সীমাৰেখাৰে বিপিএল আৰু এপিএল নামকৰণেৰে দেশবাসীক দুটা শ্ৰেণীত ভগোৱা হৈছে যদিও পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধিয়ে বিপিএল শ্ৰেণীৰ লোকক কেনেদৰে ক্ষতি সাধন কৰিছে, ৰন্ধন গেছৰ দাম বৃদ্ধিয়ে অথবা খোৱা তেলৰ দাম বৃদ্ধিয়ে বিপিএল পৰিয়াল এটাক মাহে বা বছৰে কিমানখিনি অতিৰিক্ত ধনৰ বোজা জাপি দিছে আদি কথাবোৰ বিশ্লেষণ কৰা নহয়। সেইবোৰ বিশ্লেষণ কৰি ক্ষতিসাধনসমূহ কোৱাণ্টিফাই (Quantify) কৰিব পাৰিলেহে ৰাইজক সকাহ দিয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা ল'ব লাগে সেই বিষয়ে ৰাইজে বা দল-সংগঠনে চৰকাৰৰ ওচৰত যুক্তিযুক্ত আৰু বাস্তৱসন্মত দাবী উত্থাপন কৰাটো সম্ভৱ হ'ব।

যি হওক, দুখীয়া দেশত দুখীয়া মানুহৰ বাবে 'কোৱালিটী অব লাইফ' বা জীৱন ধাৰণৰ গুণগত মান নিশ্চিত কৰাটো বাদেই; তেওঁলোকৰ বাবে ন্যূনতম অন্ন বস্ত্ৰ বাসস্থানৰ ব্যৱস্থা কৰিব পৰাটোৱেই ডাঙৰ কথা। আমাৰ দেশত অনেক দুখীয়া লোক আছে যদিও দেশখনক দুখীয়া দেশ বুলি কোৱা নহয়; উন্নয়নশীল দেশ বুলিয়েই কোৱা হয়। মানুহৰ মৌলিক প্ৰয়োজন অন্ন-বস্ত্ৰ-বাসস্থানৰ ভিতৰত বস্ত্ৰৰ বিষয়ে চিন্তা নকৰিলেও দেশখনত দুখীয়া লোকৰ বাবে অন্ততঃ অন্ন আৰু বাসস্থানৰ কথা চৰকাৰে কিছু হ'লেও চিন্তা কৰে বুলি ভবাৰ থল আছে। কাৰণ ইয়াত বিনামূলীয়া বা এটকীয়া চাউল আদিৰ যোগান আৰু প্ৰধানমন্ত্ৰী গ্ৰামীণ আৱাস যোজনাৰ অধীনত দুখীয়া লোকৰ কাৰণে গৃহ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে 'অৰুণোদয়' আঁচনিৰ অধীনত আগ বঢ়োৱা বিত্তীয় সহায়ৰ যোগেদি দুখীয়া মানুহলৈ পৰোক্ষভাৱে বস্ত্ৰৰ যোগানৰ ক্ষেত্ৰতো চৰকাৰে সহায়ৰ হাত আগবঢ়োৱা বুলি ভবাৰ থল আছে।

যি হওক ব্ৰিটেইনত সামগ্ৰী আৰু সেৱাৰ দাম বৃদ্ধিয়ে মানুহক কেনেদৰে জ্বলাকলা কৰিছে তাৰ বিষয়ে আলোচনা নকৰি জনসাধাৰণৰ মৰ্যাদাপূৰ্ণ জীৱন ধাৰণত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰিছে তাৰ বিষয়েহে আলোচনা কৰা হয়। আনহাতে, সাধাৰণ মানুহৰ মৰ্যাদাপূৰ্ণ জীৱন ধাৰণৰ সংজ্ঞানো কি আৰু ন্যূনতম জীৱন ধাৰণৰ মাননো কি সিও এক ইন্টাৰেষ্টিং (Interesting) বিষয়। কেৱল তিনি সাজ পুষ্টিকৰ ভোজন, প্ৰয়োজনীয় বস্ত্ৰ, মূৰৰ ওপৰত এখন চাল আৰু শীতকালত ঘৰবোৰ গৰম কৰি ৰখাৰ বাবে ন্যূনতম ধন ৰাশি থাকিলেই মানুহে মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিব নোৱাৰে। আনকি 'নেটফলিক্স' (Netflix)-ৰ দৰে চিনেমা চোৱাৰ বাবে 'চাবস্ক্ৰিপচন' (Subscription), ক'ভিডৰ বিৰুদ্ধে সুৰক্ষাৰ বাবে মাস্ক কিনা, ঘৰত এটা স্মাৰ্ট স্পীকাৰ ৰখা আৰু মাজে সময়ে সন্ধিয়া ওলাই গৈ বাহিৰত খোৱাৰ বাবে প্ৰয়োজনীয় ধনৰ পৰ্যাপ্ততাও মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰাৰ বাবে যথেষ্ট নহয়। সেইবোৰৰ লগতে এটা স্মাৰ্ট ফোন, এটা লেপটপ কম্পিউটাৰ, এটা টেলিভিচন, এটা ৱাছিং মেচিন, এটা অ'ভেন, এটা ফ্ৰীজ, এটা কুকাৰ প্ৰমুখ্যে ৰন্ধাৰ বাচন আদি কিনা, ৱাইফাই (wi fi)-ৰ খৰচ, ল'ৰা-ছোৱালী, আত্মীয় স্বজন, বন্ধু-বান্ধৱ আদিৰ বাবে সময়ে সময়ে উপহাৰ কিনা, মাজে সময়ে ৰেষ্টুৰেণ্টৰ পৰা ভোজন কিনি আনি খোৱা, বছৰত পৰিয়ালটো এবাৰ ফুৰিবলৈ যোৱা, বছৰত কিছু দান বৰঙণি দিয়া আদিৰ বাবে প্ৰয়োজনীয় ধনৰ পৰ্যাপ্ততাইহে সাধাৰণ মানুহৰ মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰাটো নিশ্চিত কৰে। অৱশ্যে এই ক্ষেত্ৰত সৰ্বজনগৃহীত চূড়ান্ত সংজ্ঞা এটা নাই। উন্নত দেশ হ'লেও ইংলেণ্ডতো আমাৰ দেশৰ দৰে কম আয়ৰ, মধ্যমীয়া আয়ৰ আৰু অধিক আয়ৰ লোক প্ৰমুখ্যে বিভিন্ন আয় বৃত্তৰ লোক আছে। তাতোকৈ ডাঙৰ কথা হৈছে বৰ্তমানৰ বিজুলী আৰু গেছৰ দাম বৃদ্ধিৰ বাবে ব্ৰিটেইনত দুখীয়া লোকৰ সংখ্যা ২০২০-২১ বছৰৰ প্ৰায় ১১ মিলিয়নৰ পৰা এই বছৰ প্ৰায় ১৪ মিলিয়নলৈ বৃদ্ধি হ'ব বুলি আশংকা প্ৰকাশ কৰা হৈছে।

**যোৱা চাৰি বছৰত ব্ৰিটেইনত পেট্ৰ'লৰ দাম বৃদ্ধি হৈ দুগুণ হৈছে; কিন্তু তাক লৈ দেশখনত হৈ-চৈ হৈ থকা নাই, সামগ্ৰিকভাৱে ইনফ্লেচন আৰু এনাৰ্জী তথা গেছৰ দাম বৃদ্ধিয়ে কেনেদৰে সাধাৰণ মানুহৰ মৰ্যাদাপূৰ্ণ জীৱন ধাৰণলৈ সংকট আনিছে তাৰ ওপৰতহে চৰ্চা হৈছে। এক সমীক্ষাৰ মতে ব্ৰিটেইনত সাধাৰণ মানুহ এঘৰে গড় হিচাপত বছৰি ২৯০০ কিলোৱাট আৱাৰ বিজুলী আৰু ১২০০০ কিলোৱাট আৱাৰ গেছ ব্যৱহাৰ কৰে**

উন্নত দেশ এখনত মিলিয়নৰ হিচাপত দুখীয়া লোক থকাৰ কথা সাধাৰণতে ভাবিব পৰা নাযায়। খোদ ব্ৰিটিছ পাৰ্লিয়ামেণ্টৰ হাউছ অব কমনচ লাইব্ৰেৰীত ১৩ এপ্ৰিল ২০২২-ত প্ৰকাশ কৰা (Poverty in the UKÊ. Statistics) শীৰ্ষক প্ৰতিবেদনৰ মতে হাউছিং ব্যয় নধৰাকৈ ব্ৰিটেইনৰ জনসংখ্যাৰ প্ৰতি ছগৰাকী লোকৰ একোজন আপেক্ষিকভাৱে কম আয়ৰ লোক আৰু হাউছিং ব্যয় ধৰিলে প্ৰতি পাঁচ গৰাকী লোকৰ একোজন আপেক্ষিকভাৱে কম আয়ৰ লোক। অৱশ্যে প্ৰতিবেদনখনত দাৰিদ্ৰ্য নিৰ্ণয়ত বিভিন্ন পদ্ধতিৰ ব্যৱহাৰৰ কথাও উল্লেখ কৰা হৈছে। এটা কথা ঠিক যে বিশ্বজুৰি সৰ্বসন্মতিক্ৰমে গৃহীত দাৰিদ্ৰ্যৰ সংজ্ঞা এটা নাই। গতিকে দাৰিদ্ৰ্যৰ আপেক্ষিক বিচাৰ দিনক দিনে অধিক গ্ৰহণযোগ্য হৈ আহিছে। সংখ্যাগতভাৱে তুলনা কৰাটো সম্ভৱ নহ'লেও জীৱন ধাৰণৰ গুণগত মানৰ ক্ষেত্ৰত আমাৰ দেশৰ নিচলা দুখীয়া এজনৰ তুলনাত ব্ৰিটেইনৰ ন্যূনতম আয়ৰ লোক এজনক অধিক অৱস্থাপন্ন বুলি ভবাৰ থল আছে।

লক্ষণীয় যে ইতিমধ্যে ব্ৰিটেইনত ফুৱেল পোভাৰ্টী (Fuel poverty) বা ইন্ধন দাৰিদ্ৰ্য বুলি নতুন শব্দ যুগল বহুলভাৱে প্ৰচাৰিত হ'বলৈ লৈছে। আন ক্ষেত্ৰত দুখীয়া ন'হলেও ইন্ধনৰ ক্ষেত্ৰত যে অনেক ব্ৰিটিছ দুখীয়া হ'বলৈ গৈ আছে সেই কথা বুজাবলৈকে এই শব্দযুগল সণ্টালনিকৈ ব্যৱহাৰ হ'বলৈ লৈছে।

যোৱা প্ৰায় এমাহ কাল জুৰি প্ৰধান মন্ত্ৰী পদৰ দৌৰৰ চূড়ান্ত প্ৰাৰ্থী দুগৰাকী ক্ৰমে ব্ৰিটিছ লিজ ট্ৰাছ আৰু ভাৰতীয় মূলৰ ঋষি চুনাকৰ প্ৰচাৰ সভাবোৰত আৰু টেলিভিচনত লোৱা তেওঁলোকৰ সাক্ষাতকাৰসমূহত ইনফ্লেচন আৰু এনাৰ্জী তথা গেছৰ দাম বৃদ্ধিয়ে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল। প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হ'লে এই বিষয়ত কোনগৰাকীয়ে কি পদক্ষেপ গ্ৰহণ কৰিব সেই বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত লিজ ট্ৰাছে কৈছিল যে কাৰ্যভাৰ গ্ৰহণ কৰাৰ এসপ্তাহৰ ভিতৰতে তেওঁ এই বিষয়ে যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব। আনহাতে, নতুন প্ৰধানমন্ত্ৰীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ দুসপ্তাহৰ ভিতৰতে যাতে চৰকাৰখনে জীৱন ধাৰণৰ ব্যয় বৃদ্ধিয়ে জনসাধাৰণলৈ অনা সংকটৰ মোকাবিলা কৰাৰ বাবে যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব পাৰে তাৰ বাবে বিত্ত বিভাগে কিছুমান প্লেন যুগুতাই থৈছে। অৱশ্যে অৱশেষত জনসাধাৰণলৈ কেনে ধৰণৰ সকাহ আগবঢ়োৱা হয় সেইটো নিৰ্ভৰ কৰিব কোন প্ৰধানমন্ত্ৰী হয়গৈ তাৰ ওপৰত। ইতিমধ্যে যোৱা পাঁচ ছেপ্টেম্বৰত ঘোষণা কৰা ফলাফল অনুযায়ী লিজ ট্ৰাছ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছে। বিজুলী আৰু গেছৰ দাম বৃদ্ধিয়ে জুৰুলা কৰা ৰাইজৰ সকাহৰ বাবে এসপ্তাহৰ ভিতৰত ট্ৰাছে কি ব্যৱস্থা গ্ৰহণ কৰে সি লক্ষ্যণীয় হ'ব। প্ৰধানমন্ত্ৰীৰ দৌৰত পৰাজিত ঋষি চুনাক চেঞ্চেলাৰ হৈ থাকোতেই যোৱা মে'ত ঘোষণা কৰা ১৫ বিলিয়ন পাউণ্ডৰ পেকেজ যথেষ্ট নহ'ব বুলি সংবাদ মাধ্যমত চৰ্চিত হৈছেই।

আমাৰ দেশত পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছ, ঔষধ, খোৱা তেল, শাক পাচলি আদিৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম মাত্ৰাধিকভাৱে বৃদ্ধি হোৱা কাৰণে বিৰোধী ৰাজনৈতিক দল আৰু কোনো কোনো অৰাজনৈতিক সংগঠনে সময়ে সময়ে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি আছে। আন আন দেশত 'ইনফ্লেচন'-ৰ বিৰুদ্ধে ৰাইজে কেনে ধৰণে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বা প্ৰতিবাদ সাব্যস্ত কৰিছে সেই বিষয়ে সতকাই গম পোৱা নাযায়।

ইতিমধ্যে যোৱা দুই ছেপ্টেম্বৰত ইণ্টাৰনেছনেল মণিটাৰী ফাণ্ডে প্ৰকাশ কৰা তথ্য মতে ভাৰতবৰ্ষই ব্ৰিটেইনক চেৰ পেলাই বিশ্ব অৰ্থনীতিত পঞ্চম স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। তৎসত্ত্বেও ভাৰতবৰ্ষ এতিয়াও উন্নয়নশীল দেশ হিচাপেই পৰিগণিত হৈ আছে; ব্ৰিটেইনৰ দৰে উন্নত দেশ হিচাপে স্বীকৃতি লাভ কৰা নাই। উন্নত অথবা উন্নয়নশীল—যি দেশ হিচাপেই স্বীকৃতি লাভ নকৰক কিয়, বিপিএল-এপিএল নিৰ্বিশেষে আমাৰ দেশৰ দুখীয়া আৰু আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ সকলো লোকৰ বাবে ন্যূনতম গুণগত মানবিশিষ্ট জীৱন ধাৰণৰ ব্যৱস্থা কেনেদৰে কৰিব পৰা যায় সেই বিষয়ে চিন্তা- চৰ্চা কৰাটোহে সাম্প্ৰতিক সময়ৰ অগ্ৰাধিকাৰৰ বিষয়। এই ক্ষেত্ৰত ভাৰতবৰ্ষই ব্ৰিটেইনৰ পৰা কিছু শিক্ষা গ্ৰহণ কৰাৰ থল নোহোৱা নহয়। কনষ্টিটিউচনেল মনাৰ্কিৰ সমান্তৰালভাৱে চলা পাৰ্লিয়ামেণ্টাৰী ডেমক্ৰেচিৰ পৰা গণতন্ত্ৰ বিষয়ক শিক্ষাৰ পৰা আৰম্ভ কৰি আৰ্থ সামাজিক সাংস্কৃতিক আদি সকলো দিশতে ব্ৰিটিছৰ পৰা আমাৰ শিকিবলগীয়া অনেক আছে। বিশেষকৈ বিশ্ব গুৰু হোৱাৰ বাবে ভাৰতবৰ্ষৰ যি স্পৃহা আৰু সপোন তাক পূৰ্ণ আৰু ফলৱতী কৰিবলৈ হ'লে ভাৰতবৰ্ষই আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক প্ৰতিটো দিশতে সচেতনভাৱে আৰু সমান্তৰালভাৱে সমানেই খোজ পেলাব লাগিব। তাত অসম-অসমীয়াৰ সক্ৰিয় অংশ গ্ৰহণ আৰু উল্লেখযোগ্য অবদানো বাঞ্ছনীয়; কাৰণ তাৰ মাজেৰেহে বিশ্ব প্ৰেক্ষাপটত অসম-অসমীয়াই নিজকে এক উন্নত জাতি হিচাপে প্ৰতিষ্ঠা কৰিব পাৰিব।

email prabin_c@yahoo.com

# খাদ্য ভেজালকৰণৰ গ্ৰাসত মানৱ জীৱন

## সুগন্ধিযুক্ত মছলা ব্যৱহৃত খাদ্য সম্ভাৰে মুখৰ জুতি বঢ়ালেও স্বাস্থ্যৰ অৱনতিহে ঘটায়

## অৱলোকন



চাইৰা ইছলাম বড়া

**স্বাস্থ্যই** পৰম সম্পদ। এজন ব্যক্তিৰ সুস্বাস্থ্য অটুট ৰখাৰ মূল মন্ত্ৰটোৱেই হ'ল দৈনন্দিন গ্ৰহণ কৰা পুষ্টিকৰ আহাৰ। উপযুক্ত খাদ্য অবিহনে এজন লোকে স্বাস্থ্যসন্মত জীৱন-যাপন কৰিব নোৱাৰে। খাদ্য ভেজালকৰণ প্ৰক্ৰিয়া বৰ্তমান সময়ত মানৱ জীৱনৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। সকলোৱে বিচাৰে সামৰ্থ্য অনুযায়ী পুষ্টিকৰ আহাৰ গ্ৰহণ কৰি সুস্বাহ্য অটুট ৰাখিবলৈ; কিন্তু আমাৰ অজ্ঞাতে দৈনিক আমি কিমান অখাদ্য গ্ৰহণ কৰিবলগীয়া হৈছে সেয়া সন্দেহৰ আৱৰ্তত। পিয়াহৰ পানী, ভোকৰ ভাত সাঁজ সকলোৱে তৃপ্তিৰে গ্ৰহণ কৰে। আৰ্থিকভাৱে দুৰ্বল বা সবল যি শ্ৰেণীৰেই লোক নহওক কোনেও ভাবিব নোৱাৰে শৰীৰৰ পক্ষে হানিকাৰক অখাদ্য ভক্ষণ কৰাটো। অতি পৰিতাপৰ কথা যে আজিৰ সময়ত পূৰ্বৰ দৰে থলুৱা উৎপাদনৰ বয় বস্তুবোৰ দুখজনকভাৱে হ্ৰাস পাব ধৰিছে, সকলো ফালে মাথোঁ নকল খাদ্যৰ পয়োভৰ। খাদ্য সামগ্ৰীৰ উপৰি দৈনন্দিন লাগতিয়াল সামগ্ৰীবোৰতো ভেজালকৰণে ভয়ানকভাৱে প্ৰভাৱ বিস্তাৰ কৰি জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে, যাৰ ফলত অতি সহজতে মানৱৰ দেহত সঘনাই বিভিন্ন ৰোগে থিতাপি লোৱাৰ সুযোগ পাইছে। প্ৰয়োজনীয় পুষ্টিৰ অভাৱে আমাৰ শৰীৰৰ লগতে মগজুও দুৰ্বল কৰি তোলে। অতীজৰ তুলনাত খাদ্যৰ গুণাগুণ বহুলাংশে হ্ৰাস পাইছে। বাহিৰৰ ৰং-বিৰঙী সতেজতা দেখি আচল-নকলৰ প্ৰভেদ বিচাৰি গ্ৰাহকসকলো বিবুদ্ধিত পৰে। অধিক মুনাফা লাভৰ আশাত এচাম অসাধু চক্ৰই দৈনিক খোৱা খাদ্যবোৰতো বিভিন্ন ধৰণৰ ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ কৰি মানৱৰ জীৱনৰ বাবে ভয়ানক ভাবুকি কঢ়িয়াই আনিছে। কৃত্ৰিমতাৰ পয়োভৰে এনেদৰে ছানি ধৰিছে যে সাধাৰণ দৃষ্টিত কোনো লোকেই এইবোৰ খাদ্য সামগ্ৰীৰ আচল-নকলৰ প্ৰভেদ উলিয়াব নোৱাৰে। খাদ্যত ব্যৱহাৰ কৰা কেমিকেল প্ৰস্তুতকাৰী এক বৃহৎ চক্ৰই একমাত্ৰ নিজৰ স্বাৰ্থসিদ্ধিৰ বাবেই মানৱৰ জীৱনৰ স'তে হেতালি খেলি আছে। এইবোৰ অখাদ্য গ্ৰহণ কৰি শিশুৰ পৰা জ্যেষ্ঠজনলৈকে বিভিন্ন জটিল ৰোগত আক্ৰান্ত হ'বলগীয়া হৈছে। অতীজতে পোৱা বিশুদ্ধ বায়ুখিনিও এতিয়া অত্যধিক কল-কাৰখানা, গাড়ী-মটৰৰ বিষাক্ত গেছৰ সংমিশ্ৰণত মানৱৰ দেহৰ বাবে প্ৰত্যাহবান হৈ পৰিছে।

দেহা থাকিলেহে বেহা, এজন সুস্বাস্থ্যৰ ব্যক্তিৰ তুলনাত ৰুগীয়া দেহৰ গৰাকী এজনৰ বাবে জীৱনটো গধুৰ বোজা স্বৰূপ হৈ পৰে। সকলোৱে কামনা কৰে এটা সুস্থ-সবল জীৱন যাপন কৰিবলৈ; কিন্তু কৃত্ৰিমতাৰ জটিল মেৰপেচত আৱদ্ধ এতিয়া জনজীৱন। অসাধু চক্ৰৰ চতুৰালিত সাধাৰণ মানুহে ভেজালকৰণ আৰু বিশুদ্ধকৰণৰ মাজত থকা তফাৎ চিনাক্ত কৰিব নোৱাৰি বহু সময়ত ভেজালকে বিশুদ্ধ বুলি গ্ৰহণ কৰিব লগীয়া হয়। নজনাকৈয়ে আমি যেন এক ভয়াৱহ ভৱিষ্যতলৈ গতি কৰি আছো। বৰ্তমান দিনত দৈনিক ঔষধ সেৱন কৰাটোও শিশুৰ পৰা জ্যেষ্ঠজনলৈকে অভ্যাসত পৰিণত হৈছে। বেছি ভাগ লোকেই সুস্থ জীৱনশৈলী বৰ্তাই ৰাখিবৰ বাবেও চিকিৎসকৰ পৰামৰ্শ মতে দৈনিক ঔষধ সেৱন কৰিবলগীয়া হয়। আটাইতকৈ শংকাৰ কাৰণ যে বৰ্তমান সময়ত ঔষধ ভেজালকৰণৰ নিকৃষ্ট খবৰবোৰেও আমাক শংকিত কৰি তোলে। পৰিৱৰ্তিত আত্মকেন্দ্ৰিক সমাজ ব্যৱস্থাত এতিয়া যেন বিশ্বাসৰ অপমৃত্যুত মানৱতাৰ ভেটি শিথিল হৈ পৰিছে। আনক মাৰি নিজৰ মুনাফাৰ চিন্তাত অটল থকা এচাম পশু তুল্য মানুহৰ চূড়ান্তভাৱে নৈতিক স্খলন ঘটিছে। গাখীৰ, মৌ, তেল, দাইল, চাউল, মাছ, মাংস, ফলমুলৰ পৰা দৈনন্দিন ব্যৱহৃত খাদ্য সামগ্ৰীসমূহত ভেজালকৰণ প্ৰক্ৰিয়া অতিমাত্ৰা বৃদ্ধি পোৱাৰ বাবে কম বয়সৰ পৰাই শিশুসকল বিভিন্ন ৰোগত আক্ৰান্ত হ'বলগীয়া হৈছে। ইয়াৰ উপৰি বেকাৰীসমূহৰ অস্বাস্থ্যকৰ পৰিৱেশত নিম্নমানৰ খাদ্য-সামগ্ৰীৰ প্ৰস্তুতকৰণ অতি বিপজ্জনক। বেকাৰীত প্ৰস্তুত কৰা সামগ্ৰীবোৰ নিৰ্দিষ্ট সময়ৰ বাবে খাদ্যৰ উপযোগী হৈ থকাৰ বিপৰীতে বহু অসাধু ব্যৱসায়ীয়ে ম্যাদ উকলা সামগ্ৰী বিক্ৰী কৰি ৰাইজক মৃত্যুৰ মুখলৈ ঠেলি দিয়া ঘটনাবোৰ বৰ্তমান সময়ত ভয়াৱহভাৱে সংঘটিত হ'ব ধৰিছে।

অতি চিন্তনীয় বিষয় হিচাপে পৰিগণিত হৈছে যে ভেজালকৰণৰ উপৰি বৰ্তমান সময়ত বজাৰ ভৰি পৰিছে বহু বিধ নকল খাদ্য-সামগ্ৰীৰে। দালাল শ্ৰেণীৰ চতুৰ ব্যৱসায়ীয়ে খাদ্য সামগ্ৰী ভেজালকৰণ কৰিয়েই ক্ষান্ত থকা নাই, বিশেষ কায়দাত নকল বস্তু প্ৰস্তুত কৰি বৃহৎ লেনদেনেৰে গ্ৰাহকক ৰাম ঠগন দি অনৈতিক কাৰ্যত লিপ্ত হৈ আহিছে। প্ৰাপ্ত তথ্য মতে কণী, চাউল, আটা বন্ধা কবিৰ দৰে বিভিন্ন ধৰণৰ খাদ্য-সামগ্ৰী আদিও বিষাক্ত প্লাষ্টিকৰ দ্বাৰা নিখুঁতভাৱে তৈয়াৰ কৰি এনে ধৰণে বজাৰত মেলি দিছে যে সাধাৰণ দৃষ্টিত কোনো এজন গ্ৰাহকৰ বাবে সম্ভৱপৰ নহয় এই পাৰ্থক্য সহজতে ধৰা পেলাবলৈ। তাৰ উপৰি অপৰিষ্কাৰ পানীৰে লেতেৰা পৰিৱেশত প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ ঠাণ্ডা পানীয়, আইচক্ৰীম জাতীয় খাদ্যবোৰে শিশুসকলৰ মাজত নানান ধৰণৰ ৰোগৰ সমস্যা গা কৰি উঠে, তথাপি বহু ক্ষেত্ৰত এচাম গ্ৰাহকৰ অজ্ঞতাৰ সুবিধা লৈ এইবোৰৰ ৰমৰমীয়া ব্যৱসায় চলিয়েই আছে। সৰু-বৰ সকলো ঠাইতে সততে উপলব্ধ পথৰ কাষত নানা তৰহৰ খাদ্য সম্ভাৰেৰে ক্ৰেতাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সুসজ্জিত কৰি ৰখা ৰং-বিৰঙী হানিকাৰক দ্ৰব্যৰ প্ৰয়োগেৰে প্ৰস্তুত কৰা ফাষ্টফুডৰ প্ৰতি যুৱপ্ৰজন্ম বহু বেছি পৰিমাণে আগ্ৰহী। দেহৰ বাবে অতিশয় মাৰাত্মক সুগন্ধিযুক্ত মছলা ব্যৱহৃত এই খাদ্য সম্ভাৰে মুখৰ জুতি বঢ়ালেও স্বাস্থ্যৰ অৱনতিহে ঘটায়। অৱশ্যে বৰ্তমান দেখাক দেখি গৰিষ্ঠসংখ্যক যুৱপ্ৰজন্মৰ মাজত সহজতে উপলব্ধ ফাষ্টফুডৰ প্ৰতিহে দিনকদিনে ধাউতি বাঢ়িছে। এইবোৰ খাদ্যাভ্যাসৰ দিৰ্ঘদিনীয়া অভ্যাসৰ ফলত কম বয়সতে বহুতো অচিন ৰোগে আক্ৰমণ কৰাত পাচন শক্তি দুৰ্বল হৈ পৰে। এনেবোৰ খাদ্যই মুখৰ সোৱাদৰ বিপৰীতে পেটত নানা ধৰণৰ পাৰ্শ্বক্ৰিয়াৰ সৃষ্টি কৰে, ভুক্তভোগী সকলে সময় থাকোতেই লোভ সম্বৰণ কৰি নিজকে সংশোধন নকৰিলে বৰ্ধিত বয়সত নানান অসুস্থতাৰ সন্মুখীন হ'বলগীয়া দু-সময় আহি পৰিব। সময়ৰ গতিত খাদ্য সামগ্ৰীৰ প্ৰকৃত সুগন্ধিৰ লগতে সোৱাদো যেন সাংঘাতিকভাৱে সলনি হৈ পৰিছিল। পূৰ্বৰ তুলনাত আন নালাগে মাছ-মাংসৰ সোৱাদো কিবা সেৰেকা হল। দুখজনকভাৱে থলুৱা বস্তুৰ ঠাইত বজাৰ দখল কৰিছে চালানী সামগ্ৰীয়ে। খাদ্যত বিষক্ৰিয়া হৈ সঘনাই মানুহ অসুস্থ হৈ মৃত্যুমুখত পৰা ঘটনাবোৰ এতিয়া যেন নিত্য নৈমিত্তিক সাধাৰণ কথা হৈ পৰিছে। বিশেষকৈ ৰাজহুৱা খাদ্য গ্ৰহণ কৰি হোৱা এনেধৰণৰ অবাঞ্ছিত ঘটনা মানৱ সমাজৰ বাবে অতিশয় গৰিহণাৰ যোগ্য।



ব্যক্তিগত লাভালাভৰ বাবে মানুহৰ জীৱনৰ স'তে খেলা কৰা কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে। খাদ্য ভেজালকৰণ পদ্ধতি মানৱতাৰ পৰিপন্থী আৰু জঘন্য অপৰাধ হিচাপে বিবেচিত হোৱাৰ পাছতো সকলোৱে চকুত ধূলি দি এচাম স্বাৰ্থান্বেষী অসাধু ব্যৱসায়ীয়ে আজিও এই ঘৃণনীয় পদ্ধতি অৱলম্বন কৰিয়েই আহিছে। যিহেতু জীয়াই থাকিবৰ বাবেই মানৱ শৰীৰত আহাৰৰ প্ৰয়োজন, সেই আহাৰ নিশ্চিতভাৱে পৰিষ্কাৰ, উৎকৃষ্ট আৰু স্বাস্থ্যসন্মত হোৱাতো নিতান্তই গুৰুত্বপূৰ্ণ। জনসাধাৰণৰ লগতে খাদ্য সুৰক্ষা বিভাগৰ দায়িত্বত থকা চৰকাৰী বিষয়াসকলেও নিজৰ দায়িত্ব সুচাৰুভাৱে পালন কৰিলে অসাধু ব্যৱসায়ীসকলে নিশ্চিতভাৱে নিজৰ ভুল সংশোধন কৰিবলৈ এদিন নহয় এদিন বাধ্য হ'ব। যিসময়ত নকল টকাৰ লেনদেন কৰা কুখ্যাত চক্ৰ উৎখাত কৰিব পৰা গৈছে তেনেস্থলত খাদ্য ভেজাল কৰা, জঘন্য অপৰাধী বিলাককো আইনী প্ৰক্ৰিয়াৰে দৃষ্টান্তমূলক শাস্তি বিহি পুলিয়ে- খোখাই উৎখাত কৰিব পাৰিলে সমগ্ৰ মানৱজাতি উপকৃত হব, ইয়াৰ বাবে লাগিব মাথোঁ সকলোৱে সদিচ্ছা। ফোন: ৯১০১৫১৭৮৪৭

## খোলা মঞ্চ

# এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...



প্ৰদীপ কুমাৰ শৰ্মা, লেখক

**ভাৰতৰ** জাতীয় জীৱনৰ পৰ্যালোচনা কংগ্ৰেছ দলক বাদ দি হ'ব নোৱাৰে। ১৮৮৫ত জন্মলাভ কৰা জাতীয় কংগ্ৰেছে ভাৰতৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ সৰ্বস্তৰৰ লোকক একত্ৰিত আৰু দেশপ্ৰেমত উদ্বুদ্ধ কৰি এক নিৰ্ণায়ক ভূমিকা পালন কৰিছিল বাবেই ভাৰতীয় জনমানসত এই দলৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰেম দুয়োটাই অপৰিসীম আছিল। স্বাধীনতা কালৰ নেতাসকলৰ জ্ঞান, ব্যক্তিত্ব আৰু আত্মত্যাগে তেওঁলোকক জনগণৰ অবিসম্বাদী নেতা হিচাপে প্ৰতিষ্ঠিত কৰিছিল; কিন্তু ১৯৬৭ৰ পৰা কংগ্ৰেছৰ আভ্যন্তৰীণ কন্দলে দলক জোঁকাৰি যায়। ১৯৬৯ত কংগ্ৰেছ দল নীতিগতভাৱে দুটা ভাগত বিভক্ত হয়।

১৯৬৭ৰ পাছৰ ঘটনাক্ৰমে দলীয় নেতাৰ মনত নিৰাপত্তাহীনতাৰ ভাবে গা কৰি উঠিব ধৰিলে। তাৰ লগে লগে নেতাসকলৰ বিলাসিতা আৰু উচ্ছৃংখল জীৱনশৈলীয়ে তেওঁলোকক মানুহৰ সাধাৰণ প্ৰবৃত্তি ধন-সম্পত্তি, মান-মৰ্যাদা আৰু সামাজিক স্থিতিৰ বাবে ক্ষুধাতুৰ কৰি তুলিলে। স্বাৰ্থপৰতাৰে পূৰ্ণ ৰাজনৈতিক ক্ষেত্ৰখনত নেতাসকল ধূৰ্তামি, প্ৰতাৰণা দুৰ্নীতিগ্ৰস্ততাৰ বোকাত পোত খাবলৈ ধৰিলে।

গুপ্পস্ত্ৰস্তু ট্ৰম্পসজ্জতুম্মাদ্ধনম্ফ ত্ৰজ্জম্পসপ্লন্দদ্বন্দ্বজ্জ-এ ২০০৯ত চলোৱা সমীক্ষা মতে ৫৮ শতাংশ ভাৰতীয় লোকে ৰাজনীতিকক দুৰ্নীতিগ্ৰস্ত ব্যক্তি বিশেষ বুলি গণ্য কৰে। ঢস্তুন্ত্ৰ ট্ৰম্পসজ্জতুম্মাদ্ধনম্ফ ত্ৰদ্ধত্ৰস্তুম্ভ ২০০৭ৰ সমীক্ষা মতে, অসম হ'ল দেশৰ ভিতৰত আটাইতকৈ দুৰ্নীতিগ্ৰস্ত ৰাজ্য। অৱশ্যে নিৰ্বাচনী ব্যয়ো ৰাজনৈতিক দুৰ্নীতিৰ অন্যতম ইন্ধন হ'ব পাৰে। অসমত পাঁচ বছৰত ৪৮ লাখ দৰমহা পোৱা এমএলএ এজনে নিৰ্বাচনত ৪০ লাখ টকা কেনেকৈ ব্যয় কৰিব? তদুপৰি আমি জানো যে নিৰ্বাচন আয়োগৰ এই ঊৰ্ধ্বতম সীমাতকৈ এমএলএসকলে বহু বেছি টকা অবৈধভাৱে ব্যয় কৰে। তাৰ উৎস কি?

ৰাজনৈতিক সংস্কৃতি হ'ল দৃষ্টিভংগী, বিশ্বাস আৰু অনুভূতিৰ এটা সমষ্টি, যি এটা ৰাজনৈতিক প্ৰক্ৰিয়াক শৃংখলা আৰু মান্যতা দিয়ে (লুচিয়ান পাই); কিন্তু ভাৰতীয় ৰাজনৈতিক নেতাসকলে সেই মান্যতা ধৰি ৰাখিব পাৰিছেনে? বিহাৰৰ নশ কোটিটকীয়া পশুখাদ্য কেলেংকাৰি, উত্তৰ প্ৰদেশৰ যমুনা এক্সপ্ৰেছ ৱে কেলেংকাৰি, অসমৰ উত্তৰ-কাছাৰ জিলাৰ এশ কোটিটকীয়া কেলেংকাৰি, মধ্যপ্ৰদেশৰ ব্যাপম কেলেংকাৰি, বফ'ৰ্চ কেলেংকাৰি, ৰাফেল কেলেংকাৰি, কাৰ্গিল যুদ্ধৰ কফিন কেলেংকাৰি আৰু বৰ্তমানৰ ৰাজহুৱা সম্পত্তি হস্তান্তৰ কেলেংকাৰিৰ দ্বাৰা সংগৃহীত ধনৰ গৰাকী নেতা, অন্যান্য দুৰ্নীতিত লিপ্ত নেতা যেনে— সুখৰাম, জয়ললিতা, মধু কোড়া, এ ৰাজ, মায়াৱতী, য়েডুৰাপ্পা, সুৰেশ কালমাডী আদি নেতা-মন্ত্ৰীৰ সম্পত্তিৰ পাহাৰ দেখি ৰাইজে ভাবিবলৈ লৈছে, মন্ত্ৰী-এমএলএ হোৱা মানেই এটা বৃহৎ জেকপট লটাৰী পোৱা। দুৰ্নীতি ভাৰতবৰ্ষত এক সামাজিক ব্যাধিত পৰিণত হৈছে। ইয়াৰ সন্মুখৰ শাৰীত আছে নেতা-মন্ত্ৰীসকল। এই ব্যাধিৰ প্ৰথম কাৰণ, দুৰ্নীতিগ্ৰস্তসকল জনসাধাৰণ বা কৰ্তৃপক্ষ কাৰো ওচৰতে জবাবদিহি হ'ব নালাগে। দুৰ্নীতিগ্ৰস্ত লোকে জানে যে তেওঁৰ দুৰ্নীতি খুচৰিবলৈ গ'লে আন বহু ৰৌ-বৰালি ওলাই পৰিব, সকলো লুতুৰি-পুতুৰি হ'ব, গতিকে তেওঁ সুৰক্ষিত। বিভিন্ন ৰাজনৈতিক দল আৰু তেওঁলোকৰ নেতাই মহাজাগতিক মণ্ডল এটাৰ আৰ্হিত দুৰ্নীতিৰ মহাজগত এখনৰ সৃষ্টি কৰিছে, য'ত তেওঁলোকে নিজৰ নিজৰ কক্ষপথত সুকলমে ঘূৰি ফুৰিছে, কোনো কাৰো কক্ষপথত প্ৰৱেশ নকৰাকৈ, সংঘৰ্ষৰ সৃষ্টি নকৰাকৈ। মাজে মাজে উল্কাপিণ্ডৰ দৰে দুই-এজন কক্ষচ্যুত হৈছে যদিও সেয়া চকুত নপৰা বিধৰ।

ফোন: ৯৯৫৪৭৬৭৫৭৫

# যোৰহাটত আনন্দৰাম বৰুৱা

*তিনি পৃষ্ঠাৰ পৰা* গঢ়ি তুলিব লাগিব। যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত আজি শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী পুথিভঁৰাল প্ৰেক্ষাগৃহত ২০২২ৰ আনন্দৰাম বৰুৱা বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি উপস্থিত থাকি এইদৰে কয় ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই। মন্ত্ৰী বৰাই আৰু কয় যে চৰকাৰে শৈক্ষিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে এক বৃহৎ ধনৰাশি ছাত্ৰ-ছাত্ৰীৰ বাবে মোকলাই দিছে। সেয়া সুপ্ৰয়োগ হোৱা উচিত। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে দেশৰ একোজন সু নাগৰিক হ'বলৈ চেষ্টা কৰিবলৈও মন্ত্ৰীজনে আহ্বান জনায়। অনুষ্ঠানত ৰাজসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক গুণগত মানৰ শিক্ষা প্ৰদান কৰি প্ৰকৃত মানৱ সম্পদ কৰি গঢ়ি তুলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলক আহ্বান জনায়। উল্লেখ্য যে জিলাখনৰ ষ্টাৰ নম্বৰ আৰু তাতকৈ অধিক নম্বৰ লাভ কৰা মুঠ ১,১২৩ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক এই বঁটা প্ৰদান কৰা হয়। জিলা উপায়ুক্ত অশোক বৰ্মনে ভাষণ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক সদায় সততা আৰু নিষ্ঠাৰে নিজৰ পথত আগবাঢ়ি যাবলৈ পৰামৰ্শ দিয়ে। নিজকে কাৰো লগত তুলনা নকৰিবলৈ আৰু মাক-দেউতাকক যিকোনো বস্তু লাগে বুলি হেঁচা প্ৰয়োগ নকৰি নিজে স্বাৱলম্বী হ'বলৈ চেষ্টা কৰিবলৈ কোৱাৰ লগতে শিক্ষাগুৰু আৰু পিতৃ-মাতৃক সদায় শ্ৰদ্ধা ভক্তি কৰিবলৈ উপায়ুক্তয়ে আহ্বান জনায়। অনুষ্ঠানত দেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন ভৰালী, মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, অতিৰিক্ত উপায়ুক্ত কবিতা কাকতি কোঁৱৰ, বিদ্যালয়সমূহৰ পৰিদৰ্শক শুভলক্ষ্মী ৰাজকুমাৰীৰ লগতে জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ বিষয়া কৰ্মচাৰীসকল আৰু জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহুসংখ্যক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকল উপস্থিত থাকে।

# জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ শিক্ষাৰ্থী জীৱনৰ পৰাই কৰিব লাগিব কঠোৰ পৰিশ্ৰম

## ওদালগুৰিত ৪০২ গৰাকী শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**টংলা, ৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি ওদালগুৰিত এক মনোজ্ঞ অনুষ্ঠানৰ মাজত জিলাখনৰ পৰা ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা মুঠ ৪০২ গৰাকী শিক্ষাৰ্থীক ৰাজ্য চৰকাৰৰ আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হয়। ওদালগুৰিৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জে পি ব্ৰহ্মই আঁত ধৰা অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ-বাণিজ্য তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকি কৃতী শিক্ষাৰ্থীসকলৰ মাজত আনন্দৰাম বঁটা প্ৰদান কৰে। অনুষ্ঠানত শিক্ষাৰ্থীসকলক সম্বোধন কৰি দিয়া ভাষণত মন্ত্ৰী বিমল বৰাই নিজৰ শিক্ষাৰ্থী জীৱনত লিখা মোৰ জীৱনৰ লক্ষ্য ৰচনাৰ প্ৰসংগ উনুকিয়াই পৃথিৱীৰ প্ৰত্যেকজন মানুহৰ জীৱনৰ কিবা নহয় কিবা এটা উদ্দেশ্য থাকে কিন্তু জীৱনৰ লক্ষ্যত সেইসকলেহে উপনীত হ'বলৈ সক্ষম হয় যিসকলে ছাত্ৰ জীৱনৰ পৰাই লক্ষ্যত উপনীত হ'বলৈ কঠোৰ অধ্যৱসায়ৰ মাজত থাকি পৰিশ্ৰম কৰে বুলি উল্লেখ কৰে। তেওঁ শিক্ষাৰ্থীসকলক ভৱিষ্যত জীৱনত সফল হ'বলৈ শিক্ষাৰ্থী জীৱনৰ পৰা নিজৰ লক্ষ্য নিৰ্ধাৰণ কৰি লক্ষ্য সাধনাত ব্ৰতী হ'বলৈ আহ্বান জনায়। সভাত ওদালগুৰি সমষ্টিৰ বিধায়ক ড° ছাদনেক সিঙে আদৰণি ভাষণ প্ৰদান কৰি ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰদান কৰা আনন্দৰাম বৰুৱা বঁটা লাভ কৰি প্ৰতিগৰাকী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপনৰ লগতে ভৱিষ্যতে প্ৰতিগৰাকী শিক্ষাৰ্থী একো একোজন সফল ব্যক্তি হ'ব বুলি আশা প্ৰকাশ কৰে। সভাত বিটিচিৰ সদস্য জলসিঞ্চন বিভাগৰ কাৰ্যবাহী সদস্য ড° নিলুত স্বৰ্গিয়াৰীয়ে ভাষণ প্ৰদান কৰি শিক্ষাৰ্থীসকলক সম্বোধন কৰি অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। সভাত বিটিচিৰ ক্ৰীড়া আৰু সাংস্কৃতিক বিভাগৰ কাৰ্যবাহী সদস্য দাওচাও বড়ো, মাজবাট বিধানসভা সমষ্টিৰ বিধায়ক চৰণ বড়ো, এমচিএলএ সঞ্জয় স্বৰ্গীয়াৰী, ফ্ৰেছ মোছাহাৰী, ওদালগুৰি জিলা বিজেপিৰ সভাপতি সুনীল বসুমতাৰীৰ লগতে কে'বাগৰাকী শিক্ষা বিষয়া আৰু প্ৰশাসনিক বিষয়াৰ লগতে বিভিন্ন বিদ্যালয়ৰ অধ্যক্ষ আৰু প্ৰধান শিক্ষকসকল উপস্থিত থাকে।

# ইতিহাস বিকৃত কৰিছে 'লালেটাপু ১৯৮৩'- এ

## অসম আন্দোলনৰ সতীৰ্থ মঞ্চৰ জামুগুৰিহাটত সম্বাদমেল

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৭ ছেপ্টেম্বৰ ঃ** 'লালেটাপু ১৯৮৩' নামৰ অসমীয়া নিৰ্মীয়মান চিনেমাখনক লৈ সম্প্ৰতি তীব্ৰ প্ৰতিবাদ আৰম্ভ হৈছে জামুগুৰিহাটত। ১৯৮৩ৰ ২০ মাৰ্চত লালেটাপুত সাতজনকৈ পাহোৱাল অসমীয়া ডেকাক সন্দেহজনক নাগৰিকে হানি-খুঁচি নৃশংসভাৱে হত্যা কৰাৰ ঘটনাক আলম হিচাপে লৈ আদিত্যম শইকীয়া নামৰ যুৱকজনে নিৰ্মাণ কৰে লালেটাপু ১৯৮৩ নামৰ এখন অসমীয়া কথাছবি। সম্প্ৰতি এই কথাছবিকলৈয়ে বিতৰ্কৰ সৃষ্টি হৈছে জামুগুৰিহাটত। আজি আদিত্যম শইকীয়াৰ এই কথাছবিখনক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে অসম আন্দোলনৰ সতীৰ্থ মঞ্চই। জামুগুৰিহাটৰ পৰিদৰ্শন ভৱনত অনুষ্ঠিত এক সংবাদমেল আয়োজন কৰি অসম আন্দোলনৰ সতীৰ্থ মঞ্চৰ সভাপতি পূৰ্ন হাজৰিকাই কয়, 'এই কথাছবিখনত ইতিহাস বিকৃত কৰা হৈছে। অতি বীভৎস দৃশ্য দেখুওৱা হৈছে। ছহিদক অপমান কৰা এই কথাছবিখন বন্ধ নকৰিলে আমি আইনৰ কাষ চাপিম। সম্পাদক শৈলেন বৰকটকীয়ে কয়, 'লালেটাপুৰ ইতিহাস বিকৃত কৰি আদিত্যম শইকীয়াই সাম্প্ৰদায়িক বিষবাষ্প বিয়পাব বিচাৰিছে। নোহোৱা-নোপোজা ঘটনা ছবিখনৰ টেইলৰত দেখুওৱা হৈছে। পুৰুষৰ উলংগ ফটো, মহিলাৰ উলংগ ফটো, বলাৎকাৰৰ দৃশ্য। যি ঘটনা লালেটাপুত হোৱাই নাছিল। আদিত্যম শইকীয়াৰ এই অসমীয়া চিনেমা বন্ধ নকৰিলে আমি আইনৰ আশ্ৰয় ল'ম। সতীৰ্থ মঞ্চৰ অন্যতম বিষয়ববীয়া নলিনীৰঞ্জন ভূএগ্ৰাই কয়, 'চিনেমাখনৰ নাম সলনি কৰিলেই আমি ক্ষান্ত নহওঁ। জামুগুৰিবাসী ৰাইজৰ আবেগ অনুভূতিক আঘাত হানি আদিত্যম শইকীয়াই লালেটাপু ঘটনাক বিকৃত ৰূপত প্ৰদৰ্শন কৰিছে।' এই কথা আমি কেতিয়াও মানি নলওঁ। এই কথাছবি সম্পূৰ্ণৰূপে বন্ধ হ'ব লাগে। বাৰেচহৰীয়া ভাওনা কমিটীৰ কাৰ্যকৰী সভাপতি ভৱ গোস্বামীয়ে কয়, 'জামুগুৰিহাটৰ ইতিহাস আমি কেতিয়াও বিকৃত হ'বলৈ নিদিওঁ। সামাজিক, সাংস্কৃতিকভাৱে চহকী এই জামুগুৰিহাটৰ মান-সন্মান আমি কেতিয়াও লাঘৱ হ'বলৈ দিব নোৱাৰো। সম্পূৰ্ণ মনেসজা কাহিনীৰে এই চিনেমা নিৰ্মাণ কৰিছে। আমি এই চিনেমাখন নিষিদ্ধ হোৱাটো বিচাৰিছো। জামুগুৰি সাহিত্য সভাৰ সভাপতি জ্যোতি ভট্টাচাৰ্যই ১৯৮৩ৰ লালেটাপুৰ ঘটনাক বিকৃত কৰা তথা ইতিহাস সলনি কৰি পেলোৱা আদিত্যম শইকীয়াক তীব্ৰ গৰিহণা দিয়াৰ লগতে এই চিনেমাৰ নাম সলনিয়েই নহয় এই চিনেমাৰ কাহিনী মচি পেলাবলৈ প্ৰযোজকজনক আহ্বান জনায়। অন্যথা আইনৰ আশ্ৰয় ল'ম বুলিও মন্তব্য কৰে জ্যোতি ভট্টাচাৰ্যই। সংবাদমেলখনত অংশগ্ৰহণ কৰি শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথে কয়- আদিত্যম শইকীয়াই অসম আন্দোলনক অপমান কৰিছে। ছহিদসকলক অপমান কৰিছে। লালেটাপুৰ ঘটনাক বিকৃত কৰি অতি বীভৎস ৰূপত নিৰ্মাণ কৰা লালেটাপু ১৯৮৩ নামৰ ছবিখন চিৰদিনৰ কাৰণে নিষিদ্ধ কৰিব লাগে। অন্যথা আমি জামুগুৰি ৰাইজৰ সহযোগত কঠোৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ম।

# প্ৰতিশ্ৰুতিৰ পাঁচমাহ উকলিল যদিও

*এক পৃষ্ঠাৰ পৰা* পাঁচটা মাহ উকলি যোৱাৰ পাছতো বিজ্ঞাপন প্ৰকাশ নোপোৱাত ক্ষোভ ব্যক্ত কৰে। সংস্থাৰ সভানেত্ৰী জ্যোতিস্মিতা মুদৈয়ে সংবাদমেলখন সম্বোধন কৰি কয় যে ২০২২-২০২৩ বৰ্ষৰ বাজেটত বিত্তমন্ত্ৰী অজন্তা নেওগে উচ্চ প্ৰাথমিক বিদ্যালয়ত ৬৪৬টা হিন্দী ভাষা শিক্ষকৰ পদ পূৰণৰ কথা উল্লেখ কৰিছিল। বিত্ত বিভাগৰ পৰা যাৱতীয় অনুমোদন পোৱাৰ পাছতো আজি পৰ্যন্ত এইসমূহ পদৰ বিজ্ঞাপন প্ৰকাশ কৰা নহ'ল বুলি মুদৈয়ে সদৰী কৰি যাৰ ফলত সৰ্বভাৰতীয় ৰাজভাষা হিচাপে স্বীকৃত হিন্দী ভাষা শিক্ষাৰ পৰা শিক্ষাৰ্থীসকল বঞ্চিত হৈ আছে বুলি অভিযোগ কৰে। তেওঁ কয়, 'এই সন্দৰ্ভত আমি শিক্ষামন্ত্ৰীক কে'বাবাৰো সাক্ষাৎ কৰি বিজ্ঞাপন প্ৰকাশৰ বাবে আহ্বান জনাই আহিছো। মন্ত্ৰী ডাঃ পেগুৱে চলিত বৰ্ষৰ ১০ মে'ৰ পাছতে বিজ্ঞাপন প্ৰকাশ কৰিব বুলি আশ্বাস প্ৰদান কৰিছিল। সংবাদ মাধ্যমৰ আগতো মন্ত্ৰীজনে উচ্চ ন্যায়ালয়ত চলি থকা গোচৰৰ পৰা মুকলি হৈছে বুলি সদৰী কৰি শীঘ্ৰেই খালী হৈ থকা হিন্দী শিক্ষকৰ পদসমূহৰ বিজ্ঞাপন প্ৰকাশ পাব বুলি উল্লেখ কৰিছিল; কিন্তু আজিলৈকে এই পদসমূহৰ বিজ্ঞাপন প্ৰকাশ কৰা নহ'ল।' সেয়ে আজিৰ সংবাদমেলৰ জৰিয়তে সংগঠনটোৱে খালী হৈ থকা ৬৪৬টা হিন্দী শিক্ষক পদৰ বাবে চলিত মাহতে বিজ্ঞাপন প্ৰকাশ কৰিবলৈ চৰকাৰক দাবী উত্থাপন কৰিছে।

# মহানগৰীত দুটা শ্ব'ৰূমত অগ্নিকাণ্ডত দুই

*এক পৃষ্ঠাৰ পৰা* 'বেনেলি'লৈ সম্প্ৰসাৰিত হোৱাত এক বিধ্বংসী ৰূপ ধাৰণ কৰে। অগ্নিনিৰ্বাপক বাহিনীৰ ১১খনকৈ বাহনে প্ৰায় চাৰি ঘণ্টাজোৰা যুদ্ধকালীন চেষ্টাত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয় যদিও এই বিধ্বংসী অগ্নিকাণ্ডত বিলাসী বাহনৰ শ্ব'ৰূম দুটাৰ বিস্তৰ ক্ষতিসাধন হয়। অগ্নিনিৰ্বাপক বাহিনীয়ে সদৰী কৰা অনুসৰি, এই অগ্নিকাণ্ডত 'ইছুজু' শ্ব'ৰূমত থকা চাৰিখনকৈ বিলাসী বাহন আৰু আনটো শ্ব'ৰূমত থকা সাতখন নতুন বেনেলি দুচকীয়া বাহন আৰু মেৰামতিৰ বাবে থকা একেটা কোম্পানীৰে আন দুখন দুচকীয়া বাহন জুইত জাহ যায়। উল্লেখ্য যে শ্ব'ৰূম দুটাৰ পাছফালে বহু সংখ্যক বাহন জমা হৈ আছিল যদিও অগ্নিনিৰ্বাপক বাহিনীৰ প্ৰচেষ্টাত কথমপি প্ৰাণ ৰক্ষা পৰে। ঘটনাৰ সন্দৰ্ভত শ্ব'ৰূম দুটাত নিয়োজিত নিৰাপত্তাৰক্ষীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, নিশা প্ৰায় তিনি বজাত চৌপাশত বিদ্যুতৰ তাঁৰ জ্বলা গোন্ধ পাইছিল। তেওঁলোকে চাৰিও দিশ টহল দিয়াত একো প্ৰত্যক্ষ কৰা নাছিল আৰু পুৱা প্ৰায় ৪-৩০ বজাত এক মৃদু বিস্ফোৰণ সংঘটিত হৈ 'ইছুজু' শ্ব'ৰূমৰ ভিতৰৰ পৰা জুই ওলাই অহা প্ৰত্যক্ষ কৰি লগে লগে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়া হয় বুলি কয়। উল্লেখ্য যে এই অগ্নিকাণ্ড কিদৰে আৰু কেনেকৈ সংঘটিত হ'ল তাৰ সূত্ৰ এতিয়াও নিশ্চিত হোৱা নাই বুলি অগ্নিনিৰ্বাপক বাহিনীয়ে সদৰী কৰি পুনৰ কয় যে এই অগ্নি নিৰ্বাপণ কৰিবলৈ দিছপুৰৰ তিনিখন, পাণবজাৰৰ দুখন, লখৰাৰ দুখন, পাণ্ডু, চান্দমাৰি আৰু সোণাপুৰৰ এখনকৈ অগ্নিনিৰ্বাপক বাহন নিয়োজিত হৈছিল। এই শ্ব'ৰূম দুটা ব্যৱসায়ী সঞ্জীৱ নাৰায়ণৰ বুলি জানিব পৰা গৈছে বুলি অগ্নিনিৰ্বাপক বাহিনীয়ে উল্লেখ কৰি এই অগ্নিকাণ্ডত প্ৰায় দুই কোটি টকাৰ সামগ্ৰী জুইত জাহ যোৱাৰ বিপৰীতে প্ৰায় দুই কোটি টকাৰ সম্পত্তি ৰক্ষা পৰে বুলি কয়।

# মহানগৰীৰ যানবাহন আৰক্ষীক প্ৰশিক্ষিত

*এক পৃষ্ঠাৰ পৰা* মলখনৰ সমীপত যান-বাহন আইন অমান্য উলংঘা কৰাৰ অভিযোগত ফখৰুদ্দিন আহমেদ নামৰ যান-বাহন আৰক্ষীৰ এজন কনিষ্টবলে মাৰধৰ কৰে। আৰক্ষীয়ে প্ৰহাৰ কৰা বিকি প্ৰসাদ গুপ্তা নামৰ লোকজনে সেই সময়ত এখন দুচকীয়া বাহনেৰে তিনি বছৰীয়া সন্তানসহ ঘৰলৈ গৈ আছিল। সেই সময়ত যথেষ্ট চৰ্চিত হোৱা ঘটনাটোক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে ২/২০২২ নম্বৰত নিজাববীয়াকৈ এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গ্ৰহণ কৰে। এই সম্পৰ্কীয় গোচৰটোৰ শুনানিত আদালতৰ নিৰ্দেশ মৰ্মে গুৱাহাটী আৰক্ষী আয়ুক্তৰ অপৰাধ শাখাৰ উপ-আয়ুক্তই এখন শপতনামা দাখিল কৰে। তাত উল্লেখ কৰা হয় যে পল্টন বজাৰ আৰক্ষী থানাত গুপ্তাৰ বিৰুদ্ধেও এটা গোচৰ ৰুজু কৰা হৈছে। গোচৰটোত চূড়ান্ত প্ৰতিবেদনত অভিযুক্তৰ বিৰুদ্ধে কৰ্তব্যৰত আৰক্ষীক আক্ৰমণ সন্দৰ্ভত পৰ্যাপ্ত তথ্য পোৱা নগ'ল বুলি উল্লেখ থকাৰ কথাও আদালতক জনোৱা হয়। আৰক্ষীয়ে লগতে জনায় যে মটৰ চাইকেল আৰোহীজনক প্ৰহাৰ কৰা কনিষ্টবলজনৰ লগতে তেওঁক সেই সময়ত ঘটনাস্থলীত উপস্থিত সহযোগ কৰা মতিউৰ ৰহমান আৰু লীলাকান্ত দাসৰ বিৰুদ্ধে বিভাগীয় শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ন্যায়ালয়ৰ ৰায়টোত আজি লগতে উল্লেখ কৰা হয় যে এটা তুচ্ছ যান-বাহন সংক্ৰান্তীয় দোষত আৰক্ষীয়ে নিজৰ হাতত আইন তুলি লোৱাটো উচিত নহয় আৰু অনুমতিও দিব নোৱাৰি। আৰক্ষীয়ে যানবাহন নিয়ন্ত্ৰণৰ বাবে দায়বদ্ধ; কিন্তু তাৰ বাবে নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব কৰিব নোৱাৰে। ৰায়টোত এনেদৰেও উল্লেখ কৰা হৈছে। আদালত এই মতত উপনীত হৈছে যে আৰক্ষীৰ প্ৰশিক্ষণৰ অভাৱতে এনে এক ঘটনা সংঘটিত হয় যদিও সহ্য কৰিব পৰাটো এক ব্যক্তিগত সমতাৰ ওপৰত নিৰ্ভৰশীল বিষয় তথাপি শীৰ্ষ বিষয়াসকলে আৰক্ষীৰ লোকসকলক এই ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰশিক্ষণ দিব লাগে। যান-বাহন আৰক্ষীৰ ভূমিকা নাগৰিকৰ প্ৰতি বন্ধুত্বপূৰ্ণ হ'ব লাগে।'

# বড়ো ভাষাক দ্বাদশ শ্ৰেণীলৈ শিক্ষাৰ

*এক পৃষ্ঠাৰ পৰা* জৰিয়তে বড়ো সাহিত্য সভা আৰু নিখিল বড়ো ছাত্ৰ সন্থাৰ এক দীৰ্ঘদিনীয়া দাবী সমাধান কৰা হ'ল আৰু বড়োসকলৰ আশা-আকাংক্ষা পূৰণ হ'ল। লগতে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ সহকাৰী অধ্যাপক-অধ্যাপিকা সহযোগী অধ্যাপক-অধ্যাপিকা আৰু অধ্যাপক-অধ্যাপিকা নিযুক্তিৰ ক্ষেত্ৰত বৰ্তমানৰ সংৰক্ষণৰ ৰোষ্টাৰ মুক্ত কৰাৰ সিদ্ধান্তকো আদৰণি জনাইছে আৰু ইয়াৰ দ্বাৰা বৰ্তমান বহু সহকাৰী অধ্যাপক-অধ্যাপিকা পদৰ নিযুক্তি প্ৰক্ৰিয়াৰ বাধা আঁতৰিল বুলি ইটছাৰ সম্পাদকপ্ৰধান কমলাকান্ত মুছাহাৰীয়ে আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে মন্তব্য কৰিছে। এই সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বড়োলেণ্ড উন্নয়ন মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম (ইটছা)ই। লগতে পৰৱৰ্তী সময়ত অনুষ্ঠিত হ'বলগীয়া অসম মন্ত্ৰীসভাৰ কেবিনেটত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত মিচিং, ৰাভা, তিৱা, দেউৰী আৰু ডিমাছা ভাষাক প্ৰাথমিক শিক্ষাৰ পঞ্চম শ্ৰেণীলৈকে, কাৰ্বি ভাষাক অষ্টম শ্ৰেণীলৈকে আৰু গাৰো ভাষাক দ্বাদশ শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি প্ৰদান কৰিবলৈ খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম (ইটছা)-এ মুখ্যমন্ত্ৰীক আজি আহ্বান জনাইছে। ইয়াৰ দ্বাৰা বড়ো সাহিত্য সভাৰ দৰেই মিচিং সাহিত্য সভা, ৰাভা সাহিত্য সভা, তিৱা সাহিত্য সভা, দেউৰী সাহিত্য সভা, ডিমাছা সাহিত্য সভা আৰু গাৰো সাহিত্য সভাৰ দীৰ্ঘদিনীয়া দাবীক মৰ্যাদা সহকাৰে সমাধান কৰা হ'ব বুলি মন্তব্য কৰি ইটছাৰ সম্পাদকপ্ৰধানজনে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীক এক শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। একেদৰে বিটিআৰৰ অধীনৰ ১০ খন ভেন্সাৰ মহাবিদ্যালয় প্ৰাদেশিকীকৰণৰ বাবে অনুমোদন জনোৱা কেবিনেট সিদ্ধান্তকো আদৰণি জনাইছে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম (ইটছা)ই আৰু বিটিআৰৰ বাহিৰৰ ভেন্সাৰ মহাবিদ্যালয় আৰু ভেন্সাৰ বিদ্যালয়সমূহও প্ৰাদেশিকীকৰণৰ একেই পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। লগতে বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ জন্ম দিনটো সমগ্ৰ অসমতে 'ছাত্ৰ দিৱস' হিচাপে উদ্‌যাপন কৰাৰ বাবে লোৱা সিদ্ধান্তকো আদৰণি জনাইছে। ইয়াৰ দ্বাৰা অসমৰ খিলঞ্জীয়া বড়ো-জনজাতিসকলে যি ন্যায্য প্ৰাপ্তিৰ বাবে আন্দোলন কৰিছিল তাৰ স্বীকৃতি প্ৰদান কৰা হ'ল বুলি বিবৃতিটোত সংগঠনটোৰ সম্পাদকপ্ৰধানজনে মন্তব্য কৰে।

# নগাঁও অসামৰিক চিকিৎসালয়ৰ পৰা

*এক পৃষ্ঠাৰ পৰা* আজি নগাঁও আৰক্ষীয়ে তিনি বছৰীয়া ল'ৰা সন্তানটোক উদ্ধাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত দিজুবস্তিৰ পৰা তিনি বছৰীয়া ল'ৰা সন্তানটোক আজি উদ্ধাৰ কৰা হয়। উল্লেখ্য যে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত যোৱা ১১ আগষ্টৰ পৰা অগ্নিদগ্ধ হৈ চিকিৎসাধীন অৱস্থাত থকা এগৰাকী মহিলাৰ লগত থকা দুই সন্তান অতি ৰহস্যজনভাৱে চিকিৎসালয়খনৰ পৰা নিখোঁজ হৈছিল। যোৱা পাঁচ ছেপ্টেম্বৰত চিকিৎসাধীন অৱস্থাত মহিলাগৰাকীৰ মৃত্যুৰ পাছত এই তথ্য পোহৰলৈ অহাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আনকি চিকিৎসালয়খনৰ ৰোগীৰ মাজত প্ৰচাৰিত খবৰ অনুসৰি মহিলা গৰাকীৰ ১০ বছৰীয়া কন্যা সন্তানে তিনি বছৰীয়া নিজ ভ্ৰাতৃক ধনৰ বিনিময়ত কোনো লোকক বিক্ৰী কৰি দিছিল। ইয়াৰ পাছতে চিকিৎসালয় কৰ্তৃপক্ষৰ মাজতো এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। অগ্নিদগ্ধ মহিলাগৰাকীক নগাঁৱৰ ছটো লাওমাৰীৰ হাচান আলী নামৰ এজন লোকে এটা ইটাভাটাৰ পৰা আনি চিকিৎসালয়ত ভৰ্তি কৰিছিল। কিন্তু চিকিৎসালয়ত অগ্নিদগ্ধ মহিলাগৰাকীক চিকিৎসাধীন কৰি হাচান আলীয়ে মহিলাগৰাকীৰ কণ কণ শিশু দুটাক তাতেই এৰি অন্তৰ্ধান হয়। কালি নিশা নগাঁও আৰক্ষীয়ে চালনা চাহ বাগিচাৰ পৰা উদ্ধাৰ কৰা কন্যা শিশুটিক নিজ মাতৃয়ে চিকিৎসালয়ত গণেশ তাঁতী নামৰ এজন লোকক গটাই দিয়া বুলি আৰক্ষীৰ তদন্তত প্ৰকাশ পোৱাৰ বিপৰীতে আজি দিজুবস্তিৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰা ল'ৰা সন্তানটিকো মাতৃয়ে ৰুহিনা বেগম নামৰ এগৰাকী মহিলাৰ জৰিয়তে ইদ্ৰিছ আলী আৰু নুৰ বেগম নামৰ দম্পত্তিৰ হাতত তুলি দিছিল। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে আৰু তিনি বছৰীয়া ল'ৰা আৰু ১০ বছৰীয়া কন্যা সন্তানক বৰ্তমান ৰাজ্যিক নাৰী গৃহত ৰখাৰ ব্যৱস্থা কৰিছে। ইপিনে, মৃত মহিলাগৰাকী ঢেকিয়াজুলিৰ কৰুণা মূড়া বুলি চিনাক্ত কৰা হৈছে যদিও এতিয়াও মৃতদেহ চমজি ল'বলৈ কোনো আত্মীয় আহি উপস্থিত হোৱা নাই। আৰক্ষীয়ে ঢেকিয়াজুলিৰ আৰক্ষীৰ লগত যোগাযোগ অব্যাহত ৰাখিছে যদিও এই পৰ্যন্ত কোনো সঁহাৰি লাভ কৰা নাই। ফলত অগ্নিদগ্ধ হৈ চিকিৎসাধীন হৈ মৃত্যু হোৱা দুৰ্ভগীয়া মহিলাগৰাকীৰ মৃতদেহ চিকিৎসালয় মৰ্গতে পৰি আছে।

# বেলশৰ ছহিদ স্মৃতি কলেজত শিক্ষকক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৭ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বেলশৰ ছহিদ স্মৃতি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ৬১ সংখ্যক শিক্ষক দিৱস পালন কৰা হয়। কালিৰ শিক্ষক দিৱস উপলক্ষে মহাবিদ্যালয়খনত ন-পুৰণি শিক্ষাৰ্থী আৰু প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী আৰু বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সমন্বয় ঘটে। মিলন ঘটে গুৰু-শিষ্যৰ। অনুষ্ঠানৰ আৰম্ভণিতে শিক্ষাগুৰুসকলক শিক্ষাৰ্থীসকলে আনন্দ, হৰ্যোল্লাসৰ মাজেৰে অনুষ্ঠানৰ প্ৰেক্ষাগৃহলৈ আদৰি আনে। ইয়াৰ পাছতে পণ্ডিত ড° সৰ্বপল্লী ৰাধা কৃষ্ণনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ পাছতেই 'গুৰু পূজিমে তোমাক' শীৰ্ষক কাৰ্যসূচী মুকলি হয়। অনুষ্ঠানৰ অন্যতম নেতৃত্বকাৰী, প্ৰাক্তন ছাত্ৰ তথা অধিবক্তা ৰাতুল পাটোৱাৰীয়ে আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষাগুৰুসকলক একোখনকৈ ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। লগতে দুটা বৃহৎ জাপিৰে মহাবিদ্যালয়ৰ দুই মুৰব্বীক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা জনোৱা হয় শিক্ষানুষ্ঠানখনৰ কৰ্মচাৰীসকলকো। উক্ত অনুষ্ঠানতেই কে'বাগৰাকী শিক্ষাগুৰুৰ লগতে প্ৰাক্তন শিক্ষাৰ্থীয়ে নিজৰ চমু অনুভৱ ব্যক্ত কৰি নষ্টালজিক হৈ পৰে।

# দৰঙত আনন্দৰাম বৰুৱা বঁটা প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ বনমন্ত্ৰী পাটোৱাৰীৰ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৭ ছেপ্টেম্বৰ ঃ** দৰঙৰ মঙলদৈস্থিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত আনন্দৰাম বৰুৱা বঁটা প্ৰদান কাৰ্যসূচীত আজি পৰিৱেশ-বন মন্ত্ৰী তথা অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশগ্ৰহণ কৰে। গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰ প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২২ত ৭৫ শতাংশ বা তাতোধিক নম্বৰ পোৱা ২২,৬০১ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বেংক একাউণ্টত আনন্দৰাম বৰুৱা বঁটা আঁচনিৰ অধীনত কেন্দ্ৰীয়ভাৱে ১৬ হাজাৰ টকাকৈ প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই পদক্ষেপৰ অংশ হিচাপে আজি দৰং জিলাৰ মুঠ ৮৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই ধনৰাশি লাভ কৰে। ৮৩৫ জনৰ ভিতৰত ২৭৪ গৰাকীয়ে ডিষ্টিংছন লাভ কৰাৰ বিপৰীতে ৫৬১ গৰাকীয়ে ষ্টাৰ মাৰ্ক লাভ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰী পাটোৱাৰীয়ে কয় যে আনন্দৰাম বৰুৱা বঁটা হৈছে ৰাজ্য চৰকাৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফলাফল লাভ কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টা আৰু নিষ্ঠাক স্বীকৃতি দি ভৱিষ্যত শৈক্ষিক জীৱনত বৃহত্তৰ সফলতা লাভ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ। তেওঁ লগতে আনন্দৰাম বৰুৱাৰ নামত প্ৰতিষ্ঠা কৰা এই বঁটাটোৱে বহু তাৎপৰ্য বহন কৰে বুলি মন্তব্য কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক ভাৰতৰ পঞ্চম আৰু অসমৰ প্ৰথম আইচিএছ বিষয়া হিচাপে পৰিগণিত হোৱা বিদ্বান পণ্ডিত আনন্দৰাম বৰুৱাৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে অধ্যয়ন কৰিবলৈ আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নিৰ্বাচিত ক্ষেত্ৰত উৎকৃষ্টতা অৰ্জনৰ বাবে আহোপুৰুষাৰ্থ কৰিবলৈ আহ্বান জনাই মন্ত্ৰী পাটোৱাৰীয়ে আজিৰ প্ৰতিযোগিতামূলক পৰিৱেশত নৈতিক মূল্যবোধ বজাই ৰখাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। সফল ব্যক্তি হোৱাৰ উপৰি এজন ভাল মানুহ হোৱাৰ বাবেও চেষ্টা কৰিব লাগিব বুলিও কয়। কাৰ্যসূচীত গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কেন্দ্ৰীয় আনন্দৰাম বৰুৱা বঁটা প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰদান কৰা বক্তৃতা প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হয়। কাৰ্যসূচীত ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মঙলদৈৰ বিধায়ক বসন্ত দাস, দলগাঁৱৰ বিধায়ক মজিবুৰ ৰহমান, এএফডিচিৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# মহানগৰীত নিশা কৰ্তব্যৰত

*তিনি পৃষ্ঠাৰ পৰা* কালি নিশা তেওঁ কৰ্তব্যৰত অৱস্থাত আছিল আৰু সেই সময়ত নিশা প্ৰায় ১২.৪৫ বজাত কমাৰ্চ পইণ্টৰ সমীপত সংঘটিত হোৱা এক অগ্নিকাণ্ডৰ ঘটনাৰ বাতৰি সংগ্ৰহ কৰিবলৈ আহিছিল। আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী সেই সময়ত উপস্থিত আছিল আৰু তেওঁ জুই লগা প্ৰতিষ্ঠানৰ দিশে আগবাঢ়ি যোৱাৰ সময়তে চাৰিজনীয়া যুৱকৰ এটা দলে 'তই কোন বুলি' প্ৰশ্ন কৰি মাৰধৰ কৰে। উল্লেখ্য যে কাষতে থকা আৰক্ষী আগবাঢ়ি আহি সাংবাদিক ঠাকুৰীয়াক উদ্ধাৰ কৰে যদিও যুৱকৰ দলবদ্ধ আক্ৰমণত তেওঁ কিছু আহত হয়। সম্প্ৰতি এই ঘটনাক তীব্ৰ গৰিহণা প্ৰদান কৰিছে গুৱাহাটী আৰু দিছপুৰ প্ৰেছ ক্লাবে। অৱশ্যে এই আক্ৰমণত জড়িত দুজনক নিশাই আৰক্ষীয়ে আটক কৰে যদিও আৰক্ষীৰ ভূমিকা সন্তোষজনক নহয় বুলি গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি মনোজ কুমাৰ নাথ আৰু সম্পাদক সঞ্জয় ৰায়ে এক প্ৰেছ বাৰ্তাৰ জৰিয়তে উল্লেখ কৰি শীঘ্ৰে দোষীক কৰায়ত্ত কৰিবলৈ দাবী উত্থাপন কৰিছে। সমান্তৰালভাৱে দিছপুৰ প্ৰেছ ক্লাবৰ সভাপতি নৱেন হাজৰিকা আৰু সম্পাদক কুঞ্জ মোহন ৰায়ে এই সমগ্ৰ ঘটনাক গৰিহণা প্ৰদান কৰি আৰক্ষীক নিৰপেক্ষ ভূমিকা পালন কৰি দলবদ্ধ আক্ৰমণকাৰীৰ বিৰুদ্ধে শীঘ্ৰে ব্যৱস্থা ল'বলৈ দাবী উত্থাপন কৰিছে। উল্লেখ্য যে এই ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে অংকুৰ চন্দ্ৰ বড়ো আৰু নৱনীল গোস্বামী নামৰ দুজনক আটক কৰিছে আৰু দুয়োজন ঘটনাৰ লগত জড়িত বুলি ভুক্তভোগী সাংবাদিকজনে চিনাক্ত কৰিছে।

# চুৰিয়া পিন্ধাৰ বাবে কাৰ্যালয়ত

*তিনি পৃষ্ঠাৰ পৰা* আজি তৰাণী কলবাৰী আদৰ্শ প্ৰাথমিক বিদ্যালয়ত নিযুক্তি দিয়া শিক্ষকগৰাকীক বিচাৰি তথা সমগ্ৰ সমস্যাৰ সন্দৰ্ভত অৱগত কৰিবলৈ তৰাণী কলবাৰীৰ ৰাইজে মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া বুলি গগৈক সাক্ষাৎ কৰিবলৈ আহিছিল। স্থানীয় ৰাইজৰ অভিযোগ মতে, তৰাণী কলবাৰীৰ ৰাইজে জিলা প্ৰাথমিক শিক্ষা বিষয়া বুলি গগৈ ভূএগ্ৰাৰ ওচৰলৈ আহোতে চুৰিয়া পৰিধান কৰি অহাৰ বাবেই বিষয়াগৰাকীয়ে ৰাইজক গুৰুত্ব প্ৰদান নকৰি সাক্ষাৎ নিদিলে।

ইয়াৰপাছতেই স্থানীয় ৰাইজে জিলা শিক্ষা বিষয়া আৰু মায়ং শিক্ষা খণ্ডৰ শিক্ষা বিষয়াৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। ইপিনে, তৰাণী কলবাৰীৰ ৰাইজে উত্থাপন কৰা অভিযোগ মতে, মৰিগাঁও জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক বুলি গগৈ ভূএগ্ৰাই অস্বীকাৰ কৰা বুলি বিভাগীয় এক সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে, এই সমগ্ৰ ঘটনাক কেন্দ্ৰ কৰি জিলাখনৰ বিভিন্ন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# গোলাঘাটৰ ৮৭০ গৰাকী মেধাৱী ছাত্ৰ

*তিনি পৃষ্ঠাৰ পৰা* প্ৰদান কৰা হয়। এই উপলক্ষে গোলাঘাটৰ বীৰাংগনা সাধনী কলাক্ষেত্ৰত আয়োজিত বঁটা প্ৰদান অনুষ্ঠানত অসম চৰকাৰৰ বিত্ত, মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। তেওঁ গুণগত শিক্ষা আৰু নৈতিক শিক্ষা সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে সফলতা এদিনতে নাহে তাৰ বাবে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায় লাগিব। শিক্ষাক সমাজৰ ভেটি বুলি উল্লেখ কৰি তেওঁ শিক্ষক আৰু অভিভাৱকক নম্বৰৰ পাছত দৌৰাৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীক সৎ নাগৰিক হিচাপে গঢ়ি তোলাত গুৰুত্ব দিবলৈ আহ্বান জনায়। ইণ্টাৰনেট আৰু বিজ্ঞান-প্ৰযুক্তিৰ বৰ্তমানৰ যুগত ছাত্ৰ-ছাত্ৰীসকলক তেওঁ নিজৰ সামাজিক আৰু নৈতিক দায়িত্বৰ কথা পাহৰি নগৈ কষ্ট আৰু প্ৰয়াসেৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। তেওঁ কয় যে কোনো পৰিস্থিতিতে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পিতৃ-মাতৃ আৰু শিক্ষকসকলক পাহৰি যোৱা উচিত নহয়। প্ৰসংগক্ৰমে তেওঁ জনসাধাৰণক অংগনৱাড়ী কেন্দ্ৰ একোটা 'এডপ্ট' কৰি কেন্দ্ৰসমূহত ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আৰু অন্যান্য দিশ চোৱা-চিতা কৰিবলৈ আহ্বান জনায়। তেওঁ শিক্ষানুষ্ঠানসমূহক মন্দিৰৰ স'তে তুলনা কৰে। অনুষ্ঠানত উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণে ছাত্ৰ-ছাত্ৰীসকলক এটা লক্ষ্য স্থিৰ কৰি এই লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰয়াস চলাবলৈ আহ্বান জনায়। অনুষ্ঠানত বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰাই এলাহ পৰিহাৰ কৰি কঠোৰ অধ্যৱসায়েৰে লক্ষ্যপ্ৰাপ্তিৰ দিশত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত ড° সংগীতা বৰঠাকুৰ, গোলাঘাট পৌৰসভাৰ সভানেত্ৰী দুলুমণি বৰুৱা, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল উপস্থিত থাকে। উল্লেখ্য যে গোলাঘাট জিলাৰ মুঠ ৮৭০ গৰাকী ষ্টাৰ নম্বৰ আৰু তাতোকৈ অধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীলৈ ২০২২ৰ আনন্দৰাম বৰুৱা বঁটাৰ অধীনত তেওঁলোকৰ বেংক একাউণ্টত ১৬ হেজাৰ টকাকৈ আগবঢ়োৱা হৈছে।

# মাজুলী-যোৰহাট সংযোগী নিমাতী ফেৰীসেৱাত

*তিনি পৃষ্ঠাৰ পৰা* একাংশ যাত্ৰীয়ে অধিক বোজাই দিয়াৰ বাবেই এনে সংঘটিত হোৱা বুলি মন্তব্য কৰে। কোনো কোনো যাত্ৰীৰ মতে তেওঁলোকৰ ভৰি পৰ্যন্ত পানীত তিতি গৈছিল। এনে অৱস্থাত ফেৰীখনৰ কৰ্মচাৰী আৰু আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ কৰ্মচাৰীয়ে যাত্ৰীসকলক ফেৰীখনৰ পৰা নামি আহিবলৈ আহ্বান জনায়। পূৰ্বৰ ঘটনা সুঁৱৰি আজিৰ ঘটনাত অধিক ভয়াৰ্ত হৈ পৰা যাত্ৰীসকলৰ ফেৰীখনৰ পৰা নামি আহিবলৈ হুৰা-দুৰা লগায়। অন্য একাংশই প্ৰস্ৰাৱাগাৰৰ পাইপ ফুটি পানী সোমোৱা বুলিও প্ৰকাশ কৰে। অৱশ্যে সকলো যাত্ৰীকে সুৰক্ষিতভাৱে মটৰ চাইকেল, সামগ্ৰীসহ এমবি ইন্দ্ৰ নামৰ বিভাগীয় এখন জাহাজেৰে কমলাবাৰী ফেৰীঘাটলৈ সুকলমে লৈ যায়।

ঘটনা সন্দৰ্ভত 'জলতৰী' ফেৰীখনৰ কৰ্মচাৰী আৰু আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ দায়িত্ববাহী কনিষ্ঠ অভিযন্তাই সদৰী কৰা মতে, ফেৰীখনৰ প্ৰস্ৰাৱাগাৰত কিছু আৱৰ্জনা লাগি আছিল। যাৰ ফলত তাৰ ওপৰতে প্ৰস্ৰাৱ আদি কৰি থকাত কুমুদটো ভৰ্তি হৈ আছিল। একেদৰে বৰষুণৰ বাবে ফেৰীৰ সন্মুখভাগৰ উন্মুক্ত অংশৰ তক্তাৰ ফাঁকেৰে সোমাই ফেৰীৰ তলিত স্বাভাৱিকভাৱেই কিছু পানী আছিল। ফেৰীৰ ভিতৰলৈ পানী সোমোৱা বুলি জানিব পাৰি একাংশ যাত্ৰীয়ে উক্ত অংশ চাবলৈ ভিৰ কৰাত ফেৰীখনৰ তলিত থকা পানী পিছফালৰ উক্ত অংশটোত জমা হৈ পৰে। একাংশ যাত্ৰীৰ মতে, নিজৰ ব্যৰ্থতা ঢাকিবলৈ অভিযন্তাজনে মিছাৰ আশ্ৰয় লৈছে। যাত্ৰীবাহী নাৱত মাল-বস্তু কঢ়িওৱা দূৰৰ কথা কোনো যাত্ৰীকো ওপৰত উঠা নিষিদ্ধ কৰাৰ পাছতো ওপৰত মেটমৰা বোজাই দিয়াৰ অনুমতি কোনে দিলে তাকে লৈ প্ৰশ্ন উত্থাপিত হৈছে। তদুপৰি, পানী সোমোৱাৰ দৃশ্যটো ম'বাইলত ফটো ল'বলৈ পাৰঘাটত থকা আৰক্ষীয়ে বাধা প্ৰদান কৰে। বহন ক্ষমতাতকৈ অধিক যাত্ৰীৰ লগতে বয়-বস্তু, মটৰ চাইকেল, গাড়ী আদি উঠোৱাৰ অনুমতি দিয়াক লৈও প্ৰশ্ন উত্থাপিত হৈছে। স্মৰণযোগ্য যে এতিয়ালৈকে যিমানবিলাক ঘটনা সংঘটিত হৈছে নিমাতীঘাটতে ঘটিছে। গতিকে লেছী আৰু বিভাগীয় কৰ্মচাৰী, আৰক্ষীৰ গোপন বুজাবুজিৰ বাবেই এনে ঘটনাৰ পুনৰাবৃত্তি ঘটিছে বুলি সদায় পাৰাপাৰ হোৱা যাত্ৰীয়ে অভিযোগ কৰিছে। যাত্ৰীসকলৰ ভাগ্য ভাল এখন গাড়ী উঠাবলৈ থকাৰ কাৰণে বাচি গ'ল। নহ'লে ঘটনাটো নৈৰ মাজতে সংঘটিত হ'লহেঁতেন। মাজুলীৰ যাত্ৰীক পণবন্দী কৰি নিমাতীঘাটত চলি থকা ঘটনাৰ আঁৰত কোন সেয়া উপযুক্ত তদন্ত কৰি নিৰাপত্তা দিবলৈ ৰাইজে দাবী জনায়।

# অৱশেষত সোণোৱাল স্বায়ত্তশাসিত

*তিনি পৃষ্ঠাৰ পৰা* পূৰ্বৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰীক বিজেপি দল নেতৃত্বাধীন পৰিষদখনৰ নিজৰেই সদস্যসকলৰ বিৰুদ্ধে যোৱা ১০ আগষ্টত আস্থা ভোটত পৰাজয়বৰণ কৰে। পৰিষদৰ ২৬ গৰাকী সদস্যৰ ভিতৰত ২৪ গৰাকী সদস্যই অনাস্থা প্ৰকাশ কৰে দিপুৰঞ্জন মাক্ৰাৰীৰ বিৰুদ্ধে। ফলস্বৰূপে মাক্ৰাৰীৰ অপসাৰণ নিশ্চিত হোৱাৰ পাছত নতুন মুখ্য কাৰ্যবাহী সদস্যৰূপে আজি শপত গ্ৰহণ কৰে টংকেশ্বৰ সোণোৱালে। এই উপলক্ষে আজি পৰিষদৰ ডিব্ৰুগড়স্থিত মুখ্য কাৰ্যালয়ৰ চৌহদত আয়োজিত শপত গ্ৰহণ অনুষ্ঠানত ভাষণ দি মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে এক শান্তিৰ পৰিৱেশ সৃষ্টিৰ জৰিয়তে আৰু জনগোষ্ঠীটোৰ সংগঠনসমূহৰ সহযোগত একত্ৰিত মনোভাৱেৰে কাম কৰি যাব বুলি উল্লেখ কৰাৰ লগতে এইক্ষেত্ৰত জাতীয় বুদ্ধিজীৱী আৰু বিশিষ্ট ব্যক্তিসকলক সহযোগিতাৰ বাবে তেওঁ আহ্বান জনায়। সোণোৱাল জনগোষ্ঠীটোৰ কৃষ্টি-সংস্কৃতি প্ৰচাৰ প্ৰসাৰৰ জৰিয়তে জাকত-জিলিকা কৰি তুলিবৰ বাবে অনাগত দিনত কাম কৰিব যাব বুলিও তেওঁ ভাষণত উল্লেখ কৰে। সভাত ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় জিলা বিজেপিৰ সভাপতি জগদীশ ৰাজকোঁৱৰ, ধেমাজি জিলা বিজেপিৰ সভাপতি প্ৰেম দত্তৱে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায় টংকেশ্বৰ সোণোৱালৰ নেতৃত্বত জাতিটোৱে বিশেষ গতি লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। পৰিষদৰ প্ৰেছ উপদেষ্টা পেইমথি গোহাঁয়ে আঁতধৰা অনুষ্ঠানত পৰিষদৰ অধ্যক্ষ মদন চন্দ্ৰ হাজৰিকা, প্ৰধান সচিব ৰিনা মেছ, সোণোৱাল সমাজৰ পুৰোধা ব্যক্তি প্ৰমোদ সোণোৱাল, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাকে ধৰি জাতীয় সংগঠনসমূহ ক্ৰমে সোণোৱাল কছাৰী ছাত্ৰ সন্থা, নাৰী সন্থা, সোণোৱাল কছাৰী সাহিত্য সভা, সোণোৱাল কছাৰী জাতীয় পৰিষদৰ বিষয়ববীয়াসকল, পৰিষদৰ কাৰ্যবাহী আৰু সাধাৰণ সদস্যসকল আৰু সোণোৱাল সমাজৰ শতাধিক ব্যক্তি উপস্থিত থাকে। আৰম্ভণিতে জনগোষ্ঠীটোৰ আৰাধ্য দেৱতা খ্ৰীংখ্ৰীং বাইথ'ৰ প্ৰতীকৰ সন্মুখত চাৰিমুখীয়া বন্তি প্ৰজ্বলন কৰে টংকেশ্বৰ সোণোৱাল, বিধায়ক প্ৰশান্ত ফুকন, প্ৰেম দত্ত আৰু জগদীশ ৰাজকোঁৱৰে। লক্ষ্যণীয়ভাৱে শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থকাৰ পৰা বিৰত থাকে সদ্য অপসাৰিত মুখ্য কাৰ্যবাহী সদস্য দীপুৰঞ্জন মাক্ৰাৰী। আনহাতে, পুৱাৰ ভাগত পৰিষদৰ প্ৰধান সচিব ৰিনা মেছৰ উপস্থিতিত অধ্যক্ষ মদন চন্দ্ৰ হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত পৰিষদৰ এক সাধাৰণ সভাই টংকেশ্বৰ সোণোৱালক মুখ্য কাৰ্যবাহী সদস্য হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰিছিল।

# নগাঁৱত আনন্দৰাম বৰুৱা বঁটা প্ৰদান

*তিনি পৃষ্ঠাৰ পৰা* লাগিব। সমাজৰ আন আন দিশত প্ৰতিষ্ঠিত হৈ সু নাগৰিক হ'ব লাগিব। তাৰ সমান্তৰালভাৱে আন বহু দিশতো নিজক প্ৰতিষ্ঠা কৰা কামত ব্ৰতী হ'ব লাগিব।' তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নত সৰ্বাধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। সভাত প্ৰাক্তন কেন্দ্ৰীয় ৰেল ৰাজ্যমন্ত্ৰী ৰাজেন গোহাঁই, বিধায়কদ্বয় ৰূপক শৰ্মা, জিতু গোস্বামী , নগাঁও জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, নগাঁও জিলা বিজেপিৰ সভাপতি অভিজিত নাথকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাতেই জিলাখনৰ ১,৩১৯ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হয়। ইপিনে, সাংবাদিকৰ আগত মন্ত্ৰীজনে কয়, 'আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰা এক লাখ যুৱক-যুৱতী বা নিবনুৱাক নিযুক্তি দিয়াৰ দিশত আমি ধাবমান হৈছো। অহা তিনি মাহৰ ভিতৰত ৪০ হেজাৰ নিবনুৱাই নিযুক্তি লাভ কৰিব। ইতিমধ্যে কে'বা হেজাৰ নিবনুৱাই নিযুক্তি লাভ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যি কথা কয় সেইটো কৰেই। মুখ্যমন্ত্ৰীয়ে এক লাখক নিযুক্তি দিয়াৰ কথা কৈছিল। সেই দিশত আমি আগবাঢ়িছো।' তেওঁ লগতে কয়, 'বিগত ১০ বছৰত ২,০১,২৭৪ জনক শিক্ষকৰ চাকৰি দিয়া হৈছে। এই সকলোখিনি সেই সময়ৰ শিক্ষা মন্ত্ৰী বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বাবে সম্ভৱ হৈছে। ৰাজ্যখনক সকলো দিশতে আগুৱাই নিয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে কাম কৰি আছে। ৰাজ্যখনৰ বাবে আৰু বহু কাম কৰিবলৈ আছে। আমি কাম কৰাৰ দিশে আগবাঢ়িছো।' নগাঁৱত হৈ যোৱা প্ৰলয়ংকৰী বানপানী হোৱাৰ বিষয়ে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীজনে কয়, 'এইবাৰ বেছিকৈ বৰষুণ হোৱাৰ বাবে মে'-জুনত ভয়াৱহ বানপানী নগাঁও জিলাত হয়। জিলাখনৰ বানপানী সমস্যা সমাধানৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। বানপানী প্ৰতিৰোধৰ বাবে ডিচেম্বৰৰ পৰা কাম আৰম্ভ কৰা হ'ব বুলি মন্ত্ৰীজনে জানিবলৈ দিয়ে।

## গুজৰাট বিধানসভাৰ নিৰ্বাচনৰ বাবে তৃতীয় প্ৰাৰ্থী তালিকা আপৰ



**নিউজ ব্যুৰ', আহমেদাবাদ, ৭ ছেপ্টেম্বৰ ঃ** আম আদমী পাৰ্টি (আপ) -এ চলিত বৰ্ষৰ অন্তিম ভাগত অনুষ্ঠিত হ'ব লগা গুজৰাট বিধানসভা নিৰ্বাচনৰ বাবে আজি দলৰ তৃতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিলে। এই তালিকাত আপে দলৰ টিকটপ্ৰাপ্ত ১০ জন প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰিছে। আপে পূৰ্বে দুখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰি ১৯ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছিল। ১৮২ সমষ্টি বিশিষ্ট গুজৰাট বিধানসভাৰ নিৰ্বাচনৰ বাবে অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন দলটোৱে ৰাজ্যখনত সক্ৰিয়তা প্ৰদৰ্শন কৰিছে। তিনিটা পৰ্যায়ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশৰে আপে ২৯ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে।

## ট্ৰাম্পৰ বাসগৃহত আন দেশৰ পাৰমাণৱিক অস্ত্ৰৰ নথি উদ্ধাৰ, এফবিআইৰ তথ্য



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৭ ছেপ্টেম্বৰ ঃ** আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ বাসগৃহত তালাচী চলাই বিস্ফোৰক তথ্য উদ্ধাৰ কৰিলে মাৰ্কিন অনুসন্ধান প্ৰতিষ্ঠান এফবিআয়ে। সম্প্ৰতি এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, এফবিআইৰ তালাচীত ট্ৰাম্পৰ পাম বীচ্চত থকা বাসগৃহৰ পৰা বিভিন্ন দেশৰ পাৰমাণৱিক শক্তিৰ বিৱৰণৰ নথিপত্ৰ উদ্ধাৰ কৰা হৈছিল। এইসমূহ নথিপত্ৰ অত্যন্ত গোপনীয় আৰু এনে নথি ৰাষ্ট্ৰপতিৰ লগতে কেবিনেটৰ সদস্যৰ বাহিৰে আনে কোনো ব্যক্তিয়ে লগত ৰাখিব নোৱাৰে। আন দেশৰ পাৰমাণৱিক শক্তিৰ নথিপত্ৰ কেনেকৈ এজন প্ৰাক্তন ৰাষ্ট্ৰপতিয়ে নিজৰ ঘৰত ৰাখিছে বুলি প্ৰশ্ন উত্থাপিত হৈছে। উল্লেখ্য যে ফ্ল'ৰিডাৰ পাম বীচ্চত থকা ট্ৰাম্পৰ বাসভৱনটো একাংশ ব্যক্তিয়ে ক্লাব হিচাপেও ব্যৱহাৰ কৰি আহিছে। এনে এক ৰাজহুৱা স্থানত বিশ্বৰ বিভিন্ন দেশৰ প্ৰতিৰক্ষা বিষয়ক অতি গুৰুত্বপূৰ্ণ তথ্যপাতি কেনেকৈ ট্ৰাম্পে ৰাখিছে বুলি নানা মহলে প্ৰশ্ন কৰিছে।



## ট্ৰাছ কেবিনেটত নজিৰ স্থাপনৰে দুটা প্ৰধান পদত কৃষ্ণাংগ মন্ত্ৰী

**নিউজ ব্যুৰ', লণ্ডন, ৭ ছেপ্টেম্বৰ ঃ** তৃতীয়গৰাকী মহিলা হিচাপে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী নিযুক্ত হোৱাৰ পাছতে নজিৰবিহীন কেবিনেট গঠন কৰিলে লিজ ট্ৰাছে। ব্ৰিটেইনৰ ইতিহাসত প্ৰথমবাৰ বিত্তমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰীৰ দায়িত্ব লাভ কৰিলে দুজন কৃষ্ণাংগ নেতাই। ক'য়াচি ক'য়াৰটেঙে ব্ৰিটেইনৰ নতুন বিত্তমন্ত্ৰীৰ দায়িত্ব লাভ কৰিলে। আনহাতে, প্ৰথম কৃষ্ণাংগ হিচাপে বৈদেশিক মন্ত্ৰীৰ দায়িত্ব লাভ কৰিলে জেমছ ক্লেভাৰলিয়ে। ক'য়াচি ঘানাৰ বংশোদ্ভূত আৰু জেমছৰ মাতৃ ছিয়েৰা লিয়নৰ বাসিন্দা আছিল। লিজ মন্ত্ৰীসভাত স্থান লাভ নকৰিলে ঋষি ছুনকে।

## ব্ৰিটেইনৰ লিজ মন্ত্ৰীসভাত গৃহমন্ত্ৰীৰ দায়িত্ব ভাৰতীয়মূলৰ ছুৱেল্লাক অৰ্পণ



**নিউজ ব্যুৰ', লণ্ডন, ৭ ছেপ্টেম্বৰ ঃ** ইংলণ্ডৰ নৱ নিযুক্ত প্ৰধানমন্ত্ৰী লিজ ট্ৰাছে তেওঁৰ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিলে ভাৰতীয় বংশোদ্ভূত ছুৱেল্লা ব্ৰেভাৰময়ানক। ব্ৰিটেইনৰ গৃহমন্ত্ৰীৰ দায়িত্ব লাভ কৰিলে ছুৱেল্লাই। ৪২ বছৰীয়া ছুৱেল্লাই পূৰ্বৰ বৰিছ জনছনৰ চৰকাৰৰ এটৰ্নী জেনেৰেল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰকাশিত বাতৰি অনুসৰি, প্ৰধানমন্ত্ৰী লিজে নিজে ছুৱেল্লাৰ নাম এই পদৰ বাবে মনোনীত কৰিছিল। ছুৱেল্লাৰ মাতৃ উমা এগৰাকী তামিল হিন্দু আৰু পিতৃ ক্ৰিষ্টি ফাৰ্ণাণ্ডেজ গোৱাৰ বাসিন্দা আছিল। যোৱা শতিকাৰ ৬০ৰ দশকৰ পৰা ছুৱেল্লাৰ পিতৃ-মাতৃয়ে ব্ৰিটেইনত বসবাস কৰি আহিছে আৰু ছুৱেল্লাৰ জন্মও ব্ৰিটেইনতে হৈছিল।

## পুনৰ এনডিএত যোগদান কৰিব পাৰে চিৰাগে



**নিউজ ব্যুৰ', পাটনা, ৭ ছেপ্টেম্বৰ ঃ** অচিৰে এনডিএত পুনৰ যোগদান কৰিব পাৰে চিৰাগ পাছৱানে। প্ৰকাশিত বাতৰি অনুসৰি, এনডিএ চৰকাৰে চিৰাগক কেন্দ্ৰীয় মন্ত্ৰীসভাত স্থান প্ৰদান কৰাৰো সম্ভাৱনা আছে। লোক জনশক্তি পাৰ্টি (ৰামবিলাস)ৰ বিহাৰৰ মুখপাত্ৰ অধ্যাপক বিনিত সিঙে আজি চিৰাগে এনডিএলৈ প্ৰত্যাৱৰ্তন কৰাৰ ইংগিত দিলে। মুখপাত্ৰজনে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, অচিৰে চিৰাগে এনডিএত পুনৰ যোগদান কৰাৰ সম্ভাৱনা আছে। এই সন্দৰ্ভত সম্প্ৰতি আলোচনা অব্যাহত থকা বুলিও সিঙে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

## এই যুদ্ধৰ জৰিয়তে আমি আমাৰ দেশৰ সাৰ্বভৌমত্বক শক্তিশালী কৰিবলৈ সক্ষম হ'লো

# ইউক্ৰেইন যুদ্ধত ৰাছিয়াৰ লাভহে হ'ল ঃ দাবী ৰাষ্ট্ৰপতি পুটিনৰ



**নিউজ ব্যুৰ' মস্কো, ৭ ছেপ্টেম্বৰ ঃ** ২০২২ৰ ২৪ ফেব্ৰুৱাৰীত ৰুছ সেনাই ইউক্ৰেইনত আক্ৰমণ আৰম্ভ কৰিছিল। ইউক্ৰেইন দখল কৰাৰ লক্ষ্যৰে ভ্লাডিমীৰ পুটিনৰ নিৰ্দেশত ৰুছ সেনাই এই সামৰিক অভিযানৰ সূচনা কৰিছিল। বিগত সাতমাহৰো অধিক দিনৰ যুদ্ধত উভয় পক্ষৰে যথেষ্ট ক্ষয়-ক্ষতি হৈছে। ৰুছ সেনাৰ ধাৰাবাহিক আক্ৰমণৰ ফলত যিদৰে ইউক্ৰেইনৰ ঘৰ-দুৱাৰ ধ্বংস হোৱাৰ লগতে হেজাৰ হেজাৰ লোকৰ প্ৰাণহানি হৈছে, একেদৰে ইউক্ৰেইনৰ প্ৰত্যুত্তৰত ৰাছিয়াও ক্ষতিগ্ৰস্ত হৈছে। বিশেষকৈ পশ্চিম বিশ্বই এই যুদ্ধৰ পৰিপ্ৰেক্ষিতত ৰাছিয়াৰ বিৰুদ্ধে অৰ্থনৈতিকসহ একাধিক নিষেধাজ্ঞা আৰোপ কৰাৰ ফলত সমস্যাগ্ৰস্ত হৈছে পুটিনৰ দেশখন। কিন্তু এনে পৰিস্থিতিতে পুটিনে দাবী কৰি ক'লে যে ইউক্ৰেইন আক্ৰমণ কৰি ক্ষতিগ্ৰস্ত হোৱা নাই ৰাছিয়া, বৰঞ্চ লাভৱানহে হৈছে মস্কো। আজি ৰুছ ৰাষ্ট্ৰপতিয়ে ভ্লাডিভষ্টকত ইষ্টাৰ্ণ ইকন'মিক ফৰামৰ বৈঠকত ভাষণ দি কয়, 'আমাৰ একো ক্ষতি হোৱা নাই আৰু ক্ষতি নহয়। আগুৱাই যোৱাৰ ক্ষেত্ৰত অপ্ৰয়োজনীয়, ক্ষতিকাৰক তথা যিকোনো বাধাক আমি সদায় প্ৰত্যাখ্যান কৰি আহিছো। ইউক্ৰেইন যুদ্ধৰ ফলত ৰাছিয়াৰ কোনো ক্ষতি হোৱা নাই। বৰঞ্চ আমি যথেষ্ট লাভৱানহে হ'লো। এটা গুৰুত্বপূৰ্ণ সফলতা হৈছে এই যুদ্ধৰ জৰিয়তে আমি আমাৰ সাৰ্বভৌমত্বক শক্তিশালী কৰিবলৈ সক্ষম হ'লো।'



## প্ৰধানমন্ত্ৰী লিজক ফোনৰে শুভেচ্ছা জ্ঞাপন বাইডেনৰ

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৭ ছেপ্টেম্বৰ ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ব্ৰিটেইনৰ নৱ নিযুক্ত প্ৰধানমন্ত্ৰী লিজ ট্ৰাছক ফোনযোগে শুভেচ্ছা জ্ঞাপন কৰিলে। হোৱাইট হাউছে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ফোনৰ বাৰ্তালাপত আমেৰিকা আৰু ব্ৰিটেইনৰ ৰাষ্ট্ৰপ্ৰধান দুজনে উভয় ৰাষ্ট্ৰৰ সম্পৰ্ক সুদৃঢ়কৰণৰ সন্দৰ্ভত সদিচ্ছা প্ৰকাশ কৰে। হোৱাইট হাউছে এক বিবৃতিত এইদৰে কয়, 'নেতা দুজনে দুই দেশৰ মাজৰ সম্পৰ্ক অধিক গভীৰ কৰাৰ প্ৰতি ইচ্ছা ব্যক্ত কৰে। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে নৱ নিযুক্ত ব্ৰিটিছ প্ৰধানমন্ত্ৰীক শুভেচ্ছা জনালে। ফোনৰ আলাপত দুই ৰাষ্ট্ৰপ্ৰধানে সাম্প্ৰতিক আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ সন্দৰ্ভতো আলোচনা কৰে।'



## দিল্লীৰ উপ-ৰাজ্যপালৰ পত্ৰ কেজৰিৱাললৈ, দুবছৰৰ এমচিডিৰ ৩৮৩ কোটি টকাৰ বকেয়া আদায়ৰ জাননী

**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ছেপ্টেম্বৰ ঃ** দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাললৈ এখন পত্ৰ প্ৰেৰণ কৰি বিগত দুবছৰ ধৰি এমচিডিৰ বকেয়া ৩৮৩.৭৪ কোটি টকা আদায় দিবলৈ জাননী জাৰি কৰিলে। শিক্ষা আৰু স্বাস্থ্য বিষয়ত এমচিডিৰ উক্ত বকেয়াৰ সন্দৰ্ভত উপ-ৰাজ্যপালে মুখ্যমন্ত্ৰীজনলৈ পত্ৰ লিখিলে। পত্ৰত ছাক্সেনাই উল্লেখ কৰা অনুসৰি, বিধানসভাত পূৰ্বে অনুমোদন হোৱাৰ পাছতো এই ধনৰাশি কোনো কাৰণ অবিহনে আবদ্ধ কৰি ৰখাৰ ফলত দিল্লীৰ প্ৰাথমিক শিক্ষা আৰু স্বাস্থ্যখণ্ডত নেতিবাচক প্ৰভাৱ পৰিছে। উল্লেখ্য যে ছাক্সেনা দিল্লীৰ উপ-ৰাজ্যপাল নিযুক্ত হোৱাৰ পাছৰে পৰা কেজৰিৱাল চৰকাৰৰ স'তে নানা বিষয়ত সংঘাতত লিপ্ত হৈ আহিছে।

## ভাৰতৰে সম্পৰ্কক গুৰুত্বপূৰ্ণ বিবেচনা কৰে নৱ নিযুক্ত ব্ৰিটিছ প্ৰধানমন্ত্ৰী লিজে



**নিউজ ব্যুৰ', লণ্ডন, ৭ ছেপ্টেম্বৰ ঃ** ব্ৰিটেইনৰ তৃতীয়গৰাকী মহিলা প্ৰধানমন্ত্ৰী লিজ ট্ৰাছে তেওঁৰ কাৰ্যকাল আৰম্ভ কৰাৰ পূৰ্বে যেতিয়া দেশখনৰ বৈদেশিক আৰু বাণিজ্য মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল, সেই সময়ত ভাৰতৰ স'তে শক্তিশালী সম্পৰ্ক ৰক্ষাত গুৰুত্ব আৰোপ কৰিছিল। ট্ৰাছ ব্ৰিটেইনৰ সেইসকল জ্যেষ্ঠ ৰাজনীতিকৰ অন্যতম যিসকলে ভাৰত-ব্ৰিটেইনৰ ৰাজনৈতিক আৰু আৰ্থিক সম্পৰ্ক শক্তিশালীকৰণৰ সপক্ষে থিয় দি আহিছে। পূৰ্বৰ বৰিছ জনছনৰ চৰকাৰত ট্ৰাছে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু ইয়াৰ পাছত তেওঁ বৈদেশিক, ৰাষ্ট্ৰসংঘ আৰু বিকাশ বিষয়ক ৰাজ্য সচিবলৈ পদোন্নত কৰা হৈছিল। জনছন চৰকাৰত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত ট্ৰাছে ভাৰতৰ স'তে বাণিজ্য বিষয়ত সম্পৰ্কক সুদৃঢ়কৰণৰ একাধিক পদক্ষেপ গ্ৰহণ কৰিছিল। এনে এজন কনজাৰভেটিভ দলৰ নেত্ৰী ব্ৰিটেইনৰ নতুন প্ৰধানমন্ত্ৰী নিযুক্ত হোৱাত ভাৰত-ব্ৰিটেইনৰ সম্পৰ্ক অধিক গভীৰ হ'ব বুলি কূটনৈতিক বিশেষজ্ঞই আশা প্ৰকাশ কৰিছে।



## ভিয়েটনামৰ নৈশবাৰত ভয়াৱহ অগ্নিকাণ্ডত নিহত কমেও ১২ জন

**নিউজ ব্যুৰ', থুয়ান আন, ৭ ছেপ্টেম্বৰ ঃ** যোৱা নিশা দক্ষিণ ভিয়েটনামৰ এখন কাৰাউকে বাৰত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাত কমেও ১২ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ৪০ জন লোক গুৰুতৰভাৱে আহত হয়। চিকিৎসালয়ৰ সূত্ৰৰ খবৰ অনুসৰি, আহতসকলৰ কে'বাজনৰো অৱস্থা সংকটজনক। মঙলবাৰে নিশা বিন ডুং প্ৰদেশৰ বাণিজ্যিক কেন্দ্ৰ হো চি মিন চিটীৰ উত্তৰ থুয়ান আন চহৰত থকা এখন নৈশবাৰত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। অতি কম সময়ৰ ভিতৰতে পানশালাৰ ভিতৰত অগ্নিকাণ্ডই লেলিহান ৰূপ ধাৰণ কৰিছিল। নৈশক্লাবত থকা লোকসকলে আতংকিত হৈ ইফালে-সিফালে দৌৰাৰ ফলতো কে'বাজনো লোক আহত হয়।

## ক্ষমতাৰ বাবে আছিল বিজেপিৰ ৰথযাত্ৰা, সত্যৰ বাবে কংগ্ৰেছৰ 'ভাৰত জোড়ো' যাত্ৰা ঃ মন্তব্য কানহাইয়াৰ



**নিউজ ব্যুৰ' কন্যাকুমাৰী, ৭ ছেপ্টেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হোৱা কংগ্ৰেছৰ 'ভাৰত জোড়ো' যাত্ৰাৰ সন্দৰ্ভত দলৰ নেতা কানহাইয়া কুমাৰে বিজেপিক তীব্ৰ কটাক্ষ কৰিলে। কানহাইয়াই মন্তব্য কৰি কয় যে ১৯৯০ত বিজেপিয়ে ক্ষমতা লাভৰ বাবে ৰথযাত্ৰা আৰম্ভ কৰিছিল, কিন্তু কংগ্ৰেছে সত্যৰ বাবে 'ভাৰত জোড়ো' যাত্ৰা কাৰ্যসূচী গ্ৰহণ কৰিছে। আজিৰে পৰা কন্যাকুমাৰীৰ পৰা কংগ্ৰেছে 'ভাৰত জোড়ো' যাত্ৰা আৰম্ভ কৰিছে আৰু এই যাত্ৰাই কাশ্মীৰলৈকে ৩৫৭০ কিলোমিটাৰ অঞ্চলক সামৰি ল'ব। কানহাইয়াই দলৰ এই কাৰ্যসূচীৰ সন্দৰ্ভত মন্তব্য কৰি কয়, 'কংগ্ৰেছৰ পদক্ষেপ কেৱল ৰাজনৈতিক নহয়। এই যাত্ৰাই দেশৰ চিন্তাধাৰাক প্ৰতিনিধিত্ব কৰে, যি কথা সংবিধানৰ প্ৰস্তাৱনাত নিহিত আছে। ১৯৯০ত লালকৃষ্ণ আদৱানীৰ নেতৃত্বত বিজেপিয়ে কৰা ৰথযাত্ৰা এক ৰাজনৈতিক যাত্ৰা আছিল আৰু এয়া ক্ষমতাৰ বাবে আছিল। কিন্তু আজিৰ কংগ্ৰেছৰ 'ভাৰত জোড়ো' হৈছে সত্যৰ যাত্ৰা।'

## ২৪ ঘণ্টাত দেশত দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা পাঁচ হেজাৰৰ ঊৰ্ধ্বত, মৃত্যু ১৬ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ছেপ্টেম্বৰ ঃ** দেশজুৰি কৰ'নাৰ দৈনিক আক্ৰান্তৰ সংখ্যা বুধবাৰে পুনৰ পাঁচ হেজাৰৰ অধিক হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ৫৩৬৮ জন লোক। মঙলবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৪৪১৭ জন। বিগত এদিনত কেৰালাত ১১৫৪, মহাৰাষ্ট্ৰত ৮৬৯, কৰ্ণাটকত ৫৯২, তামিলনাডুত ৪৪৯ আৰু ওড়িছাত ২৩১ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, কৰ'নাৰ সংক্ৰমণত দেশত বিগত এদিনত ১৬ জন লোকৰ মৃত্যু হ'ল।

## সুৰা বিক্ৰীৰে ৰাজহ বৃদ্ধি দিল্লীৰ কেজৰিৱাল চৰকাৰৰ, এসপ্তাহতে ২৫৯ কোটি টকা আবকাৰী ৰাজহ সংগ্ৰহ কৰিলে

**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ছেপ্টেম্বৰ ঃ** দিল্লীৰ অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টি (আপ)ৰ চৰকাৰে ছেপ্টেম্বৰৰ প্ৰথমটো সপ্তাহত সুৰাৰ খুচুৰা ব্যৱসায়ৰ জৰিয়তে ২৬৯ কোটি টকাৰো অধিক আবকাৰী ৰাজহ সংগ্ৰহ কৰিলে। আবকাৰী বিভাগে এই তথ্য প্ৰকাশ কৰি জনোৱা অনুসৰি, বৰ্তমানে দিল্লীত ৱাইন আৰু বীয়েৰৰ ২৮০ খন পানশালা আছে। ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহত দেশৰ ৰাজধানী চহৰখনত প্ৰতিদিনে সুৰাৰ বিপণীত গড়ে মুঠ আঠ লাখ সুৰাৰ বটল বিক্ৰী হৈছিল। আগন্তুক দিনত দিল্লীত সুৰাৰ বিক্ৰী অধিক বৃদ্ধিৰ সম্ভাৱনা আছে। ৰাজহত সুৰাৰ জৰিয়তে অধিক আয় বৃদ্ধিৰ সম্ভাৱনাৰ কাৰণটো হৈছে আগন্তুক দিনত দিল্লীত সুৰাৰ বিপণীৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে আৰু এইসমূহ বিপণীত সুৰাৰ ১০০০ ব্ৰেণ্ড উপলব্ধ হ'ব। পহিলা ছেপ্টেম্বৰৰ পৰা দিল্লী চৰকাৰে ৰাজধানীত পুৰণি আবকাৰী নীতি পুনৰ বলৱৎ কৰিছিল। ২৮ ফেব্ৰুৱাৰী ২০২৩ লৈকে দিল্লীত প্ৰায় ৯২৬ হোটেল, ক্লাব আৰু ৰেস্তোৰাঁৰ সুৰাৰ অনুজ্ঞাপত্ৰ নতুনকৈ নবীকৰণ কৰোৱা হৈছে। বৰ্তমানে দিল্লীত অনুজ্ঞাপত্ৰ ৩৮৭ খন সুৰাৰ বিপণী আছে। চলিত বৰ্ষৰ অন্তিমভাগলৈকে দিল্লীত সুৰাৰ বিপণীৰ সংখ্যা ৭০০ লৈ বৃদ্ধিৰ সম্ভাৱনা আছে।



## বিৰোধীক একত্ৰিত কৰিবলৈ এইবাৰ চিপিআই (এম এল)ৰ নেতাক সাক্ষাৎ নীতিশৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ছেপ্টেম্বৰ ঃ** বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি (ইউ)ক নেতা নীতিশ কুমাৰে আজি দিল্লীত চিপিআই (এম এল)ৰ সাধাৰণ সম্পাদক দীপাংকৰ ভট্টাচাৰ্যক সাক্ষাৎ কৰে। বিজেপিৰ সংগ ত্যাগ কৰাৰ পাছত জে ডি (ইউ)ৰ নেতাজনে ২০২৪ৰ লোকসভাৰ নিৰ্বাচনৰ বাবে দেশৰ বিৰোধী ৰাজনৈতিক দলক একত্ৰিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। তিনিদিনীয়া ভ্ৰমণসূচীৰে ৰাজধানী দিল্লীত বাহৰ পতা বিহাৰৰ মুখ্যমন্ত্ৰীয়ে মঙলবাৰে চিপিআই (এম)ৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰী আৰু চিপিআইৰ সাধাৰণ সম্পাদক



ডি ৰাজাক সাক্ষাৎ কৰিছিল। বিহাৰ বিধানসভাত বামপন্থী দলৰ ১৬ জন বিধায়কে সম্প্ৰতি বাহিৰৰ পৰা নীতিশ চৰকাৰলৈ সমৰ্থন দিছে।

## য়েমেনত আল কায়দাৰ আক্ৰমণত নিহত কমেও ২৭ জন



**নিউজ ব্যুৰ', আবিয়ান, ৭ ছেপ্টেম্বৰ ঃ** সন্ত্ৰাসবাদী সংগঠন আল কায়দাই য়েমেনত পুনৰ ভয়াৱহ আক্ৰমণ সংঘটিত কৰিলে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, য়েমেনৰ বিচ্ছিন্নতাবাদী যোদ্ধাৰ ওপৰত আক্ৰমণ চলালে আল কায়দাৰ সদস্যই। এই আক্ৰমণত ২৭ জন লোকৰ মৃত্যু হ'ল। নিহতৰ মাজত ২১ জন বিচ্ছিন্নতাবাদী যোদ্ধা আৰু বাকী ছজন আল কায়দাৰ য়েমেন শাখাৰ সদস্য। য়েমেনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে এই আক্ৰমণৰ কথা প্ৰকাশ কৰি জনোৱা মতে, য়েমেনৰ দক্ষিণ অঞ্চলৰ আবিয়ান প্ৰদেশত সংযুক্ত আৰব আমিৰাত প্ৰশিক্ষিত ছিকিউৰিটী বেল্ট নামৰ এটা গ্ৰুপৰ ওপৰত আক্ৰমণ চলোৱা হৈছিল।

## ভাৰতত অনুষ্ঠান পৰিৱেশন নকৰে পপ তাৰকা জাষ্টিন বীবৰে



**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ৭ ছেপ্টেম্বৰ ঃ** হলিউডৰ জনপ্ৰিয় পপ তাৰকা জাষ্টিন বীবৰে বিগত কে'বামাহ ধৰি অসুস্থতাত ভুগি আহিছে। মুখমণ্ডলৰ পক্ষাঘাতৰ ৰোগত আক্ৰান্ত হোৱা পপ তাৰকাজনে স্বাস্থ্যজনিত কাৰণত তেওঁৰ বিশ্বজুৰি সংগীত পৰিৱেশনৰ কাৰ্যসূচী বাতিল কৰিবলৈ বাধ্য হ'ল। সামাজিক মাধ্যমৰ জৰিয়তে এই কথা প্ৰকাশ কৰি বীবৰে তেওঁৰ অনুৰাগীসকলৰ আশীৰ্বাদ আৰু সহযোগিতাৰ বাবে ধন্যবাদ জনাই কয়, 'চলিত বৰ্ষৰ আৰম্ভণিতে মই ৰামচে হণ্ট ছিণ্ড্ৰ'মৰ বিষয়ে আপোনালোকক অৱগত কৰিছিলো। এই ৰোগৰ ফলত মোৰ মুখমণ্ডলৰ অৰ্ধেকাংশ পক্ষাঘাত হ'ল। সেয়েহে মই উত্তৰ আমেৰিকাত সংগীত অনুষ্ঠান পৰিৱেশন কৰিব নোৱাৰিলো। কিছুদিন জিৰণি লোৱাৰ পাছত মই চিকিৎসক, পৰিয়াল আৰু দলৰ সদস্যৰ স'তে আলোচনা কৰি পুনৰ সংগীত পৰিৱেশনৰ বাবে ইউৰোপলৈ গৈছিলো। মই তাত ছটা সংগীত অনুষ্ঠান পৰিৱেশন কৰিছিলো আৰু ইয়াৰ ফলত মোৰ স্বাস্থ্য পুনৰ যথেষ্ট প্ৰভাৱিত হ'ল। যোৱা সপ্তাহত মই ব্ৰাজিলত অনুৰাগীক আনন্দ প্ৰদান কৰিবলৈ যথেষ্ট চেষ্টা চলাইছিলো। কিন্তু মঞ্চৰ পৰা বাহিৰলৈ অহাৰ পাছত মই যথেষ্ট ভাগৰুৱা অনুভৱ কৰিছিলো। সেয়েহে মই সকলো কাৰ্যসূচী বাতিল কৰাৰ সিদ্ধান্ত ল'লো। মোক এতিয়া জিৰণিৰ প্ৰয়োজন। আপোনালোকৰ আশীৰ্বাদ আৰু সহযোগিতাৰ বাবে ধন্যবাদ।' উল্লেখ্য যে বীবৰে অহা ১৮ অক্টোবৰত দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত সংগীত অনুষ্ঠান পৰিৱেশন কৰাৰ কথা আছিল। কিন্তু স্বাস্থ্যজনিত কাৰণত এই অনুষ্ঠান পপ তাৰকাজনে বাতিল কৰিলে।

## বক্স অফিচত অভিলেখ গঢ়িবলৈ সাজু 'ব্ৰহ্মাস্ত্ৰ', মুক্তিৰ পূৰ্বেই ১.৫ লাখ টিকট বিক্ৰী

**নিউজ ব্যুৰ', মুম্বাই, ৭ ছেপ্টেম্বৰ ঃ** ৰণবীৰ কপুৰ আৰু আলিয়া ভাট অভিনীত চলচ্চিত্ৰ 'ব্ৰহ্মাস্ত্ৰ'ই অহা ন ছেপ্টেম্বৰত চিত্ৰগৃহত মুক্তি লাভ কৰিব। সামাজিক মাধ্যমত একাংশ লোকে 'ব্ৰহ্মাস্ত্ৰ'ক বৰ্জন কৰিবলৈ আহ্বান জনাই এক অভিযান অব্যাহত ৰাখিছে যদিও অগ্ৰিম টিকট বিক্ৰীৰ ক্ষেত্ৰত এইখন ছবিয়ে বলিউডত ভাল ব্যৱসায়ৰ আশাৰ সঞ্চাৰ কৰিছে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষকে দাবী কৰা অনুসৰি, দেশৰ মাল্টিপ্লেক্সসমূহত 'ব্ৰহ্মাস্ত্ৰ'ৰ প্ৰথম দৰ্শনীৰ টিকট বুকিঙৰ ক্ষেত্ৰত ইতিমধ্যে এক অভিলেখ ৰচিত হ'ল। ছবিখন দৰ্শনৰ বাবে মঙলবাৰে নিশালৈকে ১.৫০ লাখ টিকট অনলাইনত অগ্ৰিম বিক্ৰী হ'ল। আয়ান মুখাৰ্জী নিৰ্দেশিত 'ব্ৰহ্মাস্ত্ৰ'ই মুক্তিৰ পূৰ্বেই ৪.৫০ কোটি টকা উপাৰ্জন কৰিলে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষকৰ মতে, 'ব্ৰহ্মাস্ত্ৰ'ই অহা ন ছেপ্টেম্বৰত দেশৰ চিত্ৰগৃহত ২৫-২৭ কোটি টকাৰে ব্যৱসায় আৰম্ভ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে চলিত বৰ্ষত বলিউডত এখনৰ পাছত আনখন ছবি বক্স অফিচত ব্যৰ্থ হোৱাৰ পাছত উদ্যোগটোৰ বাবে ভৰসাৰ থল হৈছে ৰণবীৰ-আলিয়া অভিনীত এইখন ছবি।



## এইবাৰো ফট্‌কা অবিহনে দিল্লীত পালিত হ'ব দীপাৱলী



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ ছেপ্টেম্বৰ ঃ** উৎসৱৰ বতৰ আৰম্ভ হোৱাৰ পূৰ্বে দিল্লী চৰকাৰে ফট্‌কাবাজীৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে। এইবাৰো দিল্লীবাসীয়ে ফট্‌কা অবিহনে দীপাৱলী পালন কৰিব লাগিব। আজি দিল্লীৰ অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন চৰকাৰে ৰাজধানী চহৰখনত ফট্‌কাৰ বিক্ৰী আৰু ব্যৱহাৰৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা অহা পহিলা জানুৱাৰী ২০২৩ লৈকে বৃদ্ধি ঘোষণা কৰিলে। দিল্লীৰ পৰিৱেশ মন্ত্ৰী গোপাল ৰায়ে এই কথা প্ৰকাশ কৰি আজি কয় যে ৰাষ্ট্ৰীয় ৰাজধানীত ফট্‌কাৰ উৎপাদন, বিক্ৰী, মজুতকৰণ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত পহিলা জানুৱাৰী ২০২৩ লৈকে নিষেধাজ্ঞা বাহাল থাকিব। ফট্‌কাৰ অনলাইন বিক্ৰীৰ ক্ষেত্ৰতো এই নিষেধাজ্ঞা প্ৰযোজ্য হ'ব বুলি মন্ত্ৰীজনে কয়। দিল্লীৰ বৰ্ধিত প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে চৰকাৰে এই সিদ্ধান্ত ল'লে।

## বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ জিলাৰ বৰ্ষশ্ৰেষ্ঠ বিদ্যালয় বঁটা

**বিশেষ সংবাদদাতা**

**নগাবাট, ৭ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ বৰহোলাৰ এখন অগ্ৰণী চৰকাৰী শিক্ষানুষ্ঠান বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে জিলাখনৰ ভিতৰত বৰ্ষশ্ৰেষ্ঠ বিদ্যালয় বঁটা লাভ কৰে। এই খবৰে বৰ্তমান বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে স্থানীয় সচেতন ৰাইজক উৎফুল্লিত আৰু গৌৰৱান্বিত কৰি তুলিছে। পাঁচ ছেপ্টেম্বৰত যোৰহাট-মাজুলী জিলা শিক্ষা বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত মাজুলীত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত শিক্ষক দিৱসৰ কাৰ্যসূচীত এই বৰ্ষশ্ৰেষ্ঠ বিদ্যালয় বঁটা গ্ৰহণ কৰে বিদ্যালয়খনৰ অধ্যক্ষ প্ৰশান্ত কুমাৰ মহন্তই। উল্লেখ্য যে দীৰ্ঘ বছৰৰ পৰা বিদ্যালয়খনত শিক্ষাদান, ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ফলাফল, পাৰদৰ্শিতা আদিৰ ক্ষেত্ৰত এক সুনাম আছে। ১৯৫৪ত প্ৰতিষ্ঠা হোৱা বিদ্যালয়খনে বৃহত্তৰ বৰহোলা, নগাবাট, বেকাজান, ইকৰাণি, ৰজাবাৰী, ৰজাবাহৰ আদি অঞ্চলৰ শৈক্ষিক উত্তৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইয়াৰ পূৰ্বেও বিদ্যালয়খনক ৰাজ্য চৰকাৰে ২০২০ৰ শ্ৰেষ্ঠ শিক্ষানুষ্ঠানৰ বঁটা, ২০১১ত অসম ভিত্তিত শ্ৰেষ্ঠ সন্মান আৰু উচ্চতৰ মাধ্যমিকৰ ভাল ফলাফলৰ বাবে ২০১৯ত চৰকাৰৰ তৰফৰ কৰা বিশেষ সন্মানেৰে সন্মানিত কৰিছিল। কিছুদিনৰ পূৰ্বে মাধ্যমিক শিক্ষকৰ কৰ্মচাৰী সন্থাৰ তৰফৰ পৰাও বিদ্যালয়খনৰ ফলাফলৰ বাবে অধ্যক্ষজনক সম্বৰ্ধনা জ্ঞাপন কৰিছিল। প্ৰণিধানযোগ্য যে বিদ্যালয়খনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰতিদিনে অহোপুৰুষাৰ্থ চেষ্টা কৰি আহিছে। এই বিদ্যালয়খনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ বহু ছাত্ৰ-ছাত্ৰী বৰ্তমান ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰাৰো উদাহৰণ আছে। বিদ্যালয়খনৰ সফলতাৰ এই ধাৰাবাহিকতা দীৰ্ঘায়ু হোৱাৰ কামনা কৰিছে বৰহোলাৰ কে'বাগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু সচেতন লোকে।

**উৎফুল্লিত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক**

## কাইলৈ অসম সাহিত্য সভা-যোৰহাট সাহিত্য সভাৰ যৌথ উদ্যোগত চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মৃতি দিৱস

**ষ্টাফ ৰিপ'টাৰ**

**যোৰহাট, ৭ ছেপ্টেম্বৰ ঃ** অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় আৰু যোৰহাট সাহিত্য সভাৰ যৌথ উদ্যোগত প্ৰতিবছৰে পালন কৰি অহা চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মৃতি দিৱস এইবাৰো ন ছেপ্টেম্বৰত আয়োজন কৰা হৈছে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত পুৰা যোৰহাট সাহিত্য সভাৰ সভাপতি ড০ দীপালী খাৰঘৰীয়াৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা স্মৃতি দিৱসৰ কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰিব অসম সাহিত্য সভাৰ আজীৱন সভ্য দুলাল গোস্বামী আৰু যোগমায়া গগৈয়ে। ইয়াৰ পাছতে যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি ড০ ৰাতুল চন্দ্ৰ বৰাই উদ্বোধন কৰিব লগা সভাত অসম সাহিত্য সভাৰ আইন উপদেষ্টা ভৱ গোস্বামীয়ে নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত পৰিয়ালৰ সদস্য গায়ত্ৰী সন্দিকৈৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ পূৰ্বে পুৰা অষ্টম-দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত এখন প্ৰশ্নোত্তৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰতিযোগীসকলে ৭৬৩৬৮২২৯৮৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## হাজোত একেদিনাই চাৰিটাকৈ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ মুকলি বিধায়িকাৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৭ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হাজো সমষ্টিত বিধায়িকা সুমন হৰিপ্ৰিয়াই কালি একেদিনাই চাৰিটাকৈ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ মুকলি কৰে। অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ ২০২১-২২ৰ অধীনত আবণ্টিত পুঁজিৰ ধনেৰে হাজোৰ বঙালপাৰা তাপাবড়ী চৰ, উজানকুৰি হাঁহদিয়া, কঁঠালঘোপা আৰু চৰাবড়ীত চাৰিটাকৈ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আজি উদ্বোধন কৰে বিধায়িকা হৰিপ্ৰিয়াই। অৱশ্যে অংগনৱাড়ী কেন্দ্ৰসমূহ শিশুসকলৰ পৰিপুষ্টি, মানসিক আৰু শাৰীৰিক বিকাশৰ উৎকৃষ্ট কেন্দ্ৰস্থল হোৱাৰ লগতে এই কেন্দ্ৰসমূহৰ জৰিয়তে সৰ্বতো প্ৰকাৰৰ জ্ঞানৰ ধাৰণা দি শিক্ষা গ্ৰহণৰ আদিপাঠৰ জৰিয়তে শিশুসকলক উপযুক্ত মানৱ সম্পদৰূপে গঢ়ি তোলাৰ চেষ্টা কৰা হয় বুলিও উল্লেখ কৰে বিধায়িকা হৰিপ্ৰিয়াই। কাৰ্যসূচীত বিধায়িকা হৰিপ্ৰিয়াক সংগ দিয়ে বিশিষ্ট সমাজসেৱক সৌমেন ডেকা, বিজেপি কৰ্মী ভাস্কৰ ভৰালী, অপূৰ্ব মজুমদাৰ, অৰ্ণৱ বৈশ্যয়ে আদিয়ে।

## অসম প্ৰজ্ঞা ফাউণ্ডেছনৰ মাজুলী জিলা সমিতিৰ গুৰুপূজন অনুষ্ঠান সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৭ ছেপ্টেম্বৰ ঃ** পবিত্ৰ শিক্ষক দিৱসৰ লগত সংগতি ৰাখি অসম প্ৰজ্ঞা ফাউণ্ডেছনৰ মাজুলী জিলা সমিতিৰ উদ্যোগত গুৰুপূজন অনুষ্ঠান আয়োজন কৰে। কমলাবাৰী বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত কমলাবাৰী মিলন সংঘৰ শিশু শিল্পীসকলে গায়ন-বায়ন পৰিবেশনেৰে মুকলি কৰা গুৰুপূজনৰ পূৰ্বৰ পৰম্পৰা সোঁৱৰণ কৰি ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামী, গড়মূৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীয়ে আশীৰ্বাদ সূচক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত মাজুলীৰ সামাজিক-শৈক্ষিক-সাংস্কৃতিক আদি বিভিন্ন দিশত আগবঢ়োৱা সেৱাৰ বাবে ভোগপুৰ সত্ৰৰ বৈষ্ণৱ শ্ৰী ধৰ্মেশ্বৰ দত্ত বৰবায়ন, উত্তৰ কমলাবাৰী সত্ৰৰ নন্দেশ্বৰ বৰবায়ন, শিক্ষাবিদ নীলমণি ভূঞা, বিহু শিল্পী নবীন শইকীয়া, পুষ্প কলিতা, মৃৎ শিল্পী ভুলু শইকীয়া, ভক্তপ্ৰাণ হাজৰিকা, গোবিন দত্ত, অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, ড° আনন্দ হাজৰিকা, সাহিত্য-সংগীত-সংবাদকৰ্মী ৰঞ্জিত কুমাৰ ভূঞা, শিল্পী মেঘ মেধি, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অনুপমা গোস্বামী, বিশিষ্ট মুখাশিল্পী হেমচন্দ্ৰ গোস্বামী, শিল্পী ধৰ্ম পেগু, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰেণুমালা দত্ত, বিশিষ্ট শিল্পী পদ্ম প্ৰসাদ বৰুৱা, সত্ৰীয়া নৃত্যৰ গৱেষক কৰুণা বৰা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভোগেশ্বৰ বৰা শাস্ত্ৰী, সোমনাথ দাস, বৰ্ষীয়ান শিল্পী মেঘৰাম দেউৰী আদি কৰি সৰ্বমুঠ ২৩ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত জিলা উপায়ুক্ত পুলক মহন্তই শুভেচ্ছামূলক বক্তব্য আগবঢ়োৱাৰ লগতে উত্তৰ কমলাবাৰী সত্ৰৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱগোস্বামীয়ে নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায়। সভাত ৰাজহ চক্ৰ বিষয়া জয়দীপ ৰজক, ডেকা সত্ৰাধিকাৰ প্ৰবীণ মহন্ত, অতুল মহন্ত, বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ অধ্যক্ষ হিতেশ দাস আদি উপস্থিত থাকে। অনুষ্ঠানত প্ৰজ্ঞা ফাউণ্ডেছনৰ মাজুলীৰ প্ৰভাৰী ভগৱৎ প্ৰীতম উপস্থিত থাকি সকলো গুৰুস্থানীয় ব্যক্তিৰ প্ৰতি কৃতজ্ঞতা সূচক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত কে'বাটাও ভক্তিমূলক গীত পৰিবেশন কৰে বিবেকানন্দ কেন্দ্ৰ বিদ্যালয় কমলাবাৰী, একল বিদ্যালয় দক্ষিণপাট আৰু শংকৰদেৱ বিদ্যা নিকেতন কমলাবাৰীয়ে। প্ৰতাপ বৰুৱাই আঁত ধৰা অনুষ্ঠানত আৰু শিক্ষকসকলৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বিদ্যালয় বিলুপ্তিৰ ষড়যন্ত্ৰ ১৫ বছৰ পূৰ্বেই কৰিছিল




### ■ গোৱালপাৰাত আম আদমী পাৰ্টিৰ সংবাদমেল

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৭ ছেপ্টেম্বৰ ঃ** 'বিদ্যালয় বিলুপ্তিৰ ষড়যন্ত্ৰ ড° হিমন্ত বিশ্ব শৰ্মাই পোন্ধৰ বছৰ পূৰ্বেই আৰম্ভ কৰিছিল। কংগ্ৰেছ চৰকাৰৰ দিনতেই তদানীন্তন শিক্ষামন্ত্ৰী ড° শৰ্মাই শিক্ষাক দুৰ্বল কৰিবলৈ কচৰৎ আৰম্ভ কৰে আৰু মুখ্যমন্ত্ৰী হৈ উক্ত ষড়যন্ত্ৰৰ সফল ৰূপ দিবলৈ আৰম্ভ কৰিছে।' গোৱালপাৰা চহৰৰ নিকটৱৰ্তী ভালুকডুবি বজাৰস্থিত আম আদমী পাৰ্টি চমুকৈ আপৰ জিলা কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰি এইদৰে মন্তব্য কৰে আপৰ গোৱালপাৰা জিলাৰ সমন্বয়ক জাকিৰ হুছেইন আকন্দে। গোৱালপাৰা পূব সমষ্টিৰ সমন্বয়ক তথা অধিবক্তা জিন্না আমিৰ হুছেইন, অধিবক্তা নজৰুল ইছলাম, দেলোৱাৰ হুছেইন আৰু নুৰ আলমৰ উপস্থিতিত সম্বোধন কৰা সংবাদমেলত জিলা সমন্বয়কজনে আৰু কয় যে ড° শৰ্মাই কংগ্ৰেছ আৰু বিজেপি চৰকাৰত একেৰাহে প্ৰায় ১৫ বছৰ কাল শিক্ষামন্ত্ৰী হৈ আছিল। সেই সময়তে সৰ্বশিক্ষা অভিযানৰ দৰে অভিলাষী আঁচনিৰ জৰিয়তে বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে কোটি কোটি টকা মোকলাই দিছিল। কিন্তু তেওঁৰ শিক্ষা মন্ত্ৰিত্বৰ কালত অসমৰ চৰকাৰী বিদ্যালয়ৰ অৱস্থা বেয়াৰ ফালে গতি কৰে। লগতে অদক্ষতা আৰু কু-অভিসন্ধিৰ বাবেই বছৰৰ পাছত বছৰ ধৰি চৰকাৰী বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নত নহ'ল। ইপিনে, উচ্চ আৰু উচ্চতৰ স্তৰত নিযুক্তি বন্ধ কৰি থোৱাত হেজাৰ হেজাৰ শিক্ষকৰ পদ খালী হৈ পৰি থাকিল। বৰ্তমানৰ মুখ্যমন্ত্ৰীজনৰ শিক্ষামন্ত্ৰিত্বৰ সময়তেই চৰকাৰী বিদ্যালয়ৰ প্ৰতি অভিভাৱকসকলৰ আস্থা সম্পূৰ্ণৰূপে ভাঙি পেলোৱা হ'ল। ফলত গাঁৱে-ভূঞে, চহৰে-নগৰে ব্যক্তিগত খণ্ডৰ বিদ্যালয় ঠন ধৰি উঠে আৰু চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাবলৈ ধৰে। এই অজুহাতত ৰাইজে গঢ়া বিদ্যালয়সমূহ এতিয়া একত্ৰীকৰণৰ নামত বিলুপ্তিকৰণ অভিযান আৰম্ভ কৰিছে। লগতে শেহতীয়াকৈ ১৭১০ খন বিদ্যালয় বন্ধ কৰিছে চৰকাৰে। চৰকাৰৰ এই শিক্ষা বিৰোধী কাৰ্যক আপে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে বুলি সংবাদমেলত উল্লেখ কৰে জিলা সমন্বয়কজনে। সংবাদমেলত আকন্দে ৰাজ্যখনৰ কিছুমান বিদ্যালয়ৰ পয়ালগা ছবিও প্ৰদৰ্শন কৰি কয় যে আপে যোৱা এক ছেপ্টেম্বৰৰ পৰা সমগ্ৰ অসমতে 'বিদ্যালয় বচাওঁ আহক' শীৰ্ষক এলানি কাৰ্যসূচী হাতত লৈছে আৰু দলৰ স্বেচ্ছাসেৱকসকলে এই কেইদিন ৰাজ্যৰ চুকে-কোণে থকা বিদ্যালয় পৰিদৰ্শন কৰি আন্তঃগাঁথনি আৰু গুণগত মানৰ এক সমীক্ষা চলায়। উক্ত পৰীক্ষাত পোৱা তথ্য অনুসৰি ৰাজ্যৰ ৬০.২ শতাংশ বিদ্যালয়ত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা নাই, খেলপথাৰ নথকা বিদ্যালয়ৰ সংখ্যা ৬৯.৮ শতাংশ, পুথিভঁৰাল নথকা বিদ্যালয়ৰ সংখ্যা ৮৪.১ শতাংশ আৰু ৯৪.৯ শতাংশ বিদ্যালয়ত কম্পিউটাৰ নাই। ইফালে বিদ্যালয়ৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত ভাল পৰিকাঠামোৰ ১২.৪ শতাংশ, মধ্যমীয়া ২৫.৮ শতাংশ আৰু বেয়া আন্তঃগাঁথনি থকা বিদ্যালয়ৰ সংখ্যা হ'ল ৬১.৮ শতাংশ। অসম চৰকাৰী বিদ্যালয়ৰ এই বাস্তৱ অৱস্থাৰ বিপৰীতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মন্ত্ৰী পীযুষ হাজৰিকাই অসমৰ বিদ্যালয়সমূহ ভাল বুলি জাহিৰ কৰিবলৈ দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ স'তে টুইটাৰত বাকযুদ্ধত লিপ্ত হোৱা বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে জাকিৰ হুছেইনে। ইপিনে সময় থাকোতেই অসমৰ জনতাই বিনাশকাৰী বিজেপি চৰকাৰৰ পৰা পৰিত্ৰাণ পোৱাৰ কথা চিন্তা কৰিবৰ হ'ল বুলি অভিমত ব্যক্ত কৰিছে আপৰ জিলা সমন্বয়কজনে।

## ঘগ্ৰাপাৰৰ দতৰাত ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা স্মৃতি ন্যাসৰ উদ্যোগত গুৰু পূজন-সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৭ ছেপ্টেম্বৰ ঃ** দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ স্মৃতিত উদ্‌যাপন কৰা 'শিক্ষক দিৱস'ৰ লগত সংগতি ৰাখি কালি দতৰা পঞ্চায়তত ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা স্মৃতি ন্যাসৰ সৌজন্যত 'গুৰু পূজন' আৰু সম্বৰ্ধনা অনুষ্ঠিত কৰা হয়। নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ১২ নম্বৰ দতৰ গাঁও পঞ্চায়ত প্ৰাংগণত কালি সন্ধিয়া অনুষ্ঠিত ব্যতিক্ৰমী অনুষ্ঠানৰ আৰম্ভণিতে দাৰ্শনিক পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষাবিদ হৰিদেৱ ভট্টাচাৰ্যই। পণ্ডিত ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বুজৰবৰুৱাৰ সহধৰ্মিণী ননী বুজৰবৰুৱই। অনুষ্ঠানত প্ৰাস্তবিক ভাষণ ৰাখে ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা স্মৃতি ন্যাসৰ সভাপতি প্ৰশান্ত বুজৰবৰুৱাই। সভাপতি বুজৰবৰুৱাই কয় যে 'গুৰু পূজন' ভাৰতীয় সংস্কৃতিৰ এক অনবদ্য অৱদান। ভাৰতীয় দৰ্শনে কয় গুৰু অবিহনে মানৱ জীৱন আধৰুৱা। সেয়েহে আমি ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা স্মৃতি ন্যাসে এই পবিত্ৰ দিনটোত বিগত বৰ্ষৰ দৰে এইবাৰো পাঁচগৰাকী গুৰুক পূজা কৰা হৈছে। গুৰুগৰাকী ক্ৰমে অৱসৰপ্ৰাপ্ত অধ্যাপক চন্দ্ৰ ভূষণ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক থানেশ্বৰ গোস্বামী, অৱসৰপ্ৰাপ্ত সংগীত শিক্ষক সুকুমাৰ বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত অধ্যাপিকা সৰলা তালুকদাৰ বৰ্মন আৰু অৱসৰপ্ৰাপ্ত প্ৰবক্তা দিলীপ ডেকা। গুৰুসকলক বিদ্যাৰ্থীসকলে চৰণ ধুৱাই ফুলৰ মালা দি পূজা কৰি আশীৰ্বাদ গ্ৰহণ কৰাৰ পাছতে বুজৰবৰুৱা স্মৃতি ন্যাসৰ সভাপতি, সম্পাদক তথা কাৰ্যকৰ্তাসকলে চেলেং চাদৰ, পিতলৰ শৰাই আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত কে'বাটাও গীত পৰিবেশন কৰে ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা সংগীত কলাকেন্দ্ৰ, দতৰাৰ শিক্ষাৰ্থীসকলে। শিক্ষয়িত্ৰী ৰিজুমণি শৰ্মাই আঁতধৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষাবিদ হৰিদেৱ ভট্টাচাৰ্যই দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱন আৰু ব্যক্তিত্বৰ ওপৰত এক তত্ত্বগধুৰ বক্তৃতা প্ৰদান কৰে।

## আজিৰ শিক্ষানীতিত বিশ্বায়নৰ প্ৰভাৱ-ইণ্টাৰনেটে বহু পৰিৱৰ্তন আনিছে

**ডুমডুমা, ৭ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলা শিক্ষা বিভাগে ৬১ সংখ্যক শিক্ষক দিৱস কেন্দ্ৰীয়ভাৱে পানীতোলা হিন্দী ইংলিছ হাইস্কুলত উদ্‌যাপন কৰে। শিক্ষক দিৱস উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে ছেবাৰ প্ৰাক্তন শিক্ষা সচিব ধনদেৱ মহন্তই। বিশিষ্ট দাৰ্শনিক, শিক্ষাবিদ, ৰাজনীতিবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি সভাৰ আৰম্ভ কৰা হয়। বন্তি প্ৰজ্বলন অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° মদন শৰ্মা, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতোপন হাজৰিকা, জিলা প্ৰাথমিক শিক্ষা বিষয়া বিন্তি শৰ্মা উপস্থিত থাকে। বন্তি প্ৰজ্বলনৰ পাছতে পানীতোলা উচ্চতৰ আৰু পানীতোলা ছোৱালী হাইস্কুলৰ শিক্ষকবৃন্দই সমবেত সংগীত পৰিবেশন কৰে। সভাত আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতোপন হাজৰিকাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° মদন শৰ্মাই নতুন শিক্ষানীতিৰ ওপৰত ব্যাখ্যা দাঙি ধৰে। তেওঁ তাহানিৰ শিক্ষানীতিৰ স'তে আজিৰ শিক্ষানীতি বিশেষকৈ নব্বৈৰ দশকৰ পাছত বিশ্বায়নৰ প্ৰভাৱ আৰু ন ন কৌশল সম্বলিত ইণ্টাৰনেটে বহু পৰিৱৰ্তন আনিছে বুলিও উল্লেখ কৰে। প্ৰাক্তন উপাচাৰ্যজনে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰোঁতে যিসমূহ দিশ চালিজাৰি চাব লাগে তাত কেতিয়াও হীন-দেড়ি কৰিব নালাগে বুলিও কয়। জিলা উন্নয়ন আয়ুক্ত নয়নজ্যোতি ভাগৱতী আৰু অতিৰিক্ত উপায়ুক্ত চৰফ্ৰাজ হকে সভাত ভাষণ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ় দিয়াৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অৱদান অতুলনীয় বুলি উল্লেখ কৰে। শিক্ষক সমাজক ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰকৃত মাৰ্গদৰ্শক বুলিও উল্লেখ কৰে। আজিৰ সভাত জিলাখনৰ অৱসৰপ্ৰাপ্ত কে'বাগৰাকীও শিক্ষকক সম্বৰ্ধনা জনোৱাৰ লগতে জিলাখনৰ কে'বাগৰাকী কৃতী শিক্ষক-শিক্ষয়িত্ৰীক ফুলাম গামোচা, মানপত্ৰ, শৰাইৰে উপস্থিত বিশিষ্ট ব্যক্তিসকলে জিলা প্ৰশাসনৰ হৈ সম্বৰ্ধিত কৰে। আজি দিনজোৰা কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে আয়োজন কৰা শিক্ষক দিৱসৰ কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল।

**■ তিনিচুকীয়াত জিলা শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীক সম্বৰ্ধনা**

## অৰুণ বৰদলৈক কৃতী শিক্ষকৰ বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ৭ ছেপ্টেম্বৰ ঃ** চতিয়াৰ উত্তৰ অঞ্চলৰ এক নম্বৰ গেৰেকী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণ বৰদলৈক বিশ্বনাথ জিলা প্ৰশাসন তথা বিশ্বনাথ জিলাৰ সমূহ শিক্ষক সন্থাৰ উদ্যোগত অনুষ্ঠিত বিশ্বনাথ জিলা শিক্ষক দিৱস উদ্‌যাপন সমিতিয়ে ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। বিশ্বনাথ জিলা উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেক এখন ফুলাম গামোচা, শৰাই আৰু সম্বৰ্ধনাপত্ৰ প্ৰদান কৰে। সম্বৰ্ধনা অনুষ্ঠানত বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, অতিৰিক্ত উপায়ুক্ত ড° সূৰ্যকমল বৰা, বিশ্বনাথ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, বিদ্যালয়ৰ উপ-পৰিদৰ্শক কৰুণাকান্ত ভট্ট, বিশিষ্ট শিক্ষাবিদ ড° ক্ষেমৰাজ নেপালৰ লগতে জিলাখনৰ বহুতো শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। উত্তৰ অঞ্চলৰ একেবাৰে বহু ভিতৰুৱা চাহ আৰু প্ৰাক্তন চাহ জনজাতি খেৰিয়া, মুণ্ডা, গুৱালা, পাতৰ উপ-জাতি লোকসকলে বসবাস কৰা অতিকৈ দুখীয়া এশ শতাংশ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা অঞ্চলত থকা এক নম্বৰ গেৰেকী প্ৰাথমিক বিদ্যালয়ত ১৯৮৫ত অৰুণ বৰদলৈয়ে সহকাৰী শিক্ষক হিচাপে যোগদান কৰি বিদ্যালয়ৰ কণ কণ শিশুসকলক শিক্ষাদান দিয়াৰ উপৰি বিদ্যালয়খনৰ উন্নয়ন অঞ্চলটোত বিভিন্ন ধৰণৰ গঠনমূলক কাম, সজাগতা সভা, শিক্ষা, কলা সংস্কৃতি, ক্ৰীড়া, বৃক্ষৰোপণ আদি বিভিন্ন ধৰণৰ কাম কৰিছিল। বিশেষকৈ বিদ্যালয়ত বিস্তৃত কাৰ্যসূচীৰে শিশু দিৱস উদ্‌যাপন কৰে ক'ভিডৰ বাবে বিদ্যালয় বন্ধ থকা সময়ত ছাত্ৰ-ছাত্ৰীৰ বাবে অনলাইন চিত্ৰাংকন, কবিতা আবৃত্তি, গীত, নৃত্যৰ প্ৰতিযোগিতা আয়োজন কৰি ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে নগদ ধনৰ পুৰস্কাৰ বঁটা প্ৰদান, ক'ভিড গৃহবন্দী লোকসকলৰ ঘৰে ঘৰে গৈ খাদ্য সামগ্ৰী বিতৰণ, বিদ্যালয়ত কে'বাবাৰো ক'ভিড পৰীক্ষা শিবিৰ, প্ৰতিষেধক আদি বহু ধৰণৰ কাম কৰিছিল।

## হোজাইত জিলা প্ৰশাসনৰ উদ্যোগত ৩২ কৃতী শিক্ষকক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৭ ছেপ্টেম্বৰ ঃ** হোজাইৰ ডবকা, নীলবাগানৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তত উলহ-মালহৰে শিক্ষক দিৱস পালন কৰা হয়। বাতৰি অনুসৰি, নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে শিক্ষক দিৱস পালন কৰা হয়। সমান্তৰালকৈ নীলবাগানস্থিত অসম জুনিয়ৰ কলেজতো শিক্ষক দিৱস উপলক্ষে ১৫ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্ধনা জনোৱাৰ লগতে হোজাইত জিলা প্ৰশাসনৰ উদ্যোগত হোজাই দেশবন্ধু বিদ্যাপীঠত আয়োজিত শিক্ষক দিৱসৰ অনুষ্ঠানত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ ৩২ গৰাকী কৃতী শিক্ষক -শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সমগ্ৰ দেশ তথা ৰাজ্যৰ সমান্তৰালকৈ হোজাই জিলাতো বিভিন্ন চৰকাৰী-বেচৰকাৰী বিদ্যালয়ত শিক্ষক দিৱস পালন কৰা হৈছে। হোজাইৰ জাতীয় বিদ্যালয়তো জাক-জমকতাৰে পৱিত্ৰ শিক্ষক দিৱস উদ্‌যাপন হয়। এই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে দশম শ্ৰেণীৰ ছাত্ৰী ভাস্বতী গোস্বামীয়ে। হোজাইৰ নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত শিক্ষক দিৱসৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে লংকা বি এড কলেজৰ অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমান উপস্থিত থাকি মহান শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱনীৰ ওপৰত আলোকপাত কৰে। ইফালে, হোজাই জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ উদ্যোগত হোজাই জিলাৰ সমূহ শিক্ষক সংগঠনৰ সহযোগত ৬১ সংখ্যক ৰাষ্ট্ৰীয় শিক্ষক দিৱস হোজাইৰ দেশবন্ধু বিদ্যাপীঠ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত উদ্‌যাপন কৰা হয়। হোজাই জিলা উপায়ুক্ত অনুপম চৌধুৰী, অতিৰিক্ত উপায়ুক্ত ৰক্তিম বৰুৱা আৰু ড° সাৰদানন্দ দেৱগোস্বামীয়ে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ ছবিত মাল্যাৰ্পণ কৰাৰ লগতে আমন্ত্ৰিত অথিতিসকলেও মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে। উল্লেখ্য যে উক্ত সভাত হোজাই জিলাৰ ৩২ গৰাকী কৃতী শিক্ষক-শিক্ষয়িত্ৰীক একোখনকৈ ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, শৰাই আৰু একোটাকৈ নিম গছৰ পুলিৰে সম্বৰ্ধনা জনোৱা হয়। জিলা উপায়ুক্ত অনুপম চৌধুৰীয়ে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱনীৰ লগত সংগতি ৰাখি শিক্ষাৰ ওপৰত সাৰুৱা ভাষণ প্ৰদান কৰে । নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত লংকা কৃষ্ণবৰা বি এড কলেজৰ অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমান মুখ্য অতিথিৰূপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে হোজাইৰ সভাত নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক জামাল উদ্দিন আহমেদৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ ৩২ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক জিলা উপায়ুক্ত অনুপম চৌধুৰী আৰু অতিৰিক্ত উপায়ুক্ত ৰক্তিম বৰুৱা, অতিথি ড° সাৰদানন্দ দেৱগোস্বামী আৰু উপস্থিত থকা শিক্ষা বিভাগৰ বিষয়াসকলে সম্বৰ্ধনা জনায়। ইফালে, শিক্ষক দিৱস উপলক্ষে হোজাই জিলাৰ অৱসৰপ্ৰাপ্ত শিক্ষকক আজমল ফাউণ্ডেছনৰ পৰা সম্বৰ্ধনা জনোৱা হয়। 'শিক্ষক দিৱস'ৰ লগত সংগতি ৰাখি আজি ৰাজ্যখনৰ এক অন্যতম স্বেচ্ছাসেৱী সংস্থা আজমল ফাউণ্ডেছনৰ উদ্যোগত হোজাইস্থিত নাজিৰ আজমল মেম'ৰিয়েল কলেজ অব এডুকেছনত এক সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। উল্লেখ্য যে আজমল ফাউণ্ডেছনে প্ৰতি বছৰে দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আৰু দাৰ্শনিক সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম দিৱস অৰ্থাৎ শিক্ষক দিৱসৰ দিনা ৰাজ্যখনৰ বিশিষ্ট ব্যক্তি তথা শিক্ষকসকলক সম্বৰ্ধনা জনাই আহিছে। সমাজৰ শৈক্ষিক তথা সামাজিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা বৰঙণিৰ বাবে আজি মুঠ ১৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বিশিষ্ট সেৱাৰ বাবে সন্মান আগবঢ়ায়।

## শুৱালকুছি আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী স্বৰ্ণময়ী কলিতাক কৃতী শিক্ষয়িত্ৰীৰ বঁটা



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৭ ছেপ্টেম্বৰ ঃ** দেশৰ মহান শিক্ষাগুৰু ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষে সমগ্ৰ ৰাজ্যতো শিক্ষক দিৱস পালন কৰে। সেইদৰে কামৰূপ জিলা প্ৰশাসন আৰু জিলা শিক্ষা বিভাগেও শিক্ষক দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰে। জিলা উপায়ুক্তৰ আমিনগাঁওস্থিত সংহত কাৰ্যালয়ৰ সভাগৃহত জিলাখনৰ আন ১৬গৰাকী শিক্ষাগুৰুৰ লগতে বস্ত্ৰনগৰী শুৱালকুছি আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী স্বৰ্ণময়ী কলিতাকো কৃতী শিক্ষয়িত্ৰীৰ বঁটা প্ৰদান কৰাত সমগ্ৰ অঞ্চলৰ শিক্ষানুৰাগী লোকে আনন্দ প্ৰকাশ কৰে। বিগত ১৯৯৩ৰ ১০ মে'ত শুৱালকুছি আদৰ্শ প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচপে যোগদান কৰি বৰ্তমানেও কৰ্মৰত হৈ কণ কণ শিশুসকলক জ্ঞানৰ পোহৰ দি আহিছে। শিক্ষক দিৱসৰ দিনা কামৰূপ জিলা উপায়ুক্তৰ হাতৰ পৰা কৃতী শিক্ষয়িত্ৰীৰ বঁটা গ্ৰহণ কৰা স্বৰ্ণময়ী কলিতা অকল শিক্ষকতা বৃত্তিতে জড়িত নাথাকি সমাজসেৱাৰ কামো কৰি গৈছে। তেওঁ অসম লেখিকা সন্থাৰ শুৱালকুছি লেখিকা সংস্থাৰ বিষয়ববীয়া, শুৱালকুছি সেউজী চ'ৰা, মহাবাহু ফাউণ্ডেছন, নটৰাজ কলা কেন্দ্ৰ, জ্যোতি সাহিত্য সভা, শুৱালকুছি আঞ্চলিক কৰ্মচাৰী পৰিষদৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। তদুপৰি ৰাজ্যৰ অন্যতম জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ আজীৱন সভ্যও। ইতিমধ্যে মহুৰা, সেউজকণ্ঠ, অপৰাজিতা আদি একাধিক স্মৃতিগ্ৰন্থত স্বৰ্ণময়ী কলিতাৰ গল্প-প্ৰৱন্ধ প্ৰকাশ পায়। এনে এগৰাকী শিক্ষাগুৰুক জিলা প্ৰশাসনে বঁটা প্ৰদান কৰাত শুৱালকুছি আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শুৱালকুছি লেখিকা সন্থা, সেউজ চ'ৰা, শুৱালকুছি শিক্ষক সমল কেন্দ্ৰ, শুৱালকুছি আঞ্চলিক কৰ্মচাৰী পৰিষদ মহাবাহু ফাউণ্ডেছন আদিয়ে শিক্ষয়িত্ৰীগৰাকীক শুভেচ্ছা আৰু অভিনন্দন জনাইছে।

## পাঁচ বছৰৰ তলৰ দুই লক্ষাধিক শিশুক পলিঅ' প্ৰতিষেধক প্ৰদানৰ লক্ষ্য

**ডুমডুমা, ৭ ছেপ্টেম্বৰ ঃ** অহা ১৮ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া বিশেষ পলিঅ' প্ৰতিষেধক প্ৰদান অভিযানৰ লগত সংগতি ৰাখি লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয় তিনিচুকীয়াৰ সমীপৱৰ্তী আশাগৃহৰ সভাকক্ষত অতিৰিক্ত উপায়ুক্ত স্বাস্থ্য দিপু কুমাৰ ডেকাৰ সভাপতিত্বত জিলা টাস্ক ফ'ৰ্চৰ এখন সভা অনুষ্ঠিত হয়। সভাত বিশ্ব স্বাস্থ্য সন্থাৰ তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ নগেন শৰ্মাই পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে এই অভিযানৰ বিতং ব্যাখ্যা আগবঢ়াই কয় যে বিশ্বৰ কেতবোৰ ঠাইত পলিঅ' ৰোগী পুনৰ চিনাক্ত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে তিনিচুকীয়াকে ধৰি অসমৰ ১৯ খন জিলাত অহা ১৮ ছেপ্টেম্বৰৰ পৰা উপ-ৰাষ্ট্ৰীয় টিকাকৰণ দিৱস ৰূপায়ণ কৰাৰ নিৰ্দেশ দিছে। সেই অনুসৰি, সমাজ কল্যাণ, শিক্ষা, পৰিবহণ আদি বিভিন্ন বিভাগৰ সহযোগত তিনিচুকীয়া জিলাৰো প্ৰতিটো স্বাস্থ্যখণ্ডৰ অধীনত পলিঅ' প্ৰতিষেধক অভিযান চলোৱাৰ লক্ষ্য হাতত লোৱা হৈছে বুলিও জ্যেষ্ঠ চিকিৎসকজনে উল্লেখ কৰে। এই অভিযানৰ অধীনত তিনিচুকীয়া জিলাৰ দুই লাখৰো অধিক শূন্যৰ পৰা পাঁচ বছৰ বয়সৰ শিশুক পলিঅ' প্ৰতিষেধক সেৱন কৰোৱা হ'ব। ভাৰতক সম্পূৰ্ণৰূপে এখন পলিঅ' মুক্ত দেশ হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যত উপনীত হ'বলৈ ভাৰত চৰকাৰে এটিও শিশু যাতে পলিঅ' প্ৰতিষেধক লাভৰ পৰা বাদ নপৰে তাৰ বাবে এই বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। উপ-ৰাষ্ট্ৰীয় টিকাকৰণ দিৱসৰ অধীনত স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ তথা বিদ্যালয় আৰু অন্যান্য ৰাজহুৱা স্থানত শিশুসকলক পলিঅ'ৰ প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা হাতত ল'ব। সভাত স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্ত দিপু কুমাৰ ডেকাই সমগ্ৰ তিনিচুকীয়া জিলাত এই অভিযান সাফল্যমণ্ডিত কৰিবৰ বাবে ইয়াৰ স'তে জড়িত প্ৰতিটো বিভাগক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। অতিৰিক্ত উপায়ুক্তজনে অভিভাৱকসকলক বিনাদ্বিধাই নিজৰ সন্তানক পলিঅ' প্ৰতিষেধক প্ৰদানৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সভাত তিনিচুকীয়া জিলা স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ ৰমেন সোণোৱালে কয় যে জিলাখনক পলিঅ' মুক্ত কৰিবৰ বাবে প্ৰতিষেধক প্ৰদান, উপযুক্ত নিৰীক্ষণ আৰু চিনাক্তকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। তেওঁ এই অভিযানৰ সময়ত যাতে এটাও শিশু পলিঅ' প্ৰতিষেধক লোৱাৰ পৰা বাদ নপৰে সেয়া সুনিশ্চিত কৰিবলৈ স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী, নাৰ্ছ আৰু স্বাস্থ্যকৰ্মীসকলক আহ্বান জনায়। সভাত ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া তথা সহকাৰী আয়ুক্ত নীলুৰাম শৰ্মা, জিলা টিকাকৰণ বিষয়া ডাঃ এন কে বৰা, স্বাস্থ্য বিভাগৰ বিষয়া তথা স্বাস্থ্যকৰ্মীসকল আৰু জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া তথা প্ৰতিনিধিসকল উপস্থিত থাকে।

**■ তিনিচুকীয়াত ১৮ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব বিশেষ পলিঅ' প্ৰতিষেধক প্ৰদান অভিযান**

# পুৰণিগুদামৰ সংযোগী গড়কাপ্তানী পথৰ বিধ্বস্ত অৱস্থা



## জ্বলাকলা খাইছে ৰাইজে

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ৭ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ অন্তৰ্গত পুৰণিগুদামৰ নতুন তিনিআলি তেলিয়াগাঁৰৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় পথৰ পৰা বকুলতল সংযোগী গড়কাপ্তানী বিভাগৰ পকী পথটো জৰাজীৰ্ণ অৱস্থা হোৱাত বৃহত্তৰ অঞ্চলসমূহৰ ৰাইজে জ্বলাকলা খাব লগাত পৰিছে। উল্লেখ্য যে নতুন তিনিআলি তেলিয়াগাঁও চাৰিলেনযুক্তৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বকুলতল সংযোগী উক্ত পকী পথটোৰেদি লতাবোৰা, গায়নচুক, পানীখোৱা চুক, বৰঙাতলি, হেমাৰবড়ী, হালোৱাগাঁও, বৰভেটি, সলিয়াভেটিকে ধৰি বিভিন্ন অঞ্চললৈ যোৱা গড়কাপ্তানী বিভাগৰ গ্ৰামাঞ্চলৰ উক্ত পকী পথটো বিগত বহুদিন ধৰি বিধ্বস্ত হৈ থকাৰ পাছতো গড়কাপ্তানী বিভাগে মেৰামতি বা পুনৰ নিৰ্মাণ কৰা নাই বুলি অভিযোগ উঠিছে। যাৰ ফলত পথটোত সৃষ্টি হোৱা পুখুৰী সদৃশ গাঁতত পৰি প্ৰায়েই বহুলোক দুৰ্ঘটনাত পতিত হৈ আঘাতপ্ৰাপ্ত হ'বলগীয়া হৈছে বুলি অভিযোগ উঠিছে। লগতে উক্ত অঞ্চলসমূহৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় বা মহাবিদ্যালয়লৈ যাবলৈ তথা ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী একমাত্ৰ পকী উক্ত বিধ্বস্ত পথটোৰেদি অহা-যোৱা কৰোতে জ্বলাকলা খাব লগাত পৰিছে। বকুলতল, বৰঙাতলি, ৰান্ধনীচুক, পানীখোৱাচুক লতাবোৰা আদিকে ধৰি বিভিন্ন অঞ্চললৈ ডাম্পাৰকে আদি কৰি বিভিন্ন গধুৰ যানবাহন নিতৌ পথটোৰেদি চলাচল কৰি থকাৰ বাবেই উক্ত পথটো বেছিকৈ জৰাজীৰ্ণ হৈ পৰিছে বুলি অভিযোগ উঠিছে। যাৰ ফলত পথটোত সৃষ্টি হোৱা দ দ গাঁতত পৰি নিতৌ সৰু-বৰ দুৰ্ঘটনাত পতিত হৈ আঘাতপ্ৰাপ্ত হ'বলগীয়া হৈছে পথটোৰে অহা-যোৱা কৰা শিশু-মহিলা, ছাত্ৰ-ছাত্ৰীসকলকে ধৰি বিভিন্নজন পথচাৰী। আনকি উক্ত পথটোৰ দুৰৱস্থাৰ বাবে জৰুৰীকালীন ৰোগীকো উক্ত অঞ্চলটোৰ পৰা চিকিৎসালয়লৈ নিবলৈ আহিবলৈ মন নকৰে এম্বুলেঞ্চ। এই ক্ষেত্ৰত স্থানীয় লোকে উক্ত পথটো মেৰামতি বা পুনৰ নিৰ্মাণ কৰিবলৈ চৰকাৰৰ লগতে গড়কাপ্তানী বিভাগৰ ওচৰত দাবী জনাইছে।

# অসম চাহ কৰ্মচাৰী সংঘৰ হীৰক জয়ন্তী

**ডুমডুমা, ৭ ছেপ্টেম্বৰ ঃ** অসম চাহ কৰ্মচাৰী সংঘই সুদীৰ্ঘ ৭৫ বছৰীয়া ইতিহাস সংলগ্ন হীৰক জয়ন্তী বৰ্ষ সংঘৰ সমগ্ৰ অসমতে থকা ২০ টা শাখাই কেন্দ্ৰীয় সংঘৰ নেতৃত্বত বৰ্ষজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই মৰ্মে অহা ১১ ছেপ্টেম্বৰ নলনী চাহ বাগিচাত পানীতোলা শাখাৰ উদ্যোগত ৰঙাগড়া আৰু নলনী প্ৰাথমিক গোটৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে হীৰক জয়ন্তী অনুষ্ঠিত হ'ব। ১৮ হেজাৰ সদস্য-সদস্যাৰ বৃহৎ ট্ৰেড ইউনিয়নটো দেশৰ প্ৰাক স্বাধীনত্তোৰ কালতে ১৯৪৭ৰ ন ফেব্ৰুৱাৰীত অসম চাহ কৰ্মচাৰী সংঘ নামেৰে স্থাপিত হৈছিল। কাৰ্যসূচী অনুসৰি সংঘৰ পতাকা উত্তোলন, প্ৰতিটো প্ৰাথমিক গোটৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ সোঁৱৰণীত বৃক্ষৰোপণ আৰু পুৱা ১০-৩০ বজাত হীৰক জয়ন্তীৰ সভা অনুষ্ঠিত হ'ব। সংঘৰ পানীতোলা শাখাৰ সভাপতি মণিৰাম গগৈৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সভাত চাহ কৰ্মচাৰী সংঘৰ সাধাৰণ সম্পাদক ঋষভ কলিতা মুখ্য অতিথি, চাবুৱা টাটা ৰেফাৰেল হাস্পতালৰ জ্যেষ্ঠ চিকিৎসক ডাঃ সৌৰভ বুঢ়াগোহাঁই নিৰ্দিষ্ট বক্তা আৰু বিশিষ্ট অতিথিৰূপে অসম চৰকাৰৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰী সঞ্জয় কিষাণ, চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱা, তিনিচুকীয়াৰ সহকাৰী শ্ৰম আয়ুক্ত ড° ভাস্কৰ মিলি, ভৱিষ্যনিধি আৰু বিত্তনিধি সংগঠনৰ সহকাৰী আয়ুক্ত এম হুছেইনসহ কৰ্মচাৰী সংঘৰ কে'বাজনো প্ৰাক্তন বিষয়ববীয়া উপস্থিত থাকিব বুলি সহকাৰী সম্পাদক অমৃত শৰ্মাই সদৰী কৰিছে।

# কামপুৰ ষ্টেট বেংক কৰ্তৃপক্ষৰ হেমাহিত গ্ৰাহকৰ বিলৈ

■ বেংক গ্ৰাহকক দিয়া নাই আধাৰ লিংকৰ সুবিধা ঃ বেংক কৰ্তৃপক্ষক কঠোৰ নিৰ্দেশ দিবলৈ গ্ৰাহকৰ কাতৰ অনুৰোধ মুখ্যমন্ত্ৰীক

**অগ্ৰদূত বাৰ্তা**

**কচুৱা, ৭ ছেপ্টেম্বৰ ঃ** কামপুৰ চহৰস্থিত ষ্টেট বেংক অৱ ইণ্ডিয়াৰ গ্ৰাহকসকলক বেংক কৰ্তপক্ষই বেংক একাউণ্ট নম্বৰৰ স'তে আধাৰ নম্বৰ লিংক নিদিয়াত গ্ৰাহকসকল হাৰাশাস্তিৰ সন্মুখীন হ'বলগা হৈছে। চৰকাৰে প্ৰত্যেকজন বেংক গ্ৰাহকক বেংক একাউণ্টৰ লিংক কৰাবলৈ বেংক কৰ্তৃপক্ষৰ ওচৰত গৈ চৰম হাৰাশাস্তিৰ লগতে প্ৰতাৰণাৰ বলি হৈছে। আধাৰ লিংক দিবলৈ হ'লে এখন প্ৰ-পত্ৰৰ উপৰি এখনকৈ কেৱাইচি প্ৰ-পত্ৰ পূৰণ কৰি গ্ৰাহকসকলৰ নথিপত্ৰসহ জমা দিব লাগে। পৰিতাপৰ বিষয় হ'ল গ্ৰাহকসকলে গৈ প্ৰ-পত্ৰ বিচৰাৰ পাছত বিগত তিনি-চাৰি মাহৰ পৰা বেংক কৰ্তৃপক্ষই 'আজি নহয় অমুক তাৰিখৰ পাছত আহক, অহা সপ্তাহত আহক, অহা সোমবাৰে আহক' এনেকৈ কৈ কৈ গ্ৰাহকসকলক চৰম হাৰাশাস্তি কৰি অহাৰ অভিযোগ উঠিছে। সুদূৰ ২০-৩০ কিলোমিটাৰ দূৰত্বৰ পৰা গাঁঠিৰ ধন খৰচ কৰি বেংকত গৈ উভতি আহিব লগা হৈছে গ্ৰাহকসকলে। উল্লেখ্য যে বহু দৰিদ্ৰ, বৃদ্ধ, বিধৱা লোকসকলে চৰকাৰৰ বিভিন্ন আঁচনিৰ ধন পাই আছে। বিশেষকৈ কৃষকসকলে 'পিএম কিষাণ সন্মান নিধি' আঁচনিৰ ধনো আধাৰ লিংক নিদিয়াকৈ বেংক একাউণ্টত নোসোমায়। সম্প্ৰতি সেই কৃষকসকলো আধাৰ লিংকৰ বাবে বেংকত গৈ তাঁত-বাটি কাঢ়িও আধাৰ লিংকৰ সুবিধা নাই। আধাৰ লিংকৰ বাবে গ'লেই বেংক কৰ্মচাৰীসকলে কটুবাক্য কোৱাৰ লগতে ইতিকিংসূচক বাক্যবাণ কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। বাতৰি লিখাৰ সময়লৈকে বেংক কৰ্তৃপক্ষই গ্ৰাহকক আধাৰ লিংকৰ সুবিধা নিদিয়াত গ্ৰাহকসকল ক্ষুব্ধ তথা বাৰুকৈ চিন্তিত হৈ পৰিছে। এফালে চৰকাৰৰ নিৰ্দেশ আনফালে বেংক কৰ্তৃপক্ষৰ দৌৰাত্ম্য। গ্ৰাহক ৰাইজে কি কৰিব কোনো উপায় বিচাৰি পোৱা নাই। তেওঁলোকৰ এই সমস্যা ক'বলৈ ঠাই পোৱা নাই। সেয়ে বেংক কৰ্তৃপক্ষক গ্ৰাহকৰ আধাৰ লিংক কৰিবলৈ কঠোৰ নিৰ্দেশ দিবলৈ ভুক্তভোগী ৰাইজে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কাতৰ অনুৰোধ জনাইছে।

# উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে জনজাতীয় স্বাধীনতা সংগ্ৰামীৰ তথ্যসমৃদ্ধ চিত্ৰ প্ৰদৰ্শন

## জনজাতীয় স্বাধীনতা সংগ্ৰামীৰ গ্ৰন্থ প্ৰকাশ কৰিব অসম কৃষি বিশ্ববিদ্যালয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৭ ছেপ্টেম্বৰ ঃ** অসমৰ বিভিন্ন জনজাতিৰ অখ্যাত স্বাধীনতা সংগ্ৰামীৰ বিষয়ে গৱেষণালব্ধ গ্ৰন্থ প্ৰকাশ কৰিব অসম কৃষি বিশ্ববিদ্যালয়ে। ইতিমধ্যে জনসমাজৰ মাজত পৰিচিত নোহোৱা এই লোকসকলৰ তথ্যৰ জৰিয়তে জনগোষ্ঠীটোৰ বিষয়ে সৰ্বস্তৰৰ জনসাধাৰণে জনাৰ লগতে জাতীয় চেতনাৰে উজ্জীৱিত কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। আজি যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত জনজাতি নায়কৰ যোগদান' শীৰ্ষক বিষয়ত অনুষ্ঠিত প্ৰদৰ্শনীৰ আৰম্ভণি অনুষ্ঠানত এই বিষয়ে প্ৰকাশ কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই। ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগৰ উদ্যোগত উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত প্ৰদৰ্শনীত ভাষণ দি উপাচাৰ্য ড° ডেকাই কয় যে স্বাধীনতা সংগ্ৰামী বুলিলে আমি আদ্যৰন্ত পৰিয়ালৰ সংগ্ৰামীসকলৰ বিষয়ে ঠিকেই জানো কিন্তু দেশৰ চুকে-কোণে পিছপৰা আৰু জনজাতিৰ স্বাধীনতা সংগ্ৰামীসকলৰ কথা বেছিভাগেই নাজানো। এইসকলৰ বিষয়ে আমি জনাটো আৰু আনকো জনোৱাটো আমাৰ দায়িত্ব। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগৰ নতুন দিল্লীৰ যুটীয়া সচিব কনথাং টৌথাঙে ভাষণত কয় যে জনজাতিসকলৰ অধিকাৰ ৰক্ষাৰ বাবে সাংবিধানিকভাৱে ব্যৱস্থা আছে। বাহ্যিক দায়বদ্ধতাৰে এইসকলে কেনেকৈ উন্নতি কৰিব এই বিষয়ত জনজাতি আয়োগে কাম কৰি আহিছে। ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগেও যি কোনো সময়তে বিভিন্ন নীতি আৰু কৰ্মসূচীৰে জনজাতিসকলৰ আৰ্থসামাজিক উন্নয়নৰ বাবে সচেষ্ট হৈ আহিছে। অসম কৃষি বিশ্ববিদ্যালয় আৰু ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত কাৰ্বি আংলং কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° সুবল মাইবঙচাই জনজাতিৰ লোকসকলৰ স্বাধীনতা সংগ্ৰামত অৱদানৰ ওপৰত বক্তব্য আগবঢ়ায়। কল্যাণ আশ্ৰম অসমৰ যুটীয়া সম্পাদক নিত্য ৰঞ্জন দলেই বক্তব্য ৰখা অনুষ্ঠানত জনজাতীয় স্বাধীনতা সংগ্ৰামীৰ বিষয়ৰ গৱেষক তথা লামডিং কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° বন্দিতা টেৰনপিয়ে দৃশ্য-শ্ৰাব্য উপস্থাপনেৰে পৰিচিত আৰু অখ্যাত স্বাধীনতা সংগ্ৰামীৰ বিষয়ত তথ্যসমৃদ্ধ ভাষণ আগবঢ়ায়। অনুষ্ঠানত ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগৰ এটা ভিডিঅ' প্ৰদৰ্শন কৰাৰ লগতে শিক্ষাৰ্থীসকলেও অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন কুমাৰ গোহাঁই, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠক, ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰাণা প্ৰতাপ ভূঞা, স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড০ অনুপ কুমাৰ দাস, সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড০ ৰঞ্জিত কুমাৰ সাউদ, সহযোগী গৱেষণা সঞ্চালক ড° মৃণাল শইকীয়াৰ লগতে বিশ্ববিদ্যালয়ৰ বিভাগীয় মুৰব্বীসকল, অধ্যাপকসকল, গৱেষক-বিজ্ঞানী আৰু শিক্ষাৰ্থীসকল উপস্থিত থাকে।

# বুঢ়ালিকচনত কৃষি বিজ্ঞানীৰ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ৭ ছেপ্টেম্বৰ ঃ** যোৰহাটৰ কৃষি মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উপলক্ষে বুঢ়ালিকচনস্থ কুঁহিয়াৰ গৱেষণা কেন্দ্ৰত যোৱা পাঁচ ছেপ্টেম্বৰত শিক্ষক দিৱসৰ লগত সংগতি ৰাখি কৃষি মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিজ্ঞানীসকলৰ সন্মানাৰ্থে আয়োজন কৰা গুৰু বন্দনাৰ অংশ হিচাপে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ নগাঁৱৰ চিলঙনিৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ পৰা প্ৰধান বিজ্ঞানী হিচাপে অৱসৰ গ্ৰহণ কৰা বৰ্তমান গোলাঘাট নিবাসী ড° পূৰ্ণেশ্বৰ শইকীয়াক কুঁহিয়াৰ গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী আৰু কৰ্মচাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত গামোচা, সম্বৰ্ধনা পত্ৰ প্ৰদান কৰি সন্মান জনোৱা হয়। কুঁহিয়াৰ গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° তুলসী প্ৰসাদ শইকীয়াই অনুষ্ঠানত আদৰণি ভাষণ দি কৃষি বিজ্ঞানী হিচাপে ড° পূৰ্ণেশ্বৰ শইকীয়াই আগবঢ়োৱা বৰঙণিৰ বিষয়ে কয়। কেন্দ্ৰটোৰ প্ৰধান বিজ্ঞানী ড° ধীমান দেৱ সিন্হা, ড° আশুতোষ ৰয়, ড° জ্যোতি গগৈয়ে সভাত ভাষণ দিয়ে। সম্বৰ্ধনাৰ উত্তৰত ড° পূৰ্ণেশ্বৰ শইকীয়াই তেওঁৰ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰে।

# কৃতী শিক্ষকৰ বঁটা বিজয়ী ডিম্বেশ্বৰ দাসক সম্বৰ্ধনা

**বঙাইগাঁও, ৭ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু বঙাইগাঁও জিলা শিক্ষা বিভাগৰ সহযোগত উদ্‌যাপিত ৬১ সংখ্যক শিক্ষক দিৱস উপলক্ষে জিলাখনৰ ১৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কৃতী শিক্ষকৰ বাবে সম্বৰ্ধনা প্ৰদান কৰা হয়। বঙাইগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠক, বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া জ্যোৎস্নাৰাণী বৰ্মন, বিশিষ্ট সাহিত্যিক, অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰ, বিধায়ক ফণীভূষণ চৌধুৰী, প্ৰদীপ সৰকাৰ আৰু আব্দুল বাতেন খণ্ডকাৰ উপস্থিত থকা সভাখনত কৃতী শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাতেই জ্ঞানচাকি হাইস্কুলৰ সহকাৰী শিক্ষক ডিম্বেশ্বৰ দাসক কৃতী শিক্ষকৰ বাবে সম্বৰ্ধনা প্ৰদান কৰাত বিদ্যালয়ৰ লগতে বিদ্বৎ মহলে সন্তোষ প্ৰকাশ কৰে। জিলা উপায়ুক্ত নৱদ্বীপ পাঠকৰ পৰা কৃতী শিক্ষক দাসে এই সম্বৰ্ধনা গ্ৰহণ কৰে।

# সাহিত্যিক কমলাকান্ত ডেকাক 'পথৰুঘাট সাহিত্য' বঁটা প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ৭ ছেপ্টেম্বৰ ঃ** ৬১ সংখ্যক শিক্ষক দিৱস উপলক্ষে গোষ্ঠীয়ে ২০ জন অৱসৰপ্ৰাপ্ত আৰু কৰ্মৰত শিক্ষকক সন্মান আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। 'সপোনৰ দৰে বাস্তৱ' (ঔপন্যাসিকা), 'কিতাপৰ সুগন্ধিৰে সুবাসিত হওক আপোনাৰ জীৱন, দুচকুত টল মল সপোনৰ শস্যমালা, (কবিতা), সতীশ ৰাভাৰ সাহিত্য কৃতি (আলোচনা), দৰঙৰ

*১৩ পৃষ্ঠাত চাওক*

# বৰাজোল-চেংনৈৰ দুই অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক আছুৰ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৭ ছেপ্টেম্বৰ ঃ** সদৌ নলবাৰী জিলাৰ ছাত্ৰ সন্থাই প্ৰতিবছৰে জিলাখনৰ দুগৰাকীকৈ অবৈতনিকভাৱে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰি অৱসৰ গ্ৰহণ কৰা কৃতী শিক্ষকক সম্বৰ্ধনা জ্ঞাপন কৰি আহিছে। এইবেলি ৬১ সংখ্যক 'শিক্ষক দিৱস'ত জিলাখনৰ দুগৰাকী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ক্ৰমে ক্ষুদ্ৰবিষ্টুপুৰ চেংনৈৰ নিৱাসী পৰিন চন্দ্ৰ কলিতা আৰু বৰাজোল ভিঠামহলৰ নিৱাসী আয়ুব আলীক পৃথকে পৃথকে ঘৰত গৈ ছাত্ৰ সন্থাৰ এটি সঁজাতী দলে মানপত্ৰ, চেলেং, স্মাৰক, ফুলাম জাপি আৰু ফুলাম গামোচাৰে 'গুৰু সম্বৰ্ধনা' জ্ঞাপন কৰে। উল্লেখ্য যে ক্ষুদ্ৰবিষ্টুপুৰ চেংনৈনিৱাসী কলিতা ১৯৯০ৰ পৰা ২০২১লৈ বিনা বেতনে জ্ঞানেন্দ্ৰ মল্ল বুজৰবৰুৱা হাইস্কুলৰ সহকাৰী শিক্ষক হিচাপে কাম কৰি অৱসৰ গ্ৰহণ কৰাৰ লগতে ঐতিহাসিক অসম আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল। একেদৰে বৰাজোল ভিঠামহল নিৱাসী কৃতী শিক্ষক আলী ১৯৮৮ৰ পৰা ২০২১লৈ বৰাজোল হাইমাদ্ৰাছা বিদ্যালয়ত বিনাবেতনে শিক্ষক হিচাপে কাম কৰি অৱসৰ গ্ৰহণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰিয়াজউদ্দিন আহমেদ, জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, সাধাৰণ সম্পাদক অক্ষয় ডেকা আৰু শিক্ষা সম্পাদক চন্দন বেজবৰুৱাৰ নেতৃত্বত যোৱা সঁজাতী দলটোৰে শিক্ষাগুৰুজনৰ আবেগ ভৰা চকুলো দেখি ব্যথিত হয়।

# নলবাৰীত দুদিনীয়াকৈ সদৌ অসম একাংক নাট প্ৰতিযোগিতা

## ৰামচৰণ ভৰালীলৈ ২০২২ৰ প্ৰজন্ম বঁটা

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৭ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ সাহিত্য-সাংস্কৃতিক-নাট্য সংগঠন প্ৰজন্মৰ উদ্যোগত অহা ১১ আৰু ১২ নবেম্বৰত দক্ষিণ বাটসৰত অনুষ্ঠিত হ'ব ষষ্ঠ বাৰ্ষিক সদৌ অসম একাংক নাট প্ৰতিযোগিতা। এই নাট প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি প্ৰতিবছৰে প্ৰদান কৰি আহিছে প্ৰজন্ম বঁটা। এইবেলি প্ৰজন্ম বঁটা প্ৰদান কৰা হ'ব নাগাৰা নামৰ বিশিষ্ট শিল্পী, নাগাৰা সূৰ্য ৰামচৰণ ভৰালীক। অহা ১১ নৱেম্বৰত প্ৰদান কৰা হ'ব এই বঁটা। এই বঁটাত থাকিব ফুলাম গামোচা, চেলেং চাদৰ, শৰাই, জাপি, সম্বৰ্ধনা পত্ৰ আৰু নগদ ধন। উল্লেখ্য যে বিগত সময়ত নাগাৰা নামৰ পাঠক অচ্যুত ডেকা, শিল্পী মহেন্দ্ৰ হাজৰিকা, ধনদা পাঠক, অভিনেত্ৰী চেতনা দাস, চিৰসেউজ কণ্ঠশিল্পী দ্বীপেন বৰুৱাক প্ৰদান কৰা হৈছে প্ৰজন্ম বঁটা। আজি ৰামচৰণ ভৰালীৰ বাসগৃহত উপস্থিত হয় প্ৰজন্মৰ সভাপতি দীপ শালৈ, কাৰ্যকৰী সভাপতি জুলু মহন্ত, সম্পাদক পাকিউৰ ৰহমান, সমন্বয়ক নিতু তালুকদাৰ, সদস্য লক্ষ্যধৰ ভাগবতী, জনাৰ্দন তালুকদাৰৰ লগতে নাট প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সম্পাদক দিগন্ত ভৰালীয়ে আনুষ্ঠানিকভাৱে নিমন্ত্ৰণ জনাই সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে ষষ্ঠ বাৰ্ষিক সদৌ অসম একাংক নাট প্ৰতিযোগিতা পৰিচালনা কৰাৰ বাবে লাচিত ডেকাক সভাপতি, এম মহিবৰ ৰহমানক কাৰ্যকৰী সভাপতি, দিগন্ত ভৰালীক সম্পাদক আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি নিৰেন বৈশ্য, কাৰ্যকৰী সভাপতি গৌতম বৈশ্য আৰু মনোজ ডেকা, দ্বীপজ্যোতি তালুকদাৰক সম্পাদকৰূপে এখন সমিতি গঠন কৰা হৈছে। উল্লেখ্য যে দুয়ো দিনৰ নাট প্ৰতিযোগিতাত অসম বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি আৰু ২৪ টা নাট্যদলে অংশগ্ৰহণ কৰিব বুলি জানিব দিয়ে পৰিচালনা সমিতিয়ে। নাট্যদলসমূহক ২৫ অক্টোবৰৰ আগত উল্লিখিত ফোন নম্বৰত ৮৬৩৮০১৩৩১৮ যোগাযোগ কৰিবলৈ প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সম্পাদক দিগন্ত ভৰালীয়ে আহ্বান জনাইছে।

# নলবাৰী মহাবিদ্যালয় আছু গোটৰ অসমীয়া ৰীতি-নীতিৰে শিক্ষক দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৭ ছেপ্টেম্বৰ ঃ** নলবাৰী মহাবিদ্যালয় আৰু গোটে কালি অসমীয়া ৰীতি-নীতিৰে শিক্ষক দিৱস পালন কৰে। নলবাৰী মহাবিদ্যালয় আছু গোটৰ সভাপতি চিণ্ময় গোস্বামী, সাধাৰণ সম্পাদক চিণ্ময় কলিতাৰ নেতৃত্বত আছু গোটৰ সমূহ বিষয়ববীয়াৰ সহযোগত অইনবাৰৰ দৰে এইবাৰও নলবাৰী কলেজত অসমীয়া ৰীতি-নীতিৰে বিশেষভাৱে শিক্ষক দিৱস উদ্‌যাপন কৰে। কালিৰ এই বিশেষ দিনটোত আছু গোটটোৱে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰী, উপাধ্যক্ষ দীপক কুমাৰ কলিতাৰ লগতে মহাবিদ্যালয়ৰ ১৮ টা বিভাগৰ প্ৰতিটো বিভাগতে অধ্যাপক-অধ্যাপিকাসকলক অসমীয়া পৰম্পৰাগত ৰীতি-নীতিৰে তামোল-পাণ আগ কৰি আঁঠু লৈ সেৱা জনাই লগতে মানপত্ৰ আৰু গছপুলিৰে সম্বৰ্ধনা আৰু শ্ৰদ্ধা জনায় আশীৰ্বাদ লয়। শিক্ষকবৃন্দই তেওঁলোকলৈ দিয়া শুভবাৰ্তা অতিকৈ অনুপ্ৰেৰণাদায়ক বুলি আছু গোটৰ সদস্যসকল প্ৰকাশ কৰে।

# শুৱালকুছিৰ একাধিক শিক্ষানুষ্ঠানত শিক্ষক দিৱস পালন



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৭ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে শুৱালকুছিৰো সকলোবোৰ শিক্ষানুষ্ঠানত শিক্ষক দিৱস পালন কৰে। শুৱালকুছি বালক মজলীয়া বিদ্যালয়ত শিক্ষক দিৱস উপলক্ষে এখন সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ শিক্ষক চতীন কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত শিক্ষক দিৱসত ছাত্ৰ-ছাত্ৰীসকলে কবিতা আবৃত্তি, গীত নৃত্য বিয়ানাম আদি পৰিৱেশন কৰে। শিক্ষক ৰত্ন কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানৰ মাজতে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগোৱাৰ বাবে শিক্ষয়িত্ৰী তৃষ্ণা ৰয়ৰ আধুনিক নৃত্য পৰিৱেশন সোণত সুৱগা চৰা'য়। অনুষ্ঠানৰ পূৰ্বে পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ পৱিত্ৰ স্মৃতিত বিদ্যালয়ৰ প্ৰধান পখিলা কাকতিৰ উপৰি শিক্ষ-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। আনহাতে, শুৱালকুছি অৰুণোদয় বিদ্যামন্দিৰতো ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক দিৱস উপলক্ষে বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। সেইদৰে কালিৰাম কাৰিকৰ হাইস্কুল, বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, শুৱালকুছি এঞ্জেলছ্ ইংলিছ স্কুল, জুনিয়ৰ কলেজ, শুৱালকুছি আদৰ্শ বিদ্যালয় গণেশ দাস হাইস্কুল, গম্ভীৰ মেধি প্ৰাথমিক বিদ্যালয়, সনাতন বালিকা বিদ্যালয়তো বিভিন্ন কাৰ্যক্ৰমণিকাৰে শিক্ষক দিৱস পালন কৰে।

# জামুগুৰিত কলাগুৰু চিত্ৰ কেন্দ্ৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৭ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ জামুগুৰি ছহিদ মনবৰ নাথ মজলীয়া বিদ্যালয়ত যোৱা চাৰি ছেপ্টেম্বৰত নতুনকৈ আত্মপ্ৰকাশ ঘটে 'কলাগুৰু চিত্ৰ কেন্দ্ৰ' নামৰ চিত্ৰাংকন বিদ্যালয়খনৰ। বিদ্যালয়খনৰ উদ্বোধন কৰে বেবেজীয়া প্ৰেছ ক্লাবৰ সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে। শিক্ষক দীপজ্যোতি নাথে উদ্দেশ্য ব্যাখ্যা কৰা আৰু বেবেজীয়া-ডিমৌ-বাংঠাই গাঁও পঞ্চায়তৰ সভাপতি দিগন্ত কুমাৰ নাথে পৌৰোহিত্যত কৰা অনুষ্ঠানত প্ৰবীণ অনাঁতাৰা শিল্পী, অৱসৰপ্ৰাপ্ত শিক্ষক গম্ভীৰ নাথে কলাগুৰু চিত্ৰ কেন্দ্ৰৰ জৰিয়তে সম্ভাৱনাপূৰ্ণ প্ৰতিভাসমূহে আত্মপ্ৰকাশ কৰাৰ সুবিধা পোৱাৰ লগতে সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনত এনে বিদ্যালয়ৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰে। শিক্ষক অনিল চন্দ্ৰ নাথ, সমাজকৰ্মী উৎপল বৰদলৈ, সত্য প্ৰসাদ নাথ, চম্পা দেৱী প্ৰমুখ্যে গুণী-জ্ঞানী লোকসকল উপস্থিত থকা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় কলাগুৰু চিত্ৰ কেন্দ্ৰৰ শিক্ষক দীপজ্যোতি নাথে।

# সাংবাদিক ৰঞ্জিত ৰাজবংশীলৈ 'যুৱ সাংবাদিকতা বঁটা ২০২২' ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ৭ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ 'গ্ৰাগ নিউজ' তথা 'দৈনিক জনমভূমি' কাকতৰ সাংবাদিক ৰঞ্জিত ৰাজবংশীলৈ সাংবাদিক পৰিষদ হোজাই জিলা শাখা সমিতিয়ে 'যুৱ সাংবাদিকতা বঁটা ২০২২' ঘোষণা কৰিছে। হোজাই জিলা সাংবাদিক পৰিষদৰ সভাপতি দীপক কুমাৰ দাস আৰু সম্পাদক কমল বেজবৰুৱাই এই কথা ঘোষণা কৰিছে। উল্লেখ্য যে অসমৰ বহুভাষিক নিউজ প'ৰ্টেল এনই লাইভ টুডে অহা ১১ ছেপ্টেম্বৰত ওদালগুৰি জিলাৰ খৈৰাবাৰী মহাবিদ্যালয়ত ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন কৰিব। উক্ত দিনা এই বঁটা প্ৰদান কৰিব বুলি সদৰী কৰিছে এনই লাইভ টুডে প'ৰ্টেলৰ মুখ্য সম্পাদক দ্বীপেন ডেকাই।

# ৰঙাপৰাৰ ঠাকুৰবাৰী চাহ বাগিচাত উলহ-মালহৰে কৰম পূজা উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ৭ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত ঠাকুৰবাৰী চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অসম চাহ মজদুৰ সংঘ তেজপুৰ শাখাৰ উদ্যোগত কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় চাহ জনগোষ্ঠীয় লোকসকলৰ প্ৰধান তথা কৃষিভিত্তিক উৎসৱ কৰম পূজা। অসম চাহ মজদুৰ সংঘ তেজপুৰ শাখাৰ উদ্যোগত আৰু ৰঙাপৰা অঞ্চলৰ অসম চাহ মজদুৰ সংঘৰ অন্তৰ্গত চেঁচা, বৰজুলি, ধুলাপাদুং, ঘইৰালী, নামগাঁও, মইনাজুলি, ঠাকুৰবাৰী আৰু ৰঙাপৰা চাহ বাগিচাৰ ৰাইজৰ সহযোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ঠাকুৰবাৰী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰ প্ৰাংগণত



অনুষ্ঠিত হয় প্ৰথম বাৰ্ষিক কৰম উৎসৱ। পুৱা পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি বিৰজু ওৰাঙে। কৰম ডালিৰ সাত গতনীৰ সহযোগত আদৰণি আৰু আকালু হাজাম, সুদৰ্শন জৰা, শিৱচৰণ পাইকে কৰম কাহিনী ব্যাখ্যা কৰে। উদ্‌যাপন সমিতিৰ সম্পাদক জনবস্ক' হৰয়ে অনুষ্ঠান উদ্বোধন কৰে আৰু আমন্ত্ৰিত অতিথিক সম্বৰ্ধনা জনায়। হাতিবাৰী চাহ বাগিচাৰ কল্যাণ বিষয়া উদয়ন চহৰীয়াই আখড়া মুকলি কৰে। তাৰ পাছত ঝুমুৰ নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। গডফ্ৰী নাগ, ৰত্নেশ্বৰ গোড়িয়া আৰু মীনা লহাৰ বিচাৰকৰ ভূমিকাত থকা ঝুমুৰ প্ৰতিযোগিতাত বৰজুলি চাহ বাগিচা দুই নম্বৰ লাইন প্ৰথম, ৰঙাপৰা চাহ বাগিচাৰ

*১৩ পৃষ্ঠাত চাওক*

# কচুৱাত সদ্যোজাত শিশুৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**কচুৱা, ৭ ছেপ্টেম্বৰ ঃ** কচুৱা আদৰ্শ চিকিৎসালয়ৰ অন্তৰ্গত এক নম্বৰ ফাকালিৰ শ্বফিকুল ইছলামৰ পত্নী মনোৱাৰা খাতুনৰ সদ্যোজাত শিশু চিকিৎসাধীন অৱস্থাত আজি জিএমচিএইছত অকাল মৃত্যু হোৱাত শোকৰ ছাঁ পৰে। মহিলাগৰাকীক প্ৰসৱজনিত কাৰণত এসপ্তাহ পূৰ্বে প্ৰথমে নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন কৰে। মহিলাগৰাকী উচ্চ ৰক্তচাপ আৰু মধুমেহ ৰোগত আক্ৰান্ত হোৱা বাবে সৰ্বস্থ সন্তানটোৰ অস্ত্ৰোপচাৰ কৰিবলৈ চিকিৎসক অসমৰ্থ হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। কালি মহিলাগৰাকীৰ শাৰীৰিক অৱস্থা অধিক জটিল হৈ পৰাত নিশা অস্ত্ৰোপচাৰ কৰি এটি মৃত ল'ৰা সন্তান কৰে।

# শিক্ষক দিৱসত তৃণমূল কংগ্ৰেছে জনালে অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষা খণ্ডৰ বিষয়াক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৭ ছেপ্টেম্বৰ ঃ** অসম তৃণমূল কংগ্ৰেছৰ কোকৰাঝাৰ জিলা সমিতিয়ে কালি শিক্ষক দিৱসৰ দিনটোত পৱিত্ৰ শিক্ষা বৃত্তিৰ লগত জড়িত থাকি অৱসৰ গ্ৰহণ কৰা শিক্ষক আৰু শিক্ষা খণ্ডৰ বিষয়াক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। তৃণমূল কংগ্ৰেছৰ কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি উত্তম কুমাৰ তালুকদাৰ আৰু প্ৰাক্তন মন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেতা ৰাজেন্দ্ৰ মুছাহাৰীৰ নেতৃত্বত তৃণমূল কংগ্ৰেছৰ এটি দলে অৱসৰপ্ৰাপ্ত শিক্ষক আৰু শিক্ষা খণ্ডৰ বিষয়াসকলৰ গৃহত গৈ সম্বৰ্ধনা জ্ঞাপন কৰে। অসম তৃণমূল কংগ্ৰেছৰ কোকৰাঝাৰ জিলা সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা অৱসৰপ্ৰাপ্ত ব্যক্তিসকল হ'ল ক্ৰমে কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সুৰথ নাৰ্জাৰী, প্ৰাথমিক শিক্ষা খণ্ডৰ অৱসৰপ্ৰাপ্ত বিষয়া অমৰ সিং ব্ৰহ্ম, গোসাঁইগাঁওস্থিত শিশু কল্যাণ শিক্ষা মন্দিৰ স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দীপাংকৰ সাহা, শ্ৰীৰামপুৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰবীন্দ্ৰ চন্দ্ৰপাল, প্ৰতাপখাতা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফজলুৰ ৰহমান, চন্দ্ৰপুৰ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্ৰাহাম হাছদাক সম্বৰ্ধনা জ্ঞাপন কৰে। তৃণমূল কংগ্ৰেছৰ কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি উত্তম কুমাৰ তালুকদাৰে কয় যে মমবাতিৰ দৰে জ্বলি জ্বলি শিক্ষাৰ পোহৰ বিলাই ছাত্ৰ-ছাত্ৰীক মানৱ সম্পদ ৰূপে গঢ় দিয়াৰ কামত ব্ৰতী থাকি অৱসৰ গ্ৰহণ কৰা গুৰুজন ব্যক্তিসকলৰ গৃহত উপস্থিত হৈ সম্বৰ্ধনা জ্ঞাপন কৰি গুৰুজন ব্যক্তিসকলৰ লগত মত বিনিময় কৰিব পাৰি আমি নথৈ আনন্দিত হোৱাৰ সুযোগ লাভ কৰিব পাৰিছো।

# বিশিষ্ট সমাজকৰ্মী-প্ৰাক্তন কাউন্সিলৰ মহিবুদ্দিন আহমেদৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ৭ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ দুমুনিচকী নিবাসী বিশিষ্ট সমাজকৰ্মী তথা দুমুনিচকী গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য (কাউন্সিলৰ) মহিবুদ্দিন আহমেদ (৮৫)ৰ আজি দুপৰীয়া নিজা বাসগৃহত বিয়োগ হয়। প্ৰায় এমাহৰ পৰা জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসা গ্ৰহণ কৰি আছিল যদিও আজি নিয়তিৰ ওচৰত হাৰ মানিলে আহমেদে। ২০০৭ত দুমুনিচকী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত অধিষ্ঠিত হোৱা আহমেদে সমান্তৰালভাৱে দুমুনিচকী, মাৰুৱাচকী, হেটামতোলা আদি গাঁৱৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, কন্যা, পুত্ৰ-বোৱাৰী, নাতি-নাতিনীৰ লগতে অনেক গুণমুগ্ধক ইহসংসাত এৰি যায়। আজি সন্ধিয়া অসংখ্য লোকৰ উপস্থিতিত আহমেদৰ জানাজা নামাজ সম্পন্ন হয়। সৰবৰহী লোকজনৰ মৃত্যুত স্থানীয়, দুমুনিচকী বৰনৈ প্ৰেছ ক্লাব, দৰং দুৱাৰ ক্লাব, দুমুনিচকী শাখা সাহিত্য সভাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

# লংকাত ৰেলৰ পৰা জব্দ নিষিদ্ধ ড্ৰাগছসহ তিনি সৰবৰাহকাৰী



**অগ্ৰদূত বাৰ্তা**
**লংকা, ৭ ছেপ্টেম্বৰ ঃ** লংকা ৰেল ষ্টেছনত নামনিমুৱা ৰঙীয়া এক্সপ্ৰেছ ৰেলৰ পৰা আৰক্ষীয়ে ড্ৰাগছসহ তিনি যুৱকক আটক কৰে। বিশেষ সূত্ৰৰ পমখেদি হোজাই অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নিৰ্দেশত লংকা আৰক্ষীয়ে নামনিমুৱা ৰঙিয়া এক্সপ্ৰেছ ৰেলত অভিযান চলাই ৰেলখনৰ পৰা আটক কৰে ক্ৰমে আছিকুল ইছলাম, মুজিবৰ ৰহমান, আজাৰুল ইছলাম নামৰ তিনি যুৱকক। তিনিজনৰ ঘৰ নগাঁৱৰ ধিং অঞ্চলত। তেওঁলোকৰ পৰা তিনিটা কন্টেইনাৰত ৬৫ গ্ৰাম ড্ৰাগছ জব্দ কৰে, ড্ৰাগছখিনিৰ আনুমানিক বজাৰ মূল্য প্ৰায় ছয় লাখ টকা হ'ব। তিনি সৰবৰাহকাৰীক লংকা আৰক্ষী থানাত ৰাখি আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# আল্লিয়াৰ অৰৰাত ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৭ ছেপ্টেম্বৰ ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত আল্লিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ অৰৰা শাখা ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন কৰা হয়। কালি এক নম্বৰ প্ৰাথমিক বিদ্যালয়ত অৰৰা শাখা ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন কৰাৰ উদ্দেশ্যে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে আল্লিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধৰ্মেশ্বৰ দাসে। সভাত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি কল্প ৰাজবংশী, সাংগঠনিক সম্পাদক মিলন দাস, আল্লিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা অৰ্জুন দাসে আছুৰ দৃষ্টিভংগী ব্যাখ্যা কৰে। উপদেষ্টা দাসে ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ লগতে আছুৰ নীতি-আদৰ্শ মানি আছুৰ মজিয়াত কাম কৰিবলৈ আহ্বান জনোৱাৰ লগতে গাঁও অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সামাজিক কাম কৰিবলৈ অনুৰোধ জনায়। সভাত উদ্ধৱ ৰাজবংশীক সভাপতি, ৰূপম ৰাজবংশীক সম্পাদক আৰু দীপামণি দেৱীক শিক্ষা সম্পাদক হিচাপে লৈ এখন ১৫ জনীয়া এখন সমিতি গঠন কৰা হয়। জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ৰাজবংশীয়ে নতুন সমিতিখনক শপত বাক্য পাঠ কৰায়।

# ডিফলু নদীত মহিলা সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**
**বোকাখাত, ৭ ছেপ্টেম্বৰ ঃ** বোকাখাত আৰক্ষী থানাৰ অধীনৰ ডিফলু চাহ বাগিচাৰ ডিফলু ওলমা দলঙৰ সমীপৰ ডিফলু নদীত আজি দুপৰীয়া ছয়গৰাকী মহিলা চাহ শ্ৰমিকে নদী পাৰ হওঁতে দুৰ্ভাগ্যজনকভাৱে এগৰাকী মহিলা দ' পানীত ডুবি সন্ধানহীন হয়। বাতৰি লিখা পৰ্যন্ত মহিলাগৰাকীক উদ্ধাৰ কৰিব পৰা নাই। একেলগে নদী পাৰ হওঁতে বাকীকেইগৰাকীক স্থানীয় লোকে উদ্ধাৰ কৰে যদিও ভাৰতী ভূমিজ নামৰ মহিলাগৰাকীৰ সন্ধান পোৱা নাই। আৰক্ষী আৰু এছডিআৰএফ বাহিনীয়ে তৎপৰতাৰে অভিযান চলাইছে যদিও কোনো সন্ধান পোৱা নাই। পাহাৰীয়া ডিফলু নদীখন বৰষুণ দিলেহে পানী বৃদ্ধি পায়।

# চৰম হতাশাত ৰাজ্যৰ কম্পিউটাৰ শিক্ষক

## ■ বছৰ বছৰ ধৰি শিক্ষকতা কৰাৰ পাছতো নিয়মীয়াকৰণ নহ'ল চাকৰি পাঁচমাহে দৰমহা নাই এলপায়াৰ্ছৰ অধীনৰ কম্পিউটাৰ শিক্ষকৰ

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যত ২০০৪ৰ পৰাই বিভিন্ন চৰকাৰী বিদ্যালয়ত ৰাজীৱ গান্ধী কম্পিউটাৰ লিটাৰেচী আঁচনিৰ অধীনত কৰ্মৰত কম্পিউটাৰ বিষয় শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ, নিম্নতম মজুৰি, অনিয়মীয়া দৰমহাৰে চৰম হতাশাত জীৱন অতিবাহিত কৰিব লগাত পৰিছে। এক বিবৃতিত কম্পিউটাৰ শিক্ষকসকলে তেওঁলোকৰ দুৰ্দশাৰ কথা উল্লেখ কৰি ৰাজ্যৰ বিদ্যালয়সমূহত কৰ্মৰত শিক্ষকসকলক অতি শীঘ্ৰেই নিযুক্তিৰ আহ্বান জনাইছে। উল্লেখ্য যে যি সময়ত সমগ্ৰ দেশতে ডিজিটেল ইণ্ডিয়া ৰূপায়ণৰ সপোন দেখা হৈছে, চৰকাৰী, বেচৰকাৰী কাৰ্যালয়, প্ৰতিষ্ঠানসমূহত কম্পিউটাৰ নজনা লোকক নিৰক্ষৰ বুলি কোৱা হৈছে তেনে সময়তে অসমত ২০০৪ৰ পৰা ৰূপায়িত কম্পিউটাৰ শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ নকৰি চৰকাৰে কম্পিউটাৰ শিক্ষকসকলৰ জীৱন অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছে। উল্লেখ্য যে ২০০৪তে ৰাজীৱ গান্ধী কম্পিউটাৰ সাক্ষৰতা মিছনৰ অধীনত বিদ্যালয়সমূহত ৩৫০০জন শিক্ষকক কোম্পানীৰ অধীনত পাঁচ বছৰৰ বাবে ঠিকাভিত্তিক নিযুক্তি প্ৰদান কৰিছিল। পৰৱৰ্তী সময়তো পাঁচ বছৰকৈ চুক্তিৰ নবীকৰণ কৰি ২০১৮ত ২৪৫২খন বিদ্যালয় বাছনি কৰি ডাঃ বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা অভিযানৰ অধীনত নতুন অৰ্হতা নিৰ্ধাৰণ কৰি পৰিচালনা সমিতিৰ জৰিয়তে ১৩৩৯জন শিক্ষকক নিযুক্তি দিয়ে। সেই সময়ত শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, অসমে বঞ্চিত শিক্ষকসকলক অৰ্হতা সম্পন্ন কৰাৰ পাছত নিযুক্তি দিয়া হ'ব বুলি মৌখিক প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। তাৰ মাজতে পুনৰ এলপায়াৰ্ছ প্ৰাইভেট লিমিটেডৰ অধীনত পাঁচশখন বিদ্যালয়ত পাঁচ বছৰৰ বাবে পাঁচশজন শিক্ষকক নিযুক্তি দিছিল। কিন্তু পৰিতাপৰ বিষয় যে এইসকল শিক্ষকে উক্ত কোম্পানীটোৰ পৰা নিয়মীয়াকৈ দৰমহা লাভ কৰা নাই। নিম্নতম দৰমহাৰে এইসকল শিক্ষকে ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰ শিক্ষা প্ৰদান কৰাৰ লগতে বহু বিদ্যালয়ত কম্পিউটাৰ বিজ্ঞানৰ ঐচ্ছিক বিষয়, বিদ্যালয়ৰ অন্যান্য বিষয়ত পাঠদান, পৰীক্ষাত সহযোগ, অনলাইনৰ সকলো কাম-কাজত সহায় কৰা, চৰকাৰী কামত সহযোগ কৰা আদিত দায়িত্ব পালন কৰি আহিছে। কিন্তু ইমানৰ পাছতো ৰাজ্যত বহু বছৰ ধৰি নিয়োজিত হৈ থকা কম্পিউটাৰ শিক্ষকসকলক চৰকাৰে চাকৰিৰ নিয়মীয়াকৰণ নকৰাত বহু শিক্ষকৰ বয়সেও ভাটী দিব ধৰিছে। এনে অনিশ্চয়তাৰ মাজত চৰম হতাশাত ভোগা কম্পিউটাৰ শিক্ষকসকলক অন্য চৰকাৰী শিক্ষকৰ দৰেই সমমৰ্যাদা দি চাকৰি নিয়মীয়াকৰণ কৰিবলৈ শিক্ষামন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কাতৰ অনুৰোধ জনাইছে।

# হোমিঅ'পেথিক চিকিৎসক সন্থাৰ সাধাৰণ সভা

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ৭ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলা পঞ্জীয়নভুক্ত হোমিঅ'পেথিক চিকিৎসক সন্থাৰ উদ্যোগত অহা ১১ ছেপ্টেম্বৰত দিনৰ দুই বজাত যোৰহাট প্ৰেছ ক্লাবত এখন সাধাৰণ সভাৰ অনুষ্ঠিত হ'ব। যোৰহাট জিলা ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বীৰ লাচিত সেনাক সন্মানীয় বিষয়ববীয়া তথা প্ৰাক্তন ছাত্ৰনেতা আৰু শুভাকাংক্ষীসকলৰ উপৰি অসমৰ প্ৰতিখন জিলাৰ হোমিঅ'পেথিক চিকিৎসকসকলে অংশগ্ৰহণ কৰিব লগা সভাত যোৰহাট জিলাৰ সমূহ হোমিঅ'পেথিক চিকিৎসক আৰু শুভাকাংক্ষী ৰাইজক উপস্থিত থাকিবলৈ সন্থাৰ সম্পাদক ডাঃ মনোমোহন গগৈয়ে আহ্বান জনাইছে।

# গোৱালপাৰা জিলা উন্নয়ন সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক

## ■ নৱ নিযুক্ত অভিভাৱক মন্ত্ৰীক আদৰিবলৈ সাজু জিলা প্ৰশাসন

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৭ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত আজি জিলা উন্নয়ন সমিতিৰ এখনি গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত পাৱাৰ পইন্ট প্ৰদৰ্শনৰ দ্বাৰা জিলাখনৰ প্ৰায় সংখ্যক বিভাগৰ কাম-কাজৰ বিষয়ে অৱগত কৰোৱা হয়। ইপিনে, স্বাস্থ্য, কৃষি, জনস্বাস্থ্য কাৰিকৰী, মীন, লোক নিৰ্মাণ পথ, লোক নিৰ্মাণ গৃহ, হস্ততাঁত আৰু বস্ত্ৰশিল্প, ৰেছম, উদ্যোগ, সমাজ কল্যাণ, জলসিঞ্চন, জলসম্পদ, এপিডিচিএল আদি বিভাগসমূহৰ মুৰব্বী বিষয়াসকলে প্ৰতিটো বিভাগৰ অধীনত চলি থকা কাম-কাজসমূহৰ অগ্ৰগতিৰ বিষয়ে বিৱৰণ দাঙি ধৰে। জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে নতুনকৈ নিযুক্তি পোৱা অশোক সিংঘালে অচিৰেই গোৱালপাৰা জিলা ভ্ৰমণলৈ আহিব বুলি অৱগত কৰি সকলো বিভাগকে সাজু হৈ থাকিবলৈ আহ্বান জনায় উপায়ুক্তই।

# অৰুণাচলত নিৰুদ্দিষ্টৰ পৰিয়ালক সাহায্য মুছলপুৰত মন্ত্ৰী গৰ্লোছা



**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ৭ ছেপ্টেম্বৰ ঃ** অসমৰ শক্তি, সমবায় আৰু অন্যান্য কে'বাটাও দপ্তৰৰ মন্ত্ৰী নন্দিতা গৰ্লোছা আজি বাগ্‌সা জিলাৰ মুছলপুৰলৈ আহে। জিলাখনৰ অভিভাৱক মন্ত্ৰী হিচাপে মন্ত্ৰীগৰাকীয়ে জিলা উপায়ুক্তৰ প্ৰেক্ষাগৃহত জিলা উপায়ুক্ত মাচান্দা পাটিনৰ উপস্থিতিত বিভিন্ন বিভাগৰ কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান লয়। এই সভাতে অৰুণাচলত নিৰুদ্দিষ্ট হৈ থকা বাগ্‌সাৰ ভকুৱামাৰীৰ ৰুস্তম আলী আৰু হিকমত আলীৰ পৰিয়ালক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ ক্ৰমে এক লাখকৈ চেক প্ৰদান কৰে।

# টাইপাৰ মাৰ্ঘেৰিটা মহকুমা সমিতিৰ উদ্যোগত বিক্ষোভ কাৰ্যসূচী



**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিটা, ৭ ছেপ্টেম্বৰ ঃ** 'বিজেপি মুৰ্দাবাদ ধ্বনি'ৰে আজি মাৰ্ঘেৰিটা উত্তাল কৰিলে তাই আহোম যুৱ পৰিষদ অসম (টাইপা)ই। মূল্যবৃদ্ধি ৰোধ, তাই আহোম জনগোষ্ঠীক অতি শীঘ্ৰে জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ বিপৰীতে গুৱাহাটীত আহোম জাতিক মুৰ্দাবাদ ধ্বনি দিয়া লোকক গ্ৰেপ্তাৰৰ দাবীৰে টাইপাই উত্তাল কৰে মাৰ্ঘেৰিটা। আজি দিনৰ ১২ বজাত মাৰ্ঘেৰিটা হিলভিউস্থিত ইক'পাৰ্কৰ সমীপত ৩১৫ নম্বৰ ঘাইপথত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰবিৰোধী বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে বিজেপিৰ প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকাৰ নেতৃত্বত গুৱাহাটীত অনুষ্ঠিত কংগ্ৰেছবিৰোধী এক প্ৰতিবাদী অনুষ্ঠানত বিজেপি নেতা-পালিনেতাই আহোম জাতি মুৰ্দাবাদ ধ্বনি দিয়া বুলি অভিযোগ উত্থাপন কৰি আজিকোপতি কিয় সেই মুৰ্দাবাদ ধ্বনি দিয়া লোকসকলক গ্ৰেপ্তাৰ কৰা নাই বুলি প্ৰশ্ন উত্থাপন কৰি অতি শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী তুলিছে টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বিজয় ৰাজকোঁৱৰে। লগতে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি ছশ বছৰ ৰাজ্য শাসন কৰা জাতিটো এতিয়া প্ৰতিখন চৰকাৰৰ পৰা প্ৰতাৰিত হোৱা বুলি অভিযোগ তুলি প্ৰায় ৪০ লাখ জনগোষ্ঠীয় লোকক একত্ৰিত কৰি এখন পৃথক আহোম ৰাজ্যৰ দাবী তুলিবলৈ বাধ্য হোৱা বুলিও চৰকাৰক সকীয়াই দিয়ে। ইপিনে, গুৱাহাটীত আহোম জাতি মুৰ্দাবাদ কোৱা তথাকথিত নেতা-পালিনেতাসকলক আজিও অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে বুলি উল্লেখ কৰি গৃহ বিভাগৰ দায়িত্বত থকা অসমৰ মুখ্যমন্ত্ৰী আৰু আৰক্ষী সঞ্চালক প্ৰধানক ব্যৰ্থতা স্বীকাৰ কৰি পদত্যাগৰ দাবী তুলিছে তাই আহোম যুৱ পৰিষদে। আনহাতে, চৰকাৰবিৰোধী কবিতা লিখা বুলি অভিযোগ তুলি ছাত্ৰীক গ্ৰেপ্তাৰ কৰা আৰক্ষী প্ৰশাসনক তীব্ৰ ভাষাৰে সমালোচনা কৰে কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ৰুদ্ৰসাগৰ বুঢ়াগোহাঁয়ে। লগতে টাইপাই উত্থাপন কৰা দাবীসমূহ বিজেপি চৰকাৰে অনতিপলমে সমাধান নকৰিলে অনাগত দিনত তীব্ৰ ৰূপত গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলিও বিক্ষোভ কাৰ্যসূচীস্থলীৰ পৰা সকীয়াই দিয়ে আৰু উদ্ভৱ হ'বলগীয়া যিকোনো পৰিস্থিতিৰ বাবে বিজেপি চৰকাৰেই জগৰীয়া হ'ব বুলি উল্লেখ কৰে।

# বৰঝাৰ বিমানকোঠত নীল আকাশৰ বাবে নিৰ্মল বায়ু আন্তৰ্জাতিক দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৭ ছেপ্টেম্বৰ ঃ** বিশ্বত সম্প্ৰতি বায়ু প্ৰদূষণ এক মাৰাত্মক ঘাতকত পৰিণত হৈছে। ৰাষ্ট্ৰসংঘৰ শেহতীয়া তথ্যৰে বিশ্বত বছৰি প্ৰায় সাত নিযুত লোকৰ বায়ু প্ৰদূষণৰ বাবে অকাল মৃত্যু হয়। আনকি পৰিস্থিতি এনে পৰ্যায় পাইছে যে বায়ু প্ৰদূষণৰ বাবে আজিৰ উঠি অহা নতুন প্ৰজন্মই নীল আকাশৰ মনোৰম দৃশ্য উপভোগ কৰাৰ পৰা বঞ্চিত হোৱাৰ লগতে নিৰ্মল বায়ু সেৱনৰ পৰাও বঞ্চিত হ'ব লগা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰসংঘই ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে সাত ছেপ্টেম্বৰৰ দিনটো 'নীল আকাশৰ বাবে নিৰ্মল বায়ু আন্তৰ্জাতিক দিৱস' উদ্‌যাপন কৰি আহিছে। দেশৰ আন আন বিমান কোঠৰ দৰে গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান কোঠৰ চৌহদৰ আঞ্চলিক প্ৰশিক্ষণ কেন্দ্ৰত বিমান কোঠৰ কৰ্তৃপক্ষৰ উদ্যোগত আৰু পিচিবিএৰ সহযোগত আজি 'নীল আকাশৰ নিৰ্মল বায়ু' আন্তৰ্জাতিক দিৱস উদ্‌যাপন কৰা হয়। আনহাতে, দিৱসৰ লগত সংগতি ৰাখি 'বায়ু আমাৰ উমৈহতীয়া সম্পদ' শীৰ্ষক এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। পিচিবিএৰ সদস্য সচিব ড° শান্তনু কুমাৰ দত্তৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা আলোচনাচক্ৰত অধ্যক্ষতা কৰে বৰঝাৰ বিমান কোঠৰ মুখ্য বিমানকোঠ বিষয়া উৎপল বৰুৱাই। আনহাতে, কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ পৰামৰ্শদাতা ড° জ্যোতিলিনা শইকীয়াই আঁত ধৰা আলোচনাচক্ৰত সমল ব্যক্তি হিচাপে আইআইটি, গুৱাহাটীৰ অধ্যাপক ড° এছ গোখলে, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত মেঘা নিধি দাহাল, পাৰিষদ অসীম শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট পৰিৱেশবিদ ড° কৃষ্ণ গোপাল ভট্টাচাৰ্য উপস্থিত থাকে। আনহাতে, আটাইকেইজন সমল ব্যক্তিয়ে তথ্য সহকাৰে প্ৰদূষিত বায়ু বিভিন্ন ৰোগ আৰু মৃত্যুৰ কাৰণ বুলি সদৰী কৰি কয় যে বায়ু প্ৰদূষণ ৰোধ কৰাটো সকলোৰে সমূহীয়া দায়িত্ব। বায়ু প্ৰদূষিত হ'ব পৰা কাৰ্যৰ পৰা বিৰত থাকি পৰিৱেশ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰিবলৈ সমল ব্যক্তিসকলে আহ্বান জনায়। আনহাতে, বৰঝাৰ বিমানকোঠ কৰ্তৃপক্ষ, বিমানকোঠৰ নিৰাপত্তাৰ দায়িত্বত থকা কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, বৰঝাৰ বিমানকোঠত সেৱা আগবঢ়াই থকা বিমান সেৱা প্ৰদানকাৰী সংস্থাসমূহৰ প্ৰতিনিধি, পিচিবিএ, এনচিএপিৰ প্ৰায় ১০০ জন প্ৰতিনিধিয়ে ভাগ লোৱা আলোচনাচক্ৰত শলাগৰ শৰাই আগবঢ়ায় পিচিবিএৰ নডেল বিষয়া মনোজ শইকীয়াই।

# ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শচীন দাসৰ দুৰাৰোগ্য ৰোগত মৃত্যু



**ছয়গাঁও, ৭ ছেপ্টেম্বৰ ঃ** ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বৰ্তমানৰ উপদেষ্টা শচীন দাসৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। অমায়িক স্বভাৱৰৰ ছাত্ৰ নেতাজনৰ মৃত্যুৰ বাতৰিয়ে সমগ্ৰ ছয়গাঁও অঞ্চলত শোকৰ ছাঁ পেলায়। দীৰ্ঘদিন ধৰি বৃক্কৰ উপৰি অন্য দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ থকা দাসৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰেই গুণমুগ্ধ লোকে ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয় প্ৰাংগণত ভিৰ কৰে। প্ৰাক্তন ছাত্ৰ নেতা দেৱজিৎ গোস্বামীৰ পৰিচালনাত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ব্যক্তি বিশেষে ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানে সমবেদনা জ্ঞাপন কৰি মৃতকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, ছাত্ৰ নেতা দাসৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰকে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, উপদেষ্টা প্ৰকাশ দাস, সভাপতি দিপাংক কুমাৰ নাথ, সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, সহকাৰী সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ দাসে শোক প্ৰস্তাৱ প্ৰেৰণ কৰে। উল্লেখ্য যে ছয়গাঁৱৰ মাজপাৰা নিবাসী বিমল দাস আৰু নিৰলা দাসৰ একমাত্ৰ পুত্ৰ দাসে পিতৃ-মাতৃৰ উপৰি একমাত্ৰ ভগ্নী আৰু বহু আত্মীয়ক ইহসংসাৰত এৰি যায়। ছাত্ৰ নেতা দাসৰ মৃত্যুৰ বাবে আজিৰে পৰা ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ লগতে দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থা আৰু পশ্চিম কামৰূপ ছাত্ৰ সন্থাই সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা তিনিদিনলৈ অৰ্ধনমিত কৰি ৰাখিব। শোক সভাৰ অন্তত শোভাযাত্ৰা কৰি ছয়গাঁৱৰ ঘাইপথেৰে দাসৰ মৃতদেহ লৈ তেওঁৰ বাসগৃহত উপস্থিত হয়।

# প্ৰাক্তন শিক্ষা বিষয়া দণ্ডিৰাম চহৰীয়াৰ মৃত্যুত শোক



**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ৭ ছেপ্টেম্বৰ ঃ** মঙলদৈ চহৰৰ ন নম্বৰ ৱাৰ্ডৰ নিবাসী, প্ৰাক্তন শিক্ষা বিষয়া দণ্ডিৰাম চহৰীয়া (৯২)ৰ বৰ্ধক্যজনিত কাৰণত কালি নিজা বাসগৃহত মৃত্যু হোৱাত শোকৰ ছাঁ পৰিছে। পশ্চিম ৰঙামাটি হাইস্কুলত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰি তদানীন্তন দৰং জিলাৰ বিভিন্ন বিদ্যালয়ত শিক্ষাদান কৰিছিল। পাছলৈ তেওঁ শিক্ষা বিভাগত সহকাৰী পৰিদৰ্শকৰূপে যোগদান কৰি ঢেকিয়াজুলি আৰু বিশ্বনাথ চাৰিআলিত সেৱা আগবঢ়াইছিল। ১৯৯২ত বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰূপে অৱসৰ গ্ৰহণৰ পূৰ্বে তেওঁ গোলাঘাট, নলবাৰী আৰু দৰং জিলাতো সেৱা আগবঢ়াইছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ আৰু দুই কন্যাৰ লগতে এটা ভৰপূৰ পৰিয়ালক ইহসংসাৰত এৰি যায়।

# গোৱালপাৰাৰ গজাপাৰাত অবৈধ কাঠফলা কল উৎখাত

## ■ ফলা বাটামসহ অৰ্ধ লক্ষাধিক টকা মূল্যৰ কাঠ জব্দ



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৭ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা বনাঞ্চলিক বিষয়াই কালি গৰৈমাৰীৰ চুটকীৰ পৰা লক্ষাধিক টকা মূল্যৰ কাঠসহ অবৈধ কাঠফলা কল এটা জব্দ কৰি অনাৰ পাছত আজি আকৌ গজাপাৰাৰ পৰা এটা অবৈধ কাঠফলা কল উৎখাত কৰে। লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ সীমান্তৱৰ্তী অঞ্চল গজাপাৰাত অবৈধভাৱে চলি থকা কাঠফলা কলটোৰ সম্পূৰ্ণ যন্ত্ৰাংশৰ লগতে কলটোত ফালিবলৈ মজুত ৰখা তথা ফলা বাটামসহ প্ৰায় অৰ্ধ লক্ষাধিক টকা মূল্যৰ কাঠ জব্দ কৰি নিজৰ কাৰ্যালয়লৈ আনে। উল্লেখ্য যে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ ছত্ৰছায়াত অসাধু চক্ৰই জিলাখনৰ বিভিন্ন ঠাইত অবৈধ কাঠফলা কল স্থাপন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। ইপিনে, বন বিভাগে অভিযান চলাই মাজে-সময়ে দুই-এটা কাঠ ফলা কল উৎখাত কৰে যদিও পাছত একে ঠাইতে পুনৰ কাঠফলা কল স্থাপন কৰাটো এক পৰম্পৰাত পৰিণত হৈছে। অৱশ্যে অবৈধ কাঠফলা কলৰ মালিক পক্ষৰ পৰা খণ্ড বন বিষয়াৰ পৰা আৰম্ভ কৰি শীৰ্ষ বিষয়াই মাহিলি হিচাপে কমিছন আদায় কৰি থকা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# ৰঙাপৰাৰ ঠাকুৰবাৰী চাহ বাগিচাত

*১২ পৃষ্ঠাৰ পৰা* ৰূপাজুলি লাইন দ্বিতীয় আৰু চেঁচা চাহ বাগিচাৰ পানবাৰী লাইনৰ ঝুমুৰ দলে তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। সন্ধিয়া জনপ্ৰিয় সংগীত শিল্পী ৰামানিউজ বাগৰ সাংস্কৃতিক অনুষ্ঠান আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। অসম চাহ মজদুৰ সংঘ তেজপুৰ শাখাৰ ভাৰপ্ৰাপ্ত সম্পাদক সুনিল টুটী, গাণনিক গজেন শইকীয়া, ৰঙাপৰা প্ৰেছ ক্লাবৰ উপ-সভাপতি চাহিন আহমেদ, সহকাৰী সম্পাদক ছাহজাহান কুৰেশ্বি, ৰঙাপৰা মণ্ডল বিজেপিৰ সভাপতি দীপক তেলী, চাহ জনগোষ্ঠী সাহিত্য সভা অসমৰ সভানেত্ৰী মনোমতী কুৰ্মী, বৰজুলি জিলা পৰিষদৰ সদস্যা ৰাধা ধানোৱাৰ, ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী মীৰা পানিকা, নামনি গাঁও পঞ্চায়তৰ সভাপতি মাথিয়াছ মুণ্ডা, উদ্‌যাপন সমিতিৰ উপ-সভাপতি দিলিপ তাঁতী, উপ-সভাপতি বিজয় কৰুৱা, সহকাৰী সম্পাদক অমেৰিকা তাঁতী আৰু যুটীয়া সম্পাদক ৰয়ানু লহাৰ, প্ৰাক্তন ছাত্ৰ নেতা অজয় তাঁতী, বিজয় ভেংৰা, আঞ্চলিক পঞ্চায়তৰ সদস্যা গৌৰী কাণ্ডুলনা প্ৰমুখ্যে বহুকেইজনে অংশগ্ৰহণ কৰে। সন্ধিয়া কৰম ডালি বিসৰ্জনৰে কৰম উৎসৱৰ সামৰণি পৰে।

# সাহিত্যিক কমলাকান্ত ডেকাক 'পথৰুঘাট

*১২ পৃষ্ঠাৰ পৰা* ঐতিহ্য ক্ষেত্ৰ ঃ পথৰুঘাট আৰু খটৰা সত্ৰ (আলোচনা)' আদি গ্ৰন্থৰ লেখক, দৰং জিলাৰ বিশিষ্ট সাহিত্যিক কমলাকান্ত ডেকাক অনুষ্ঠানত পথৰুঘাট সাহিত্য বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে ডেকা সম্পাদিত গ্ৰন্থ সম্ভাৰ ক্ৰমে 'ইতিহাসে গৰকা পথৰুঘাট, অসমৰ সত্ৰ সংস্কৃতি আৰু খটৰা সত্ৰ, ঊনবিংশ শতিকাৰ অসমৰ কৃষক বিদ্ৰোহ, শ্ৰীমন্ত শংকৰদেৱ ঃ সমাজ আৰু সংস্কৃতি, শতাব্দী স্মৰণ, খটৰা সত্ৰ সাংস্কৃতিক ঐতিহ্য আদি অন্যতম গৱেষণাধৰ্মী গ্ৰন্থ। দৰং জিলাৰ অগ্ৰণী স্বেচ্ছাসেৱী সামাজিক-সাংস্কৃতিক অনুষ্ঠান পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটে বিগত দুটা বৰ্ষত ২০ জনকৈ কৃতী শিক্ষকক ক্ৰমে সন্মান আৰু সম্বৰ্ধনা জনোৱাৰ দৰে এইবেলিও পথৰুঘাট কৃষক ছহিদ বাকৰিত জিলাখনৰ ২০ জন কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকক ক্ৰমে সন্মান আৰু সম্বৰ্ধনা জনোৱাৰ লগতে উক্ত অনুষ্ঠানতে 'পথৰুঘাট সাহিত্য বঁটা ২০১৭-২২' এইবাৰ প্ৰথমবাৰৰ বাবে পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৃতী শিক্ষক, নান্দনিক সাহিত্য চ'ৰা, পথৰুঘাটৰ সম্পাদক তথা বিশিষ্ট সাহিত্যিক আৰু সাহিত্য সংগঠক ডেকাক প্ৰদান কৰে। পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ সম্পাদক মোস্তাক হুছেইনে আঁত ধৰা অনুষ্ঠানত ৰাধাকৃষ্ণণৰ আলোকচিত্ৰৰ সন্মুখত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক শশাংক হাজৰিকাই বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। গোষ্ঠীৰ সভাপতি দিবাকৰ বৰুৱাই সভাপতিত্ব কৰা অনুষ্ঠান উদ্বোধন কৰে সাংস্কৃতিক সংগঠক তৰুণ আজাদ ডেকাই। নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় পদ্মশ্ৰী সন্মানেৰে সন্মানিত ড° সূৰ্য হাজৰিকাই। 'পথৰুঘাট সাহিত্য বঁটা ঃ ২০১৭-২২' প্ৰাপক বিশিষ্ট সাহিত্যিক ডেকাৰ বিষয়ে আলোকপাত আগবঢ়ায় ড° দুলাল হাজৰিকাই। বঁটা প্ৰদান অনুষ্ঠান সাহিত্যিক অখিল ৰঞ্জন ভট্টই আঁত ধৰে। বঁটা প্ৰাপক ডেকাক পথৰুঘাট সাহিত্য বঁটা ঃ ২০১৭-২২ আগবঢ়ায় এখন ফুলাম গামোচা, চেলেং, জাপি, স্মাৰক, প্ৰশস্তি পত্ৰ, শৰাই, গ্ৰন্থৰ টোপোলা, গছৰ পুলি আৰু নগদ ধন। বঁটা প্ৰাপক ডেকাই নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে বক্তব্য প্ৰদান কৰে। জিলাখনৰ ২০জন কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত শিক্ষকক ক্ৰমে সন্মান আৰু সম্বৰ্ধনা জ্ঞাপন কৰা প্ৰতিগৰাকী শিক্ষকক ফুলাম গামোচা, প্ৰশস্তি পত্ৰ, স্মাৰক, গ্ৰন্থৰ টোপোলা আৰু এটা গছৰ পুলি প্ৰদান কৰে।

# নুমলীগড়ত চতুৰ্থ শ্ৰেণীৰ ছাত্ৰৰ কৰ্মৰাজিয়ে জয় কৰিছে মানুহৰ হৃদয়

## ■ জন্মদিনো উদ্‌যাপন কৰিলে ব্যতিক্ৰমী ৰূপত

**অগ্ৰদূত বাৰ্তা**
**নুমলীগড়, ৭ ছেপ্টেম্বৰ ঃ** 'দেউতা, এইবাৰ মোৰ জন্মদিন নাপাতো'— এইদৰে কৈ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ অভ্ৰনীল কাকতিয়ে ব্যতিক্ৰমী চিন্তা আৰু কৰ্মৰে নুমলীগড়ৰ ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। গোলাঘাট জিলাৰ নুমলীগড়ৰ দুই নম্বৰ পংকাগ্ৰান্ট নিবাসী অভ্ৰনীল কাকতিৰ আজি আছিল জন্মদিন। যি সময়ত মানুহে পৰিৱেশ সম্পৰ্কীয় সজাগতা সৃষ্টিৰ কৰ্মশালা তথা বাধ্যতামূলক পাঠৰ ব্যৱস্থা কৰিব লগা অৱস্থা হৈছে। পৰিৱেশক লৈ বহু সজাগতা মূলক কাৰ্যসূচী ল'ব লগা হৈছে। কেন্দ্ৰীয় চৰকাৰে লোৱা স্বচ্ছ ভাৰত অভিযানো ফুটুকাৰ ফেনত পৰিণত হোৱা দেখা গৈছে। তেনে সময়তে মাত্ৰ ১০ বছৰত ভৰি দিয়া অভ্ৰনীল কাকতিয়ে পিতৃক 'তেওঁৰ জন্মদিন পাতিব নালাগে' বুলি কৈ স্থানীয় বিদ্যালয় তথা ওচৰৰ এলেকাত স্বচ্ছতা অনাৰ আজি এক আঁচনি প্ৰস্তুত কৰে। প্ৰতিজন পিতৃ হৃদয়েই বিচাৰে সন্তান ভাল হোৱাটো; চিন্তাৰ পৰিসৰ বহল হোৱাটো। আঁচনি সম্পৰ্কে পিতৃক অভ্ৰনীলে বুজালে যে



স্থানীয় অঞ্চলটোত য'তে ত'তে কাগজৰ টুকুৰা, প্লাষ্টিককে আদি কৰি পেলনীয়া সামগ্ৰীৰে বিদ্যালয়ৰ চৌহদ, গাঁৱৰ পথকে আদি কৰি এক লেতেৰাযুক্ত পৰিৱেশ হৈ থাকে। যদি গাঁৱৰ পথত তথা বিদ্যালয় চৌহদত একোটা 'ডাষ্টবীন'ৰ যোগাৰ কৰি দিব পৰা যায়; তেন্তে নিশ্চিতভাৱেই মানুহে য'তে ত'তে এই সমূহ পেলনীয়া বস্তু নেপেলায় বুলিও উল্লেখ কৰে অভ্ৰনীলে। ইয়াৰ পাছতে পিতৃয়ে এতিয়া কি কৰিব লাগিব বুলি সোধাত পুনৰ অভ্ৰনীলে 'ডাষ্টবীন' স্থাপন কৰিব বিচাৰে বুলি প্ৰকাশ কৰে। লগতে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ গৰাকীয়ে জন্মদিন পাতি টকা খৰচ কৰাতকৈ সেই টকাৰে কেইটামান তেলৰ টিং আৰু প্ৰয়োজনীয় বাঁহৰ যোগাৰ দিবলৈ পিতৃক অনুৰোধ জনালে আৰু ভবা মতেই বস্তু কেইপদ পোৱাৰ পাছত আজি পুৱাই শুই উঠি অভ্ৰনীল লাগি পৰিল নিজৰ কামত। টিঙত নিজেই ৰং সানি 'ইউজ মি' বুলি লিখিলে। ইয়াৰ পাছতে ছাত্ৰজনে নিজেই কল্পনা কৰা অনুসৰিয়ে বিদ্যালয়ৰ চৌহদ তথা পথৰ দাঁতিত গাঁওখনৰ আশে পাশে স্থাপন কৰি আহে। আজি পুৱাৰ ভাগত এই খবৰ অঞ্চলজুৰি বিয়পি পৰাৰ পাছতে কণমানি অভ্ৰনীলৰ এই পদক্ষেপৰ বিভিন্ন মহলে শলাগ লৈছে।

# গৌৰীসাগৰৰ জৰাজীৰ্ণ মিটিং দলঙৰ পৰা পিছলি পৰি যুৱক সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ৭ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত গৌৰীসাগৰ তিনিআলিৰ সমীপৰ ব্ৰিট্ৰিছ আমোলত নিৰ্মিত মিটিং নদীৰ দলঙৰ পৰা আজি পুৱা পিছলি পৰি এজন যুৱক সন্ধানহীন হয়। তথ্য মতে, মিটিং নদীৰ কাষৰ প্ৰয়াত গুণ ৰবিদাসৰ পুত্ৰ বাবলু ৰবিদাস (২০)এ আজি পুৱা মিটিং নদীৰ ওপৰত থকা পুৰণি লোহাৰ দলঙেদি পাৰ হওঁতে দলংখনত থকা বৃহদাকাৰ ফুটাৰে বাঢ়নী পানীত পৰি যায়। যুৱকজন পিছলি পৰি যোৱা প্ৰত্যক্ষ কৰি স্থানীয় একাংশ লোকে বিচাৰ-খোচাৰ কৰে যদিও তেওঁক উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। পাছত গৌৰীসাগৰ আৰক্ষীৰ সহযোগত শিৱসাগৰ সদৰৰ এছডিআৰএফে নদীখনত সন্ধান কৰি বাতৰি লিখাৰ পৰলৈকে কোনো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। নদীখনৰ পানী প্ৰায় অভাৱনীয়ভাৱে বৃদ্ধি হৈ থকাত যুৱকজনৰ সন্ধান কৰাত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছে। দলংখনৰ সোঁমাজতে থকা কে'বাটাও বৃহৎ বৃহৎ ফুটাৰ বাবে এই ঘটনা সংঘটিত হোৱা বুলি ৰাইজে সন্দেহ কৰিছে। গড়াকাপ্টানী বিভাগৰ এই পৰিত্যক্ত লোহাৰ দলংখন দীৰ্ঘদিন মেৰামতিৰ অভাৱত জহি-খহি গৈছে। অথচ বিভাগটোৱে দলংখন সম্পূৰ্ণৰূপে ভাঙি নেপেলাই এইদৰে পেলাই থোৱাত ইয়াৰ পূৰ্বেও কে'বাটাও দুৰ্ঘটনা সংঘটিত হ'ব লগা হৈছিল।

# প্ৰাক্তন সাংবাদিক অবিনাশ ৰাজখোৱাৰ বিয়োগ

## দান দি গ'ল দেহ-দুচকু



**নামৰূপ, ৭ ছেপ্টেম্বৰ ঃ** নামৰূপৰ প্ৰাক্তন সাংবাদিক অবিনাশ ৰাজখোৱাৰ আজি পুৱা অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। দৈনিক জনসাধাৰণ' কাকতৰ নামৰূপৰ সাংবাদিকৰূপে কাৰ্যনিৰ্বাহক কৰা ৰাজখোৱা বিগত এটা দশক যকৃত ৰোগত আক্ৰান্ত হৈ আছিল। নামৰূপৰ সমাজ জীৱনৰ স'তে সংপৃক্ত হৈ ৰাজখোৱাই বিভিন্ন সময়ত নামৰূপ সামাজিক, বৌদ্ধিক, আৰ্থ-সামাজিক দিশত বলিষ্ঠ ভূমিকা পালন কৰিছিল। ৰাজখোৱা নামৰূপ সাংবাদিক মঞ্চৰো এজন অন্যতম সদস্য আছিল। মৃত্যুৰ পূৰ্বে ৰাজখোৱাই নিজৰ দেহ আৰু নেত্ৰ দান কৰি মানৱতাৰ এক গভীৰ নিদৰ্শন দেখুৱাই থৈ গৈছে। ৰাজখোৱাৰ মৃত্যুত নাহৰকটীয়া প্ৰেছ গ্ৰীল্ড, নামৰূপ সাহিত্য সভা, নামৰূপস্থ বিভিন্ন দল-সংগঠন, সমাজ সেৱক ৰঞ্জিত বৰুৱা প্ৰমুখ্যে বিভিন্নজনে শোক প্ৰকাশ কৰে।

# লংকাত পথ দুৰ্ঘটনাত মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**লংকা, ৭ ছেপ্টেম্বৰ ঃ** লংকা-নগাঁও পথৰ লংকা চহৰৰ মাজমজিয়াত ডাকঘৰৰ সন্মুখতে জৰাজীৰ্ণ পথৰ বাবে ট্ৰাকৰ চেপাত মৃত্যু হয় এগৰাকী মহিলাৰ। লংকা বজাৰলৈ অহা মুদৈয়নী গাঁৱৰ জুনু বৰা আজি দিনৰ ১০.৩০ বজাত লংকা বজাৰৰ লংকা নগাঁও পথৰে যোৱা অৱস্থাত এএছ-০১ জিচি-৬৯৯০ নম্বৰৰ ট্ৰাকৰ চেপাত গুৰুতৰভাৱে আহত হোৱাৰ পাছত মহিলাগৰাকীক লংকা প্ৰাথমিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও চিকিৎসালয়তেই মহিলাগৰাকীৰ মৃত্যু হয়। লংকা বজাৰৰ সন্মুখত পথৰ দুৰৱস্থাৰ বাবেই এনে মৰ্মান্তিক ঘটনাটো সংঘটিত হ'ল বুলি ৰাইজে অভিযোগ তুলিছে। দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছত উত্তেজিত ৰাইজে লংকা-নগাঁও পথ লংকা বজাৰৰ সন্মুখত অৱৰোধ কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আনহাতে, আকৌ দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখনক আৰক্ষীয়ে জব্দ কৰাৰ লগতে চালকজনক ইতিমধ্যে আটক কৰিছে। মহিলাগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে।

# দৈয়াঙৰ গোবিনপুৰত পানীত পৰি বৃদ্ধৰ সলিল সমাধি

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ৭ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ দৈয়াং অঞ্চলৰ গোবিনপুৰ গাঁৱত কালি এজন বৃদ্ধৰ এটা দ পুখুৰীৰ পানীত পৰি মৃত্যু হয়। প্ৰাপ্ত তথ্য মতে, গোবিনপুৰ গাঁৱৰ বাসিন্দা খগেন দত্ত (৭৫) নামৰ লোকজনে নিজৰ গাঁৱৰে এজন বন্ধুৰ ঘৰলৈ ফুৰিবলৈ যায়। গাঁওখনৰ এজন ঘনিষ্ঠ যুৱকে দত্তক হেভি ডিউটি মটৰ চাইকেলৰে ঘৰত থ'বলৈ আনি থকা অৱস্থাত মটৰ চাইকেলখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত বাঁহৰ জেওৰাৰে সংৰক্ষণ কৰি থোৱা এটা পুখুৰীত সোমাই পৰে। ইয়াৰ ফলত মটৰ চাইকেলত বহি যোৱা দত্তক জেওৰা খুঁটিয়ে মুখ আৰু মূৰত গুৰুতৰভাৱে আঘাত কৰে আৰু দ পুখুৰীটোৰ পানীত বাগৰি পৰে। মটৰ চাইকেল চালকজন কথমপি ৰক্ষা পৰে। উল্লেখ্য যে স্থানীয় ৰাইজে ঘটনাটো জানিব পাৰি গুৰুতৰভাৱে আহত লোকজনক ১০৮ সেৱাৰ সহায়েৰে গোলাঘাটৰ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। কিন্তু চিকিৎসালয়তে তেওঁৰ মৃত্যু হয়।

# টুম্প্ৰেঙত ভয়ংকৰ অগ্নিকাণ্ডত ভস্মীভূত হ'ল ছখন দোকান



## শ্ব'ৰ্ট চাৰ্কিটৰ আশংকা

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ৭ ছেপ্টেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ টুম্প্ৰেঙত বজাৰত সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। আজি পুৱতি নিশা প্ৰায় ৩-৩০ বজাত সংঘটিত হয় এই অগ্নিকাণ্ড। অগ্নিকাণ্ডত ছখনকৈ দোকান সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিকাণ্ডত অনুমানিক ১৫ লাখ মূল্যৰ সা-সামগ্ৰীৰ ক্ষতিসাধন হয়। ইপিনে, অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই যদিও নিশাৰ ভাগত বৈদ্যুতিক শ্ব'ৰ্ট চাৰ্কিটৰ ফলতেই এই অগ্নিকাণ্ড সংঘটিত হোৱাৰ ধাৰণা কৰা হৈছে।

# নগাঁৱত এজন লোক সন্ধানহীন

বিশেষ সংবাদদাতা

**নগাঁও, ৭ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ ১১ নম্বৰ মহলাৰ ৰামকৃষ্ণ পথৰ গোপাল দেৱ ব্ৰহ্মচাৰী (৪৫) নামৰ লোকজন আজি তিনিদিন ধৰি সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে জনোৱা মতে, পাঁচ ছেপ্টেম্বৰৰ দুপৰীয়া ঘৰৰ পৰা ওলাই যোৱাৰ পাছৰে পৰা লোকজন সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰিও লোকজনৰ সন্ধান পোৱা নাই। ইতিমধ্যে পৰিয়ালৰ লোকে এই সন্দৰ্ভত নগাঁও সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে লোকজনৰ সন্ধানহীন হোৱা সম্পৰ্কে অনুসন্ধান অব্যাহত ৰাখিছে। লোকজনৰ সন্ধান পালে ৬০০৩১৪২০৭০ এই নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।

# চিকিৎসালয় মৰ্গত কিশোৰৰ মৃতদেহ

বিশেষ সংবাদদাতা

**নগাঁও, ৭ ছেপ্টেম্বৰ ঃ** ৰেলৰ খুন্দাত মৃত্যু হোৱা এজন কিশোৰৰ মৃতদেহ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ মৰ্গত আজি চাৰিদিন ধৰি পৰি আছে। উল্লেখ্য যে তিনি ছেপ্টেম্বৰৰ সন্ধিয়া প্ৰায় ছয় বজাত নগাঁও চহৰৰ সমীপৰ শিয়ালমাৰীত শিলঘাট-ধুবুৰী যাত্ৰীবাহী ৰেল গাড়ীখনৰ খুন্দাত এজন প্ৰায় ১৫-১৬ বছৰীয়া কিশোৰ মৃত্যু হয়। সেইদিনা ধৰি যুৱকজনৰ মৃতদেহ চিকিৎসালয়খনৰ মৰ্গত পৰি আছে। বৰ্তমানলৈকে যুৱকজনৰ পৰিচয় লাভ কৰিব পৰা হোৱা নাই।

# অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত বিষয়া বীৰেন হাজৰিকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৭ ছেপ্টেম্বৰ ঃ** চাৰিং অঞ্চলৰ হাফলুটিং গড়কাষৰীয়া গাঁৱৰ নিবাসী তথা তেল আৰু প্ৰাকৃতিক গেছ নিগম চমুকৈ অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বীৰেন হাজৰিকা (৭৮)ৰ কালি বিয়লি নিজ বাসগৃহত মৃত্যু হয়। সততে মানৱ দৰদী স্বভাৱৰ হাজৰিকা কিছুদিনৰ পৰা বাৰ্ধক্যজনিত কাৰণত শয্যাগত হৈ আছিল। সকলো শ্ৰেণীৰ ৰাইজৰ মাজত সু-সম্পৰ্ক থকা হাজৰিকাৰ মৃত্যুত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত হাজৰিকাই পত্নীসহ এজন পুত্ৰ আৰু দুগৰাকী বিবাহিত কন্যাৰ উপৰি নাতি-নাতিনীক ইহসংসাৰত এৰি গৈছে। সৰবৰহী হাজৰিকাৰ মৃত্যুত হাফলুটিং বৰনামঘৰ আৰু কলাকৃষ্টি কেন্দ্ৰ, গড়কাষৰীয়া যুৱ সমাজৰ হৈ ৰাজীৱ তামুলী, গড়কাষৰীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নৃপেন হাজৰিকা, হাফলুটিং শাখা সাহিত্য সভা আদি বহু সংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে শোক প্ৰকাশ কৰে।

# বিধ্বস্ত বজালীৰ গোবিন্দপুৰ সত্ৰ সংযোগী সাওৰা চৌধুৰীপাৰা পথ

## চকুমুদা কুলিৰ ভাৰত লোকনিৰ্মাণ বিভাগ



**পাটাছাৰকুছি, ৭ ছেপ্টেম্বৰ ঃ** নৱগঠিত বজালী জিলাৰ সদৰ পাটাছাৰকুছি নিকটৱৰ্তী প্ৰায় পাঁচ-ছয় কিলোমিটাৰ দূৰত্বৰ অঞ্চল সাওৰা। ১২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পাটাছাৰকুছিৰ পৰা সাওৰা হৈ ঐতিহ্যমণ্ডিত গোবিন্দপুৰ সত্ৰলৈ যাব পৰা এই চৌধুৰীপাৰা-গোবিন্দপুৰ পথছোৱাৰ কদৰ্যময় অৱস্থাই সম্প্ৰতি যেন ভেঙুচালি কৰিছে আধুনিক সভ্যতাক। উল্লেখ্য যে ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ পাছতো পথছোৱাৰ সামান্যতমো উন্নয়ন নহ'ল। বৰং পাটাছাৰকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত সাওৰা গাঁৱৰ চৌধুৰীপাৰা চ'কৰ পৰা গোবিন্দপুৰ সত্ৰলৈ দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ দিনক দিনে অৱনতিহে ঘটিছে। এজাক কিনকিনিয়া বৰষুণতে বিধ্বস্ত হৈ পৰা পথছোৱা যোৱা দুদিন ধৰি হৈ থকা বৰষুণৰ ফলত সম্প্ৰতি অতি কদৰ্যময় হৈ পৰিছে। যাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোৰে যাতায়াত সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। উল্লেখ্য যে বিগত সময়ছোৱাত পাটাছাৰকুছি সমষ্টিৰ প্ৰতিগৰাকী জনপ্ৰতিনিধিয়ে এই পথছোৱাৰ প্ৰতি মাহী আইৰ দৃষ্টিও প্ৰদৰ্শন নকৰিলে। আনহাতে, পঞ্চায়তৰ সভাপতি তথা সদস্যগৰাকীও যেন পথছোৱাক লৈ সম্পূৰ্ণৰূপে উদাসীন। এইবেলি পৰিৱৰ্তন বিচাৰি অঞ্চলবাসী পাটাছাৰকুছি বিধানসভা সমষ্টিৰ বিধায়ৰ তথা কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক নিৰ্বাচিত কৰি কিছু হ'লেও উন্নয়নৰ আশা কৰিছে যদিও বৰ্তমানলৈ পথছোৱাৰ কোনো উন্নয়ন হোৱা নাই। উল্লেখ্য যে নিৰ্বাচনী প্ৰচাৰৰ উপৰি নিৰ্বাচনত কৰাৰ পাছতে সমষ্টিটোৰ বাট-পথৰ লগতে সামগ্ৰিক উন্নয়ন প্ৰধান লক্ষ্য হ'ব বুলি প্ৰকাশ কৰা স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক চৌধুৰীপাৰাবাসীয়ে যিকোনো প্ৰকাৰে অনতিপলমে মাত্ৰ দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ গোবিন্দপুৰ সত্ৰ সংযোগী পথছোৱাৰ মেৰামতি কৰি অঞ্চলবাসীক কিছু সকাহ দিবলৈ আহ্বান জনাইছে।

## তুঁহযুক্ত আটা বিক্ৰীক লৈ গ্ৰাহকৰ অসন্তুষ্টি

# মেৰাপানীত যোগান বিভাগে সমবায় সমিতিৰ জৰিয়তে দিয়া আটাত ভেজাল

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ৭ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দ্বাৰা সমবায় সমিতিসমূহৰ জৰিয়তে গ্ৰাহকলৈ ভেজাল আটা যোগান ধৰাৰ এক গুৰুত্বৰ অভিযোগ উঠিছে। তথ্য মতে, গোলাঘাট খাদ্য আৰু অসামৰিক যোগান বিভাগে সমবায়ৰ জৰিয়তে মেৰাপানী মহকুমাৰ সমবায় সমিতিসমূহলৈ তুঁহ মিহলি ভেজাল আটা যোগান ধৰি গ্ৰাহকৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। অভিযোগ মতে, সমবায়সমূহে এজেন্টৰ জৰিয়তে গ্ৰাহকক জোৰজুলুমভাৱে এই ভেজাল আটা যোগান ধৰি আহিছে। খোৱা খাদ্যৰ নামত যোগান ধৰা আটাত খোৱাৰ অনুপযোগীকৈ তুঁহ মিহলি আটা যোগান ধৰাত ক্ষোভিত হৈ পৰিছে গ্ৰাহকসকল। এই ক্ষেত্ৰত মেৰাপানী অঞ্চলৰ কে'বাখনো সমবায় সমিতিৰ এজেন্টসকলৰ লগত যোগাযোগ কৰাত তেওঁলোকে অজ্ঞতা প্ৰকাশ কৰি যোগান বিভাগৰ দ্বাৰা নিৰ্ধাৰিত আটা মিলসমূহতেই এনে ধৰণৰ বেমেজালি হোৱা বুলি জানিবলৈ দিয়ে। সমবায় এজেন্টৰ জৰিয়তে প্ৰদান কৰা খোৱাৰ অনুপযোগী আটা ক্ৰয় কৰাৰ পাছতেই যোগান বিভাগৰ এনে কাণ্ডত আশ্বৰ্য প্ৰকাশ কৰিছে ভুক্তভোগী গ্ৰাহকসকলে। এই ক্ষেত্ৰত ভেজাল আটাৰ উৎসৰ সন্দৰ্ভত গোলাঘাট জিলা খাদ্য আৰু অসামৰিক যোগান বিভাগক উচিত তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে গ্ৰাহকসকলে। লগতে নিম্নমানৰ আবন্টিত খাদ্য সামগ্ৰীসমূহৰ বিতৰণ অতি শীঘ্ৰেই বন্ধ কৰি দিয়াৰো দাবী জনাইছে।

## শিক্ষক নিযুক্তিৰ দাবীত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ

# এজনীয়া শিক্ষকৰে চলিছে বিহপুৰীয়াৰ বিদ্যালয়



অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ৭ ছেপ্টেম্বৰ ঃ** হেজাৰ হেজাৰ শিক্ষক নিযুক্তিৰে ৰাজ্যৰ শিক্ষা খণ্ডৰ আমূল পৰিৱৰ্তন অনা বুলি ৰাজ্যৰ শিক্ষা বিভাগে ঢাক-ঢোল বজাই অহাৰ সময়তে গ্ৰাম্যাঞ্চলত দেখিবলৈ পোৱা গৈছে এখন ওলোটা ছবি। বিহপুৰীয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত এজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত ৬০৫ নম্বৰ লাগাচুং প্ৰাথমিক বিদ্যালয়ত শিক্ষক নিযুক্তিৰ দাবীত আজি অভিভাৱকৰ নেতৃত্বত শ্ৰেণী বৰ্জনেৰে প্ৰতিবাদ সাব্যস্ত কৰে ছাত্ৰ-ছাত্ৰীসকলে। ৮২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এগৰাকী শিক্ষক থকা বিদ্যালয়ত শীঘ্ৰে পৰ্যাপ্ত শিক্ষক নিযুক্তিৰ দাবী জনাইছে অভিভাৱক তথা বিদ্যালয় পৰিচালনা সমিতিয়ে। উল্লেখ্য যে গুণোৎসৱত বি গ্ৰেড লাভ কৰিবলৈ সক্ষম হোৱা বিদ্যালয়খনে পৰ্যাপ্ত শিক্ষক থকা হ'লে অধিক ভাল ফলাফল লাভ কৰিলেহেঁতেন বুলি মন্তব্য কৰিছে অভিভাৱকসকলে। স্থানীয় ৰাইজ তথা অভিভাৱকসকলে শীঘ্ৰে বিদ্যালয়খনত শিক্ষক নিযুক্তি দিবৰ বাবে দাবী জনাইছে।

## গোৱালপাৰাত বালিৰ চোৰাং ব্যৱসায়

# হাৰিমূৰাত চোৰাং বালিভৰ্তি ট্ৰাক জব্দ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৭ ছেপ্টেম্বৰ ঃ** বিভাগীয় বিষয়া-কৰ্মচাৰীৰ ছত্ৰ ছায়াত অসাধু চক্ৰই গোৱালপাৰা জিলাত বালিৰ চোৰাং ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। ইপিনে, আজি দিনৰ ভাগত জিনাৰী নদীৰ হাৰিমুৰা ঘাটৰ পৰা অবৈধ ভাৱে বালি উঠাই এ এছ ০৪ এ চি-১০১৬ নম্বৰৰ ট্ৰাকেৰে সৰবৰাহ কৰা সময়তে বন বিভাগে জব্দ কৰি গোৱালপাৰা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়লৈ আনে। উল্লেখ্য যে হাৰিমুৰাৰ সমীপৰ লেওৱাবাৰী ঘাটৰ পৰা চোৰাংকৈ বালি উঠাই সৰবৰাহ কৰাৰ সময়তে যোৱা পাছ ছেপ্টেম্বৰৰ সন্ধিয়া দুখনকৈ বালিভৰ্তি ট্ৰেক্টৰ জব্দ কৰি গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া নিজৰ কাৰ্যালয়লৈ আনিছিল। জিলাখনত ১০টাকৈ বৈধ বালিৰ মহল থকাৰ পাছতো এইদৰে দিনে-নিশাই অবৈধভাৱে ঘাটৰ পৰা বালি সৰবৰাহ হৈ থকাৰ ফলত এফালে চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে আৰু আনফালে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে নিজৰ নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলিও ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে দোষী ব্যক্তিসকলক কঠোৰতম শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন মহলে।

# বহিঃৰাজ্যত নিৰুদ্দিষ্ট খাৰাধৰাৰ চন্দন

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৭ ছেপ্টেম্বৰ ঃ** বহিঃৰাজ্যত সন্ধানহীন হ'ল খাৰাধৰাৰ চন্দন নাথ। বাগ্‌সা জিলাৰ সীমান্তৱৰ্তী খাৰাধৰা বৰঝাৰৰ চন্দন নাথ নামৰ বিবাহিত লোকজনে যোৱা ২৩ আগষ্টত ঘৰৰ পৰা ওলাই গৈছিল। সাধাৰণ নিৰ্জু স্বভাৱৰ শ্ৰমজীৱী লোকজন হঠাৎ নোহোৱা হোৱাত পৰিয়ালত হাহাকাৰ লাগে। বিভিন্ন ঠাইত লোকজনৰ বিচাৰ-খোচাৰ কৰি থকাৰ সময়তে ২৯ আগষ্টত পত্নীলৈ চন্দন নাথে অইন লোকৰ ম'বাইলেৰে ফোন কৰে। ফোনত তেওঁ পাটনা আহি পোৱা বুলি কৈ ফোনটো কাটি দিয়ে। পৰৱৰ্তী সময়ত সেই ফোনটোলৈ পত্নীয়ে ফোন কৰাত ফোনৰ গৰাকীয়ে হিন্দীতে কয় যে মানুহজন ৰেলেৰে গুচি গ'ল আৰু তেওঁ পাটনা ষ্টেছনত নামিছে। পিছদিনা পত্নী কল্পনা নাথে পাটাছাৰকুছি আৰক্ষী থানাত নিৰুদ্দেশ সম্বন্ধীয় এটা গোচৰ ৰুজু কৰে। এটা সাত বছৰীয়া পুত্ৰ সন্তানক লৈ পত্নী আৰু ওচৰ-চুবুৰীয়া দুঃচিন্তাত পৰিছে। ইফালে, কোনো দিনে পাটনাৰ নাম নুশুনা লোকজন কেনেকৈ পাটনা পালে বা পাটনা পোৱাটো কিমান সঁচা তাকলৈও ৰহস্যৰ সৃষ্টি হৈছে। কোনো সদাশয় লোকে তেওঁৰ কিবা সম্ভেদ পালে ওচৰৰ আৰক্ষী থানাত জনাবলৈ পৰিয়ালে অনুৰোধ জনাইছে।

# হাউলীত দুটাকৈ পথ দুৰ্ঘটনাত মৃত্যু এজন, আহত এক

অগ্ৰদূত বাৰ্তা

**হাউলী, ৭ ছেপ্টেম্বৰ ঃ** হাউলীৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথত আজি দুটাকৈ পথ দুৰ্ঘটনা সংঘটিত হয়। পথ দুৰ্ঘটনাত এজনৰ মৃত্যু হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। প্ৰথমটো পথ দুৰ্ঘটনা হাউলীৰ ঘাইপথৰ উৰণীয়া সেতুৰ কাষত এজন মটৰ চাইকেল আৰোহীয়ে এজন পথচাৰীক সন্মুখৰ পৰা খুন্দিওৱাৰ ফলত গুৰুতৰভাৱে আহত হয়। আহত লোকজন হাউলীৰ দুই নম্বৰ ৱাৰ্ডৰ বাসিন্দা গৌৰাংগ চন্দ্ৰ শীল (৩৫)। আহতজনক ততালিকে হাউলীৰ সমূহীয়া চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসালয়খনতে মৃত্যু হয়। ইয়াৰ পাছতে আন এক পথ দুৰ্ঘটনা হাউলীৰ ঘাইপথৰ বেন্নীবাৰীত সংঘটিত হয়। সৰভোগৰ পৰা হাউলী নগৰ অভিমুখে আহি থকা এজন মটৰ চাইকেল আৰোহীক পিছফালৰ পৰা এখন ট্ৰাকে খুন্দিয়ায়। ঘটনাস্থলীৰ পৰা ট্ৰাকখনে পলায়ন কৰে। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হোৱা লোকজন সৰভোগৰ পাৰ্থজ্যোতি ডেকা (২৮)। আহতজনক ততালিকে হাউলীৰ সমূহীয়া চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও আঘাত গুৰুতৰ হোৱা বাবে উন্নত চিকিৎসাৰ বাবে বৰপেটা মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

## চৰকাৰৰ সাম্প্ৰদায়িক নীতি

# দিল্লীৰ যন্তৰ-মন্তৰত ধৰ্ণা দিব নেমছুৱে

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যত বেদখল উচ্ছেদৰ নামত চৰকাৰ তথা আৰক্ষী-প্ৰশাসনে প্ৰদৰ্শন কৰা অমানৱীয় কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে বিভিন্ন দল-সংগঠনে। কিন্তু দল-সংগঠনৰ দাবীৰ প্ৰতি কোনো গুৰুত্ব নিদি সাম্প্ৰদায়িক নীতিৰে আৰু এখোজ আগুৱাই গৈ মাদ্ৰাছা শিক্ষা বন্ধ কৰা ব্লুপ্ৰিন্ট ৰচনা কৰি জেহাদীৰ নামত যোৱা এমাহৰ ভিতৰত তিনিখনকৈ মাদ্ৰাছ বুলড'জাৰেৰে ধ্বংস কৰিলে। চৰকাৰৰ এই কাৰ্যক উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ নেমছুৱে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত নেমছুৰ প্ৰশাসনিক সাধাৰণ সম্পাদক মিনহাজুল ইমৰাণে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনৰ এনে সাম্প্ৰদায়িক নীতিয়ে ৰাজ্যখনত শান্তি-সম্প্ৰীতি বিনষ্ট কৰিব বুলি আশংকা কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ হুংকাৰ দিছে। শংকৰ-আজানৰ দেশত হিন্দু-মুছলমানৰ যি সাতামপুৰুষীয়া ঐক্য সেয়া বিনষ্ট কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীক ৰাজধৰ্ম পালন কৰিবলৈ আহ্বান জনায়। চৰকাৰৰ এনে সাম্প্ৰদায়িক নীতিৰ বিৰুদ্ধে অহা ২২ ছেপ্টেম্বৰত নেমছুৱে দিল্লীৰ যন্তৰ-মন্তৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব। ইয়াৰ পাছত ৰাষ্ট্ৰপতি আৰু কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰি অসম চৰকাৰৰ সাম্প্ৰদায়িক কাম-কাজৰ বিৰুদ্ধে এখন স্মাৰকপত্ৰ প্ৰদান কৰি হ'ব বুলি বিবৃতিটোৰ জৰিয়তে সদৰী কৰে।

# কাজলগাঁও হাইস্কুল প্ৰেক্ষাগৃহত ২০৯ ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৭ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ কাজলগাঁও হাইস্কুল প্ৰেক্ষাগৃহত আজি বিয়লি চিৰাং জিলাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ষ্টাৰ আৰু ডিষ্টিংচন নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক অসম চৰকাৰৰ আনন্দৰাম বৰুৱা বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ আৰু ডিষ্টিংচন পোৱা মুঠ ২০৯ ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান হিচাপে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ পৰা প্ৰদান কৰা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰীয়ে চিৰাং জিলাত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ কম হোৱাত উদ্বেগ প্ৰকাশ কৰি অনাগত দিনত উত্তীৰ্ণৰ হাৰ উন্নত কৰিবলৈ আহ্বান জনায়। চিৰাং জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিজয় বৈষ্ণৱে উদ্দেশ্য ব্যাখ্যা কৰা বঁটা প্ৰদান অনুষ্ঠানত বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, পৰিষদীয় সদস্য প্ৰদীপ কুমাৰ বায়ন, চিৰাং জিলাৰ উপায়ুক্ত পি বিজয় ভাস্কৰ ৰেড্ডী, অতিৰিক্ত উপায়ুক্ত অজিত কুমাৰ শৰ্মাই বক্তব্য ৰাখে। অনুষ্ঠানত এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক আৰু বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

# ঊষাগৰঙাত বিৰল প্ৰজাতিৰ কাছ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ৭ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী আৰক্ষী থানাৰ অন্তৰ্গত ঊষাগৰঙা মছজিদ চাৰিআলিত পথত বগাই থকা অৱস্থাত কালপ এটা বিৰল প্ৰজাতিৰ কাছ উদ্ধাৰ কৰা হয়। উল্লেখ্য যে স্থানীয় ৰাইজে জামুগুৰি আঞ্চলিক বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত বালিজান চাৰিস্থিত বৰ পুখুৰীত কাছটো এৰি দিয়ে। ইফালে, ৰাইজৰ পদক্ষেপক প্ৰকৃতিপ্ৰেমী ৰাইজে আদৰণি জনাইছে।

# মৰণফান্দত পৰিণত হৈছে বিদ্যুৎ পৰিবাহী তাঁৰ

## কাণসাৰ নাই নলবাৰী জিলা বিদ্যুৎ বিভাগৰ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৭ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলা বিদ্যুৎ বিভাগৰ কৰ্মকাণ্ডই ৰাইজৰ চকু কপালত তুলিছে। অভিযোগ অনুসৰি জিলাৰ বিভিন্ন ঠাইত বিদ্যুৎ পৰিবাহী তাঁৰ একপ্ৰকাৰ মৰণফাণ্ড হিচাপে থিয় হৈ আছে যদিও বিভাগটোৰ ফালৰ পৰা কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে। উল্লেখ্য যে জিলাখনৰ ঘগ্ৰাপাৰ অঞ্চলৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা পৈছাৰা কঞাকুছি গাঁৱৰ মাজত, লগতে অঞ্চলটোৰ প্ৰায় কুৰিখন গাঁৱত বিদ্যুৎ যোগান ব্যৱস্থা অতি বিপদ সংকুলভাৱে চলি আছে। বিদ্যুৎ পৰিবাহী তাঁৰসমূহ অতি পুৰণি হোৱাৰ ফলত প্ৰায় তাঁৰ ছিঙি পৰিৱেশ আতংকিত কৰি তোলে। অতি গুৰুত্বপূৰ্ণ পথ, কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অহা-যোৱা পথটোৰ ওপৰত থকা বিদ্যুৎ পৰিবাহী তাঁৰ ঘনে ঘনে ছিঙি আহিছে। এই পৰ্যন্ত স্থানীয় ৰাইজৰ সজাগতাৰ বাবে ভয়ংকৰ দুৰ্ঘটনাৰ পৰা ৰক্ষা পালেও ভৱিষ্যতে যিকোনো মুহূৰ্ততে বিপদৰ আশংকা ঘনীভূত হৈছে। তাঁৰবোৰ নামি অহাত হাত মেলিলেই ছুব পৰা হৈছে। তদুপৰি বাৰম্বাৰ ছিঙি থকা তাঁৰবোৰ জোৰা-টাপলি দিয়াত আৰু ভয়ানক হৈ পৰিছে। ফলত এখন গাড়ী পথটোৰে চলাচল কৰিলেই গাড়ীত তাঁৰ লাগি ছিঙি যায়। এনে ঘটনাই ভালেমান পৰিয়ালৰ বিদ্যুৎ চালিত সম্পত্তি বিনষ্ট কৰিছে। পৰিতাপৰ বিষয় এইটোৱেই যে বিভাগটোক এই ক্ষেত্ৰত বাৰম্বাৰ অৱগত কৰাৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি নলবাৰীস্থিত বিভাগটোৰ অকৰ্মণ্য বিষয়াৰ হেমাহি আৰু অৱহেলাৰ বাবে ৰাইজে সুফল পোৱা নাই। বিদ্যুৎ বিলৰ নামত ৰাইজক মাধমাৰ, বিল দিয়াত দুদিন পলম হ'লেই বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি জৰিমনা ভৰোৱা বিভাগটোৱে ৰাইজৰ আবেদনকো গুৰুত্ব নিদিয়া কাৰ্যক ধিক্কাৰ দিছে। শীঘ্ৰে মৰণফাণ্ড সদৃশ বিদ্যুৎ পৰিবাহী তাঁৰৰ মেৰামতি কৰি ভৱিষ্যতৰ ভয়াৱহ বিপদৰ পৰা ৰক্ষাৰ বাবে ৰাইজে দাবী জনাইছে।






### অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা ঃ কোৱাৰ্টাৰত অভিযান সামৰিলে অসমৰ ছোৱালীয়ে

# ল'ৰাৰ ছেমিত চন্দোগ্য, অভয়, জ্যোতিষ্মান, পাৰ্থিব





**গুৱাহাটী, ৭ ছেপ্টেম্বৰ ঃ** অসমৰ চন্দোগ্য টি পাঠক আৰু অভয় ভৰালীয়ে চলিত অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে চচলত চলি থকা প্ৰতিযোগিতাখনৰ ল'ৰাৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে অসমৰ জ্যোতিষ্মান বড়ো আৰু পৰ্থিব কলিতাই। কিন্তু ছোৱালীৰ ১২ আৰু ১৪ বছৰ অনূৰ্ধ্বৰ একক শাখাত অসমৰ সকলো খেলুৱৈয়ে আজি কোৱাৰ্টাৰ ফাইনেলতে পৰাস্ত হৈ অভিযান সামৰিছে। উল্লেখ্য যে ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত চন্দোগ্য টি পাঠকে বংগৰ প্ৰিয়দৰ্শন প্ৰধানক ৬-১, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। আনহাতে, অভয় ভৰালীয়ে ৬-১, ৬-০ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে অসমৰে প্ৰশান্ত বৰাক। ইফালে, ল'ৰাৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত জ্যোতিষ্মান বড়োৱে ৬-১, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে তামিলনাডুৰ কিশোৰ শ্ৰীৰামক। আনহাতে, পাৰ্থিৱ কলিতাই ৬-১, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ৰাজ্যৰে চান্দোগ্য টি পাঠকক। ইফালে, ছোৱালীৰ ১২ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ বিদায় লয় অসমৰ নায়েম হুছেইন আৰু অৰ্ণৱী দেৱনাথ। ছেমিফাইনেলত প্ৰৱেশ কৰা চাৰি খেলুৱৈ হ'ল সৃষ্টি কিৰণ, শ্ৰী অক্ষ পেনুমেষ্টা, অবিপষা দেহুৰী আৰু ভাৰ্গৱী শৰ্মা। ইফালে, চন্দোগ্য আৰু অভয়ৰ লগতে ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰা আন দুগৰাকী খেলুৱৈ হ'ল ঋষিকেশ মানে আৰু হিত কন্দোৰীয়া। ছোৱালীৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে আৰাধ্যা ভাৰ্মা, অবিপশা দেহুৰী, বাসুন্দ্ৰা বালাজী আৰু সৃষ্টি কিৰণ। কোৱাৰ্টাৰত অসমৰ অৰ্ণৱী পৰাস্ত হয় আৰাধ্যাৰ বিৰুদ্ধে। ইফালে ল'ৰাৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ অভয় ভড়ালীক হৰুৱাই অন্তিম চাৰিত প্ৰৱেশ কৰে ৰাজস্থানৰ ধনঞ্জয় তিৱাৰে। উল্লেখ্য যে অসম টেনিছ সন্থাৰ উদ্যোগত তথা অইল ইণ্ডিয়াৰ সহযোগিতাত গুৱাহাটীৰ চচলত চলি থকা ১২ আৰু ১৪ বছৰ অনূৰ্ধ্বৰ ল'ৰা-ছোৱালীৰ অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখন আজিৰে পৰা আৰম্ভ হৈছে উভয় শাখাৰ ডাবলছৰ মেচো। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি কাইলৈ পুৱাৰে পৰা আৰম্ভ হ'ব একক শাখাৰ ছেমিফাইনেল মেচ।



### ব্যাসকুছি এফ চি ফাইনেলত

**অগ্ৰদূত বাৰ্তা, সৰ্থেবাৰী, ৭ ছেপ্টেম্বৰ ঃ** সৰ্থেবাৰী স্প'ৰ্টছ ক্লাৱৰ উদ্যোগত সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা খনীন ডেকা আৰু অধৰ চন্দ্ৰ দাস সোঁৱৰণী চলন্ত ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেল খেলত ব্যাসকুছি এফ চিয়ে ঘোগা এফ চি টাইব্ৰেকাৰত ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। নিৰ্দিষ্ট সময়ত খেলখন গ'লশূণ্যভাবে সমাপ্ত হোৱাত ফলাফলৰ বাবে টাইব্ৰেকাৰৰ সহায় লোৱা হয়।

### দমাল স্প'ৰ্টছ ক্লাবৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও,৭ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃ ক্লাৱ এ ডিভিজন ফুটবল লীগত আজি দমাল স্প'ৰ্টছ ক্লাবে ৩ -০ গ'লত ভূৰবন্ধা আঞ্চলিক নৱজ্যোতি সংঘক পৰাস্ত কৰি সম্পুৰ্ণ পইন্ট অৰ্জন কৰিবলৈ সক্ষম হয়। আজিৰ খেলখনত দমাল স্প'ৰ্টছ ক্লাৱৰ পুতুল পাটৰে হেট্ৰিক অৰ্জন কৰে।

### গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ইউ এছ অপেন

## ছেমিত গাৰ্চিয়া, জেবেউৰে, ৰুড

**নিউয়ৰ্ক, ৭ ছেপ্টেম্বৰ ঃ** ফ্ৰান্সৰ কেৰ'লিন গাৰ্চিয়া আৰু টিউনিছিয়াৰ অনছ জেবেউৰে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ইউ এছ অপেনৰ মহিলাৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত কেৰ'লিন গাৰ্চিয়াই আমেৰিকাৰ কিশোৰী কোকো গ'ফৰ অন্তিম চাৰিত প্ৰৱেশ কৰাৰ আশাৰ অন্ত পেলায়। ফৰ্মত থকা ১৭ নং বাছনিৰ খেলুৱৈগৰাকীয়ে ১৮ বছৰীয়া গা'ফক ৬-৩, ৬-৪ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। ইফালে, প্ৰথমগৰাকী আফ্ৰিকান মহিলা হিচাপে ইউ এছ অ'পেনৰ ছেমিফাইনেলত প্ৰৱেশ কৰি ইতিহাস গঢ়িছে টিউনিছিয়াৰ অনছ জেবেউৰে। কোৱাৰ্টাৰ ফাইনেলত জাবেউৰে অষ্ট্ৰেলিয়াৰ আজলা টমলজানোভিচৰ বিৰুদ্ধে ৬-৪,৭-৬,৭-৪গ্নৰ ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে যোৱা জুলাইত আফ্ৰিকাৰ পৰা উইম্বলডনৰ ফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী মহিলা হিচাপেও গৌৰৱ লাভ কৰিছিল জেবেউৰে। ইফালে, পুৰুষৰ একক শাখাতত পঞ্চম বাছনিৰ কেছপাৰ ৰুডে ইটালীৰ মেটিঅ' বেৰেটিনিক ৬-১, ৬-৪, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি ইউ এছ অ'পেনৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। জয়ৰ পাছত ৰুডে কয়, 'মেচখনৰ সকলো একপ্ৰকাৰ মোৰ পক্ষত গ'ল। মই সকলো স্পটত আঘাত কৰি আছিলো, মোৰ প্ৰয়োজনীয় সকলো শ্বট। মেটিঅ'ই হয়তো তেওঁ সাধাৰণতে কৰা স্তৰটো দেখুৱাব পৰা নাছিল।

### ছাফ মহিলা ফুটবল চেম্পিয়নশ্বিপ

## প্ৰথম মেচত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয়লাভ



**নতুন দিল্লী, ৭ ছেপ্টেম্বৰ ঃ** ভাৰতীয় মহিলা ফুটবল দলে ছাফ চেম্পিয়নশ্বিপৰ নিজৰ প্ৰথমখন মেচতে পাকিস্তানক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছে। উল্লেখ্য যে কাঠমাণ্ডুৰ দশৰাথ ষ্টেডিয়ামত আজি অনুষ্ঠিত হোৱা ছাফ মহিলা চেম্পিয়নশ্বিপত ডিফেণ্ডিং চেম্পিয়ন ভাৰতে পাকিস্তানক ৩-০ গ'লত হৰুৱাই লগতে প্ৰতিযোগিতাত নিজৰ অপৰাজেয় মেচৰ সংখ্যা ২৭ খনলৈ বৃদ্ধি কৰে। উল্লেখ্য যে পাকিস্তানৰ অধিনায়িকা মাৰিয়া জামিল খানে আত্মঘাটি গ'ল কৰাত ভাৰতে প্ৰথমে ১-০ ৰ অগ্ৰগতি লয়। ভাৰতৰ হৈ আন দুটা গ'ল কৰে ডাংমেই গ্ৰেচ আৰু সৌম্য গাগুলোথে। অহা ১০ ছেপ্টেম্বৰত মালদ্বীপৰ বিৰুদ্ধে দ্বিতীয়খন মেচ খেলিব ভাৰতে।

### স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা

## কামপুৰত ষ্টাৰ স্প'ৰ্টিঙৰ জয়

**অগ্ৰদূত বাৰ্তা,বেৰেজীয়া, ৭ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত চলি থকা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ আজি কামপুৰ ষ্টেডিয়ামত হোৱা খেলখনত নগাঁৱৰ ষ্টাৰ স্প'ৰ্টিং ক্লাবে যোৰহাটৰ বৰভেটা স্প'ৰ্টছ ক্লাবক ৪-২ গ'লত হৰুৱাই পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ হৈ মাধুৰ্য বৰা, বিভানজ্যোতি লস্কৰ, ৰিচাল সন্দিকৈ আৰু ডেনিছ বড়োৱে গ'লকেইটা দিয়াৰ বিপৰীতে বৰভেটা স্প'ৰ্টছ ক্লাবৰহৈ গ'ল দুটা সুশীল কুমাৰে দিয়ে। এই খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে জীৱন গগৈ, বাজু টিছ আৰু ৰূপম বৰদলৈয়ে। কামপুৰত কাইলৈ গুৱাহাটী টাউন ক্লাব বনাম যোৰহাট টাউন ক্লাবৰ বিপৰীতে ধিং ষ্টেডিয়ামত দুলীয়াজানৰ হিমাল এফ চি বনাম নগাঁৱৰ সঞ্জীৱন সমাজৰ মাজত খেল অনুষ্ঠিত হ'ব।



## ধিঙত স্বাধীনতা কাপ আৰম্ভ

**অগ্ৰদূত বাৰ্তা, ধিং, ৭ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আৰু ধিং ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাৰে আজিৰ পৰা ধিং ষ্টেডিয়ামত অনুষ্ঠিত হয় সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা। উদ্বোধনী খেলখনত ওডালগুৰিৰ দৈমালু ক্লাবে মৰাণ টাউন ক্লাবক ৪-১ গ'লত পৰাস্ত কৰে। উক্ত খেলখনত উপস্থিত থাকে অসম ফুটবল সন্থাৰ যুটিয়া সম্পাদক প্লাৱন বৰুৱা, নগাঁও আৰক্ষী অধিক্ষক লীনা দলে, ধিং ৰাজহ চক্ৰ বিষয়া বিলিভিয়া চৌধুৰীৰ লগতে বিশিষ্ট ব্যক্তি সকল। দৈমালু ক্লাবৰহৈ শুকুৰসিং বসুমতাৰীয়ে দুটা, মাইকেল দৈমাৰী আৰু ৰবাৰ্ট দৈমাৰীয়ে এটাকৈ গ'ল দিয়াৰ বিপৰীতে মৰাণ টাউন ক্লাবৰহৈ তাপস নন্দন শইকীয়াই একমাত্ৰ গ'লটো দিয়ে। খেলখনৰ আৰম্ভণিতে দুয়োদলৰ খেলুৱৈসকলৰ সৈতে ধিং ৰাজহ চক্ৰ বিষয়া বিলিভিয়া চৌধুৰী, প্ৰাক্তন মন্ত্ৰী গৌতম বৰা, ধিং পৌৰসভাৰ সভাপতি প্ৰিয়ংকা শইকীয়া নায়ক, পৌৰসভাৰ উপ সভাপতি মাতুমনি বৰুৱা, অসম ফুটবল সন্থাৰ যুটীয়া সম্পাদক প্লাৱন বৰুৱা, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, দিলীপ তালুকদাৰ, বলেন মেধি, ৰহিমা খাটুন আৰু অ'হিদুজ জামান আদিক পৰিচয় কৰোৱা হয়। খেলৰ বিৰতিৰ সময়ত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেকো চিনাকি কৰি দিয়ে।

### ছাইনিং ষ্টাৰ ক্লাবৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা,পুৰণিগুদাম, ৭ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ভোটাইগাঁৱৰ ভোটাই ডেকা খেলপথাৰত অনুষ্ঠিত হৈ থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ছাইনিং ষ্টাৰ ফুটবল ক্লাব, কাৰ্বি আংলঙে কৰৈয়নী আঞ্চলিক ফুটবল ক্লাবক ৭-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। কাইলৈৰ খেল অনুষ্ঠিত হ'ব নিউ ষ্টাৰ ক্লাব,বঢ়মপুৰ আৰু ছোট কন্দলি ফুটবল ক্লাবৰ মাজত।

### আন্তঃজিলা নেটবলৰ খেল পৰিচালকৰ নাম ঘোষণা

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ৭ ছেপ্টেম্বৰ ঃ** নেটবল সন্থা অসমৰ তত্বাৱধানত আৰু যোৰহাট জিলা নেটবল সন্থাৰ উদ্যোগত অহা ৯, ১০, ১১ ছেপ্টেম্বৰত মৰিয়নিত অনুষ্ঠিত হ'বলগীয়া মনিৰাম মহন, নিৰু মহন, মানিক চন্দ্ৰ মহন্ত, ক্ষীৰদা মহন্ত সোঁৱৰণী আন্তঃজিলা জুনিয়ৰ আৰু ছাব-জুনিয়ৰ নেটবল টুৰ্নামেন্টৰ বাবে টেকনিকেল অফিচিয়েলসকলৰ নাম ঘোষনা কৰা হৈছে। সেই অনুসৰি সঞ্জয় বসুমতাৰী, সঞ্জয় বড়ো, দিপু ডেকা, মিথাংগা ব্ৰহ্ম, ললিতা ডেকা, ৰূপম ডেকা, তৃষ্ণা মহন্ত, জিনামনি ভৰালী, ববী বৈশ্য, পূৰ্বজ্যোতি সন্দিকৈ, লক্ষ্যজিত মহন, কুলদ্বীপ দিহিঙীয়া, বীৰেন্দ্ৰ গগৈ, হেমন্ত গগৈ প্ৰশান্ত মহন, অমিত সৰকাৰ, প্ৰাঞ্জল পাওগাম, দীপক গগৈ, ৰাতুলমনি মহন্ত, মনোৰঞ্জন হাজৰিকা, ৰূপম বড়ো, অজয় বাচফৰ আৰু দিব্যজ্যোতি শইকীয়াই খেল পৰিচালনা কৰিব।

### কোচিং ক্লাবৰ জয়

**অগ্ৰদূত বাৰ্তা, বেৰেজীয়া,৭ ছেপ্টেম্বৰ ঃ** জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত দলংঘাটৰ বৰমণিপুৰস্থিত সন্থাৰ নিজা খেলপথাৰত চলি থকা ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ খেলত মাজগাঁও কোচিং ক্লাৱে ইটাকলিৰ ইলেভেন টাইগাৰ ক্লাৱক ৪-০ গ'লত পৰাজিত কৰে। ক্লাৱৰ হৈ ধনঞ্জয় কোঁৱৰ আৰু পৰাগ বৰদলৈয়ে দুটাকৈ গ'ল দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ফাইজ উদ্দিন আহমেদেক সহায় কৰে ওবাইদুৰ ৰহমান, চৈয়দুৰ ৰহমান আৰু মুছলেহ উদ্দিন আহমেদে।

### ক্ষীৰোদ বৰুৱা আন্তঃজিলা ছিনিয়ৰ ফুটবল

## মাণ্ডলিক চেম্পিয়ন হৈ যোগ্যতা চিৰাঙৰ



**অগ্ৰদূত বাৰ্তা, কৃষ্ণাই,৭ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত অনুষ্ঠিত ক্ষীৰোদ বৰুৱা সোঁৱৰণী আন্তঃজিলা ছিনিয়ৰ ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত মাণ্ডলিক চূড়ান্ত খেলখনত চিৰাং ফুটবল দলে কোকৰাঝাৰ ফুটবল দলক ১-০ গলৰ ব্যৱধানত পৰাজিত কৰি খিতাপ দখল কৰাৰ লগতে ফাইনেল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে। আজিৰ খেলখনত প্ৰদীপ দে, সুশান্ত সেন,অঞ্জন সিনহা,বলোৰাম ব্ৰহ্ম,ছিমচান মুছাহাৰী,বিমল বসুমতাৰী,শান্তৰাম বসুমতাৰী, হাচমত আলী, সমৰ গয়াৰী, নিজামুদ্দিন খান,প্ৰফুল্ল ৰায়,তৰুণ ৰায়,বিশ্বজিত নাৰ্জাৰীকে ধৰি অসম ফুটবল সন্থা তথা বিভিন্ন জিলা আৰু আঞ্চলিক ফুটবল সন্থাৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

### তুলসীৰাম কলিতা ফুটবল

## ছানৰাইজৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, ছয়গাঁও, ৭ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত ছয়গাঁও মিনি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা পঞ্চম বাৰ্ষিক তুলসীৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত গুৱাহাটীৰ ছানৰাইজ এফ চি জয়ী হয়। তীব্ৰ উত্তেজনাময় খেলখনত ছানৰাইজ এফ চিয়ে গ্ৰীন ভেলি এফ চিক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। কাইলৈৰ খেল বন্দাপাৰাৰ কামৰূপা এফ চি আৰু ছয়গাঁৱৰ হিটলাৰ ক্লাৱৰ মাজত অনুষ্ঠিত হ'ব।

### অতুল-মনাই গগৈ আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল আৰম্ভ

## সোণাৰি ডায়মণ্ড ক্লাব পৰৱৰ্তী ৰাউণ্ডত

**অগ্ৰদূত বাৰ্তা, চেপন, ৭ ছেপ্টেম্বৰ ঃ** চৰাইদেউ জিলাৰ অগ্ৰণী সামাজিক অনুষ্ঠান টিফুক নৱজ্যোতি যুৱ সংঘৰ উদ্যোগত চৰাইদেউ জিলা ক্ৰীড়া সন্থা তত্বাৱধানত টিফুক ৰাজহুৱা খেলপথাৰত আজিৰে পৰা আৰম্ভ হোৱাা চতুৰ্থ বাৰ্ষিক অতুল গগৈ আৰু মনাই গগৈ সোঁৱৰণি আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেলত চৰাইদেউৰ লীগ চেম্পিয়ন সোণাৰি ডায়মণ্ড ক্লাৱে বিজয় সাব্যস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। দলে ডিব্ৰুগড়ৰ খোৱাং চাহ বাগিচাৰ দলটোক ৪-১ গলৰ ব্যৱধানত পৰাভূত কৰে। ইয়াৰ পূৰ্বে প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে কুলপ্ৰসাদ গগৈ, সুধেন গগৈ, ইন্দ্ৰেশ্বৰ গগৈ, যতীন লেখাৰু, ৰাজেশ গগৈ, ভদৰাম গগৈ, দিপিকা গগৈ, মাধৱৰঞ্জন গগৈ। আজিৰ খেলত শ্ৰেষ্ঠ খেলুৱৈৰ বটাঁ লাভ কৰে ডেভিদ কন্যাকে। বটাঁ প্ৰদান কৰে লীলাম্বৰ গগৈয়ে। কাইলৈ প্ৰতিযোগিতাৰ গ্ৰুপ 'বি'ৰ প্ৰথম খেলত শিৱসাগৰৰ পানীবিল এফ চিয়ে চৰাইদেউৰ অসমজ্যোতি সংঘৰ মুখামুখি হ'ব।



এছিয়া কাপৰ পৰা ভাৰতৰ বিদায় নিশ্চিত কৰা ছবিখন।

### বৰভাগৰ অগ্ৰগতি

**অগ্ৰদুত বাৰ্তা, ঘগ্ৰাপাৰ, ৭ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ শিলপোতাবড়ি খেলপথাৰত গুৱাকুছি ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত আজি বৰভাগ আঞ্চলিক ক্ৰীড়া সন্থাই ৰাইনো ক্লাৱক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰবেশ কৰে। খেলখন পৰিচালনা কৰে গৌতম কলিতা, নগেন ৰাজবংশী আৰু ভৱেশ মহন্তই।

### এথলেটিকৰ জয়

**অগ্ৰদূত বাৰ্তা, ধুবুৰী, ৭ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ধুবুৰী ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত চলি থকা আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাৰ আজি হোৱা খেলত এথলেটিক ক্লাবে চ-ৰ গ'লত জয়লাভ কৰে গৌৰীপুৰ স্প'ৰ্টছ এছোচিয়েছনৰ বিৰুদ্ধে।



ইউ এছ অপেনৰ ছেমিফাইনেলত প্ৰৱেশ কৰি উল্লাসিত ৰুড

### জিলমিল ক্লাব চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, বহলপুৰ, ৭ ছেপ্টেম্বৰ ঃ** নিহাৰিকা ক্লাৱৰ উদ্যোগত তালগুৰী খেলপথাৰত অনুষ্ঠিত ভূপেন ৰায় সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি হোৱা ফাইনেলত বঙাইগাঁও জিলাৰ কায়েথপাৰা জিলমিল সংঘই ধুবুৰী জিলাৰ বহলপুৰৰ নিদানী গণেশবাবা ফুটবল দলক টাইব্ৰেকাৰৰ সহায়ত ৩-১ গ'লৰ ব্যৱধানত পৰাভূত কৰি বিজয়ীৰ সন্মান লাভ কৰে । নিৰ্দিষ্ট সময়ত খেলখন ১-১ গ'লত সমতা স্থাপন হোৱাত টাইব্ৰেকাৰৰ সহায় লোৱা হয়। বঙাইগাঁৱৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা খেলৰ অন্তত বটাঁ বিতৰণী অনুষ্ঠানত বিজয়ী আৰু বিজিত দলক যথাক্ৰমে ট্ৰফীসহ ৭০০১ টকা আৰু ৬০০১ টকাৰ পুৰস্কাৰ আগবঢ়াই স্বৰ্গীয় ভূপেন ৰায়ৰ পুত্ৰ সুনীল ৰায় আৰু উত্তৰ শালমাৰাৰ মহকুমা আৰক্ষী বিষয়া নিতুমণি দাসে।

### কাছাৰী মহল-ডিমু জনতা ছেমিত

**অগ্ৰদূত বাৰ্তা, ৰঙিয়া, ৭ ছেপ্টেম্বৰ ঃ** ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ৰঙিয়া মহাবিদ্যালয় খেলপথাৰত চলি থকা ৰঙিয়া আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা প্ৰথম খেলখনত কাছাৰী মহল হাইস্কুলে পদুমকুৱৰী কলেজিয়েট হাইস্কুলক ১)০ গ'লত আৰু দ্বিতীয় খেলত ডিমু জনতা হাইস্কুলে ফাটিমা কনভেন্ট স্কুলক ৩)২ গ'লত পৰাজিত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। আজিৰ খেলসমূহ পৰিচালনা কৰে ৰেফাৰী আনোৱাৰ হুছেইন মজুমদাৰ, বাহাৰুল ইছলাম, পহৰেদ আলী আহমেদ আৰু অনিল বড়োয়ে।

## ভূটীয়াচাং প্ৰাইমাৰী দল চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা , টংলা, ৭ ছেপ্টেম্বৰ ঃ** নোনাই ছেৰফাং যুৱ ইউ পি পি এলৰ উদ্যোগত ভোলাতাৰ খেলপথাৰত অনুষ্ঠিত প্ৰথম আন্তঃপ্ৰাইমাৰী ইউ পি পি এল ফুটবল প্ৰতিযোগিতাত ভূটীয়াচাং প্ৰাইমাৰী দলে চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। ইউ পি পি এলৰ মহিলা মঞ্চৰ উপ সভানেত্ৰী মৰিয়ম তপ্নই উদ্বোধন কৰা প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ফাইনেলত দলটোৱে ভোলাতাৰ প্ৰাইমাৰী দলক ২-১ গ'লত পৰাস্ত কৰে। খেলখনত বিজয়ী দলৰ হৈ জেগুাৰ গোড়, জেমচ চুৰিণে আৰু বিপক্ষৰ হৈ সঞ্জয় এক্কাই গ'ল দিয়ে। ভূটীয়াচাঙৰ সমীৰ কেৰকাটা শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয়। বঁটা, ট্ৰফী , মেডেল প্ৰদান কৰে নিৰ্মল বড়ো, নন্দৰাম বড়ো , এন্টনী বসুমতাৰী, ৰুদ্ৰ ছেত্ৰী , নেৰখাং খাখলাৰী, মহেন্দ্ৰ বড়ো, দেৰহাচাৎ বড়ো, ৰাজীৱ তামাং আদি ইউ পি পি এলৰ নেতা সকলে।





দুজন সেনা জোৱান আলিংগনাবদ্ধ। এজন ৰাছিয়াৰ আৰু আনজন ইউক্ৰেইনৰ। সংঘৰ্ষৰত দুই দেশৰ মাজত মৈত্ৰী আৰু শান্তিৰ বাৰ্তা দিয়াৰ বাবেই এজন চিত্ৰকৰে সেই দৃশ্য কল্পনা কৰিছিল। সেই কল্পনাকে ৰং-তুলিকাৰে ফুটাই তুলিছিল অষ্ট্ৰেলিয়াৰ মেলবৰ্ণৰ ৰাস্তাৰ দাঁতিত থকা এটা ঘৰৰ বেৰত। অৱশ্যে সেই চিত্ৰখন সামাজিক মাধ্যমত বিয়পি পৰাৰ লগে লগেই শান্তিৰ পৰিৱৰ্তে অশান্তিহে তীব্ৰ হৈ পৰিল। ইউক্ৰেইনে ক্ষোভ ব্যক্ত কৰাত তৎকালে মচি দিয়া হ'ল সেই চিত্ৰখন। লগতে ইয়াৰ বাবে ক্ষমাও খুজিবলৈ বাধ্য হ'ল চিত্ৰকৰজনে।

# সত্যৰ বিকৃতি ঘটাই ক্ষমা খুজিলে শিল্পীয়ে

## শান্তিৰ বাৰ্তা দিবলৈ গৈ পৰিল ৰোষৰ মুখত

**নিউজ ব্যুৰ'**

**মেলবৰ্ণ, ৭ ছেপ্টেম্বৰ ঃ** দুজন সেনা জোৱান আলিংগনাবদ্ধ। এজন ৰাছিয়াৰ আৰু আনজন ইউক্ৰেইনৰ। সংঘৰ্ষৰত দুই দেশৰ মাজত মৈত্ৰী আৰু শান্তিৰ বাৰ্তা দিয়াৰ বাবেই এজন চিত্ৰকৰে সেই দৃশ্য কল্পনা কৰিছিল। সেই কল্পনাকে ৰং-তুলিকাৰে ফুটাই তুলিছিল অষ্ট্ৰেলিয়াৰ মেলবৰ্ণৰ ৰাস্তাৰ দাঁতিত থকা এটা ঘৰৰ বেৰত। অৱশ্যে সেই চিত্ৰখন সামাজিক মাধ্যমত বিয়পি পৰাৰ লগে লগেই শান্তিৰ পৰিৱৰ্তে অশান্তিহে তীব্ৰ হৈ পৰিল। ইউক্ৰেইনে ক্ষোভ ব্যক্ত কৰাত তৎকালে মচি দিয়া হ'ল সেই চিত্ৰখন। লগতে ইয়াৰ বাবে ক্ষমাও খুজিবলৈ বাধ্য হ'ল চিত্ৰকৰজনে।

মেলবৰ্ণৰ সেই মূৰাল পেইণ্টিংখনৰ স্ৰষ্টা পিটাৰ ছিয়াটনে জনাইছে যে তেওঁ শান্তিপূৰ্ণ পথেৰে যুদ্ধ বন্ধ কৰাৰ বাৰ্তা দিবলৈহে সেই চিত্ৰখন অংকন কৰিছিল। ইয়াৰ বিপৰীতে অষ্ট্ৰেলিয়াত থকা ইউক্ৰেইনৰ ৰাষ্ট্ৰদূত ভাছিল মাইৰ'ছনিচেংকোৱে কয় যে ৰাছিয়াই যিদৰে ইউক্ৰেইনত আগ্ৰাসন চলাইছে, সেই বাস্তৱক বিকৃত কৰাৰ এক 'জঘন্য' চেষ্টা এই চিত্ৰখন। মাইৰ'ছনিচেংকোৱে টুইটাৰত শিল্পী ছিয়াটনে অঁকা চিত্ৰখন শ্বেয়াৰ কৰি লিখিছে, 'সম্প্ৰতি মেলবৰ্ণৰ পথত ৰাছিয়া আৰু ইউক্ৰেইনৰ সেনাই পৰস্পৰক সাৱটি ধৰাৰ যি চিত্ৰ অংকন কৰা হৈছে, সেয়া দেখিলে সকলো ইউক্ৰেনীয়ৰে বেয়া লাগিব। ইউক্ৰেইনৰ মাটিত ৰুছ আগ্ৰাসন সন্দৰ্ভত আচলতে শিল্পীজনৰ কোনো ধাৰণাই নাই। এইটো ভাবিয়েই বেয়া লাগিছে যে এই চিত্ৰখন অংকন কৰাৰ পূৰ্বে মেলবৰ্ণত থকা ইউক্ৰেনীয়সকলৰ স'তে কোনো আলোচনাই কৰা নহ'ল।' এই সন্দৰ্ভত ইউক্ৰেইনৰ সমাজতত্ত্ববিদ অ'ল্গা বইচাকে কয় যে এই মূৰালখনত এক মিছা তথ্য দিয়া হৈছে, আক্ৰান্ত আৰু আক্ৰমণকাৰীক সমান ৰূপত চোৱা হৈছে।

মেলবৰ্ণৰ ৰাস্তাৰ পৰা চিত্ৰখন মচি দিয়া হ'লেও সামাজিক মাধ্যমত এতিয়াও চৰ্চা অব্যাহত আছে। গৰিষ্ঠসংখ্যক সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে চিত্ৰকৰজনক সমৰ্থন জনাইছে। এজন লোকে বিদ্ৰূপৰ সুৰত লিখিছে, 'শান্তিৰ প্ৰচাৰো পশ্চিমৰ 'সভ্য' জগতৰ বাবে আইন বিৰুদ্ধ হৈ পৰিছে। ইয়াক যুক্তিৰে ব্যাখ্যা কৰিলে এনে হয় যে তেওঁলোকে আৰু যুদ্ধ বিচাৰে... অৱশ্যে আমিতো আৰু ইমান সভ্য নহয়।' যদিও শিল্পী ছিয়াটনে ইতিমধ্যে এই ঘটনাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছে। তাৰ পাছতে অৱশ্যে তেওঁ কয়, 'মোৰ ধাৰণা, সকলোৱে বিষয়টোক ইমান বেয়া ভাবত লোৱা নাই।' উল্লেখ্য যে কিছুদিনৰ পূৰ্বে সমগ্ৰ নিশা সাৰে থাকি মেলবৰ্ণৰ কিংছ ৰে'ত ছিয়াটনে সেই চিত্ৰখন অংকন কৰিছিল। নাম ৰাখিছিল 'পিচ বিফ'ৰ পিচেচ', অৰ্থাৎ ভাঙি খণ্ড-বিখণ্ড হোৱাৰ পূৰ্বে শান্তি বিচাৰো।



# পাঁচ লক্ষ বছৰৰ আগৰ 'দানৱ-হাতী'ৰ সন্ধান ওলাল ইজৰাইলত

মাটি খন্দাৰ লগে লগে ওলাই আহিল এটা প্ৰায় আঢ়ৈ মিটাৰ দীঘল দাঁত। খালী চকুৰে চালে ধৰিব পাৰি যে সেই দাঁত কোনো বিশালকায় হাতীৰ। সম্প্ৰতি ইজৰাইলত ওলাইছে প্ৰায় পাঁচ লক্ষ বছৰ প্ৰাচীন দানৱাকৃতিৰ হাতীৰ সন্ধান।

## এটা দাঁতৰ ওজনেই প্ৰায় ডেৰশ কিলোগ্ৰাম

**নিউজ ব্যুৰ'**

**টেল আভিভ, ৭ ছেপ্টেম্বৰ ঃ** মাটি খন্দাৰ লগে লগে ওলাই আহিল এটা প্ৰায় আঢ়ৈ মিটাৰ দীঘল দাঁত। খালী চকুৰে চালে ধৰিব পাৰি যে সেই দাঁত কোনো বিশালকায় হাতীৰ। সম্প্ৰতি ইজৰাইলত ওলাইছে প্ৰায় পাঁচ লক্ষ বছৰ প্ৰাচীন দানৱাকৃতিৰ হাতীৰ সন্ধান। এটা বিয়াগোম দাঁতৰ পৰাই প্ৰত্নতত্ত্ববিদসকলে এনে দানৱাকৃতিৰ হাতীৰ সন্ধান লাভ কৰিছে।

ইজৰাইলৰ দক্ষিণ প্ৰান্তৰ ৰেভাডিম গাঁৱত বিগত কিছুদিন ধৰি একাংশ প্ৰত্নতত্ত্ববিদে খননকাৰ্য অব্যাহত ৰাখিছিল। এই খনন চলাই থকা অৱস্থাতে হঠাৎ মাটিৰ তলৰ পৰা এটা দাঁতৰ অংশ তেওঁলোকে প্ৰত্যক্ষ কৰে। এই খননকাৰ্যৰ পৰিচালনাত আছিল ইজৰাইল এণ্টিকুইটিজ অথ'ৰিটী (আইএএ)। উক্ত দলৰে সদস্য জীৱবিজ্ঞানী এইটেন ম'ৰে প্ৰথমে দাঁতটোৰ সন্ধান পায়। পৰিচালনাৰ দায়িত্বত থকা আভি লেভীয়ে এই অনুসন্ধানৰ প্ৰশংসাও কৰিছে। দাঁতটো ইমান বছৰৰ পাছতো অতি ভালদৰেই সংৰক্ষিত হৈ আছে বুলিও লেভীয়ে জনাইছে। সন্ধান লাভৰ পাছতে দলৰ সদস্যসকলে গৱেষণা আৰম্ভ কৰে। লেভীয়ে কয়, 'হাতীৰ দাঁটো দেখাত পোন। ই আনুমানিক চাৰিৰ পৰা পাঁচ লাখ বছৰৰ পুৰণি।' তেওঁ জনায় যে ২.৬ মিটাৰ দীঘল দাঁতটোৰ ওজন প্ৰায় ১৫০ কিলোগ্ৰাম। অৰ্থাৎ সেই সময়ত একোটা হাতীয়ে প্ৰায় তিনিশ কেজি ওজনৰ দুটা দাঁত বহন কৰিছিল। ইয়াৰ পৰাই সেই সময়ত হাতীৰ আকাৰো বিয়াগোম আছিল বুলি ধাৰণা কৰা হৈছে।

উল্লেখ্য যে হাতীৰ দাঁতৰ আশে-পাশে প্ৰত্নতত্ত্ববিদৰ দলে একাংশ হাতিয়াৰৰ ভঙা টুকুৰাও প্ৰত্যক্ষ কৰিছে। প্ৰাচীনকালত এই ধৰণৰ হাতিয়াৰ জন্তুৰ গাৰ ছাল তোলাৰ পৰা আৰম্ভ কৰি মাংস কটাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। লেভীয়ে লগতে কয় যে গাঁতৰ আকাৰ দেখিয়েই বুজিব পাৰি যে হাতীটো কিমান ডাঙৰ আছিল। অৰ্থাৎ আফ্ৰিকাত হাতীৰ যিবোৰ বিশালকায় হাতীৰ প্ৰজাতি আছে, সিবোৰৰ তুলনাত প্ৰাচীন হাতীটোৰ ওজন বহু গুণ বেছি। অৱশ্যে এই হাতীটোৰ মাংস চৰ্বিৰে পৰিপূৰ্ণ। এবাৰ কটাৰ পাছত ইয়াৰ মাংস বেছি দিনলৈ সংৰক্ষণ কৰি ৰখা সম্ভৱ নাছিল। লেভীয়ে ধাৰণা কৰিছে যে সেই কালত কোনো বৃহৎ সমাবেশ হ'লে হয়তো এই হাতী চিকাৰ কৰা হৈছিল। উল্লেখ্য যে দাঁতৰ আশে-পাশে খনন চলোৱা হয় যদিও দলটোৱে জনবসতিৰ কোনো চিহ্ন নাপালে। সেই কালত চিকাৰীসকলে এঠাইৰ পৰা আন ঠাইলৈ যোৱাৰ পৰত হাতীৰ দাঁতৰ দ্বাৰা কোনো সামাজিক আচাৰ পালন কৰিছিল বুলিও বিজ্ঞানীসকলে অনুমান কৰিছে। আইএএৰ তৰফৰ পৰা জনাইছে যে গৱেষণাৰ কাম শেষ হ'লেই উদ্ধাৰ হোৱা দাঁতটো জেৰুজালেমস্থিত নেছনেল কেম্পাছ ফৰ দ্য আৰ্কিঅ'লজি অৱ ইজৰাইলৰ প্ৰদৰ্শনীলৈ প্ৰেৰণ কৰা হ'ব।

# ৯৬ সংখ্যক জন্ম দিৱসতো উকা হৈ পৰি ৰ'ল ভূপেন হাজৰিকাৰ কলিয়াবৰৰ কুঠৰীৰ বাসগৃহ



## সুধাকণ্ঠই জিৰণি লোৱা বগীজামুজুপিৰ তলত আজি মাথোঁ হুমুনিয়াহ ঃ চৰকাৰী আশ্বাসতেই সময় বাগৰিল সুধাকণ্ঠৰ ভগ্ন বাসগৃহ

**জয়ন্ত কুমাৰ শৰ্মা**

**কলিয়াবৰ, ৭ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠৰ মৰমৰ চোতালখনতে থকা বগীজামুজুপিৰ তলত আজি মাথোঁ হুমুনিয়াহ। বাৰীৰ পাছফালৰ নিজৰাটোত নাই যেন তাহানিৰ প্ৰাণ চঞ্চল উচ্ছাস। সকলোতে যেন মৰিশালিৰ নিস্তব্ধতা। শুনিবলৈ বেয়া হ'লেও সত্য যে একপ্ৰকাৰ মৰিশালিলৈ পৰ্যবসিত হৈছে বিশ্ববন্দিত শিল্পী সুধাকণ্ঠ ভূপেন হাজৰিকাৰ কলিয়াবৰৰ পূব প্ৰান্তৰ মনোৰম কুঠৰীৰ ১৯৬৭ তে সাজি উলিওৱা মৰমৰ বাসগৃহটো। ঘাঁহ-বনেৰে ভৰি পৰিছে একালত এই বাসগৃহৰ চোতালতে থকা ভূপেন দাৰ মৰমৰ বগীজামুজুপিৰ তলখন। কাইলৈ সুধাকণ্ঠৰ ৯৫ সংখ্যক জন্মদিৱস। এই জন্মদিৱসৰ প্ৰাকক্ষণত আকৌ এবাৰ চৰ্চালৈ আহিছে সুধাকণ্ঠৰ একালৰ প্ৰাণৱন্ত আৰু বৰ্তমানে জৰাজীৰ্ণ কলিয়াবৰৰ কুঠৰীৰ ঘৰখনৰ লগতে চোতালৰ বগীজামুজোপাৰ কথা। উল্লেখ্য যে এইজোপা বগীজামুৰ তলতে জোনাকী নিশা নিৰলে বহি সুধাকণ্ঠই সৃষ্টি কৰিছিল বহুকেইটা কালজয়ী গীতৰ। আজি জামুজোপাৰ তলখনৰ লগতে ঘৰটোৰো অৱস্থা তথৈবচ। 'মন প্ৰজাপতি' কথাছবিৰ একালৰ শ্বুটিংস্থলী এই বাসগৃহটোৰ মজিয়াত বৰ্তমান বেংছতা, কাঠফুলাৰ পয়োভৰ। এজাক সামান্য বৰষুণতে ছালেৰে সৰি পৰে বৰষুণৰ টোপাল। সুধাকণ্ঠই জিৰণি লোৱা বিছনাখনো বৰ্তমানে ভগ্নাৱশেষৰ ৰূপতহে আছে। দেশৰ ভিন্ন প্ৰান্তৰ ৰাইজৰ মৰম বুটলি লাভ কৰা বহু স্মাৰক আজি ঘৰটোৰ বেৰতেই উৰলি গৈছে। যেন এক ভূত বাংলালৈহে পৰিণত হৈছে সুধাকণ্ঠৰ একালৰ প্ৰাণৱন্ত ঘৰখন। উল্লেখ্য যে কাৰ্বি পাহাৰৰ নামনিত তেতিয়াতে ভূপেন হাজৰিকাই নিজা তত্ত্বাৱধানত নিৰ্মাণ কৰোৱাইছিল ঘৰটো। ঘৰটোৰ পাছফালেই আছে এটা প্ৰাণচঞ্চল নিজৰা। ইয়ো সুধাকণ্ঠৰ এক সৃষ্টিৰ আকৰ। ১৯৭৪ৰে পৰা ঘৰটোৰ তত্ত্বাৱধানত থকা সুৰেণ নেওগে আজি ক্ষোভেৰে ক'লে— 'ভূপেনদাৰ কলিয়াবৰৰ কুঠৰীৰ ঘৰখন আজি শেষ হৈ গ'ল কোনেও নাচালে, কোনেও নাভাবিলে। মাথোঁ ঘোষণা আৰু আশ্বাসতে ৰৈ গ'ল সকলো। চৰকাৰে নোৱাৰিলে ৰাইজক দিয়ক, ৰাইজে বুকুত জীয়াই ৰাখিব সুধাকণ্ঠক। চৰকাৰী সদিচ্ছাৰ অভাৱে জুৰুলা কৰা ঘৰটোৰ ক্ষেত্ৰত পূৰ্বৰ বিজেপিৰ সৰ্বানন্দ সোণোৱাল চৰকাৰখনে মাজুলীত হোৱা বিশেষ অধিবেশনত বিশেষ প্ৰস্তাৱ লৈ সংৰক্ষণৰ ব্যৱস্থা ঘোষণা কৰিছিল যদিও আজিকোপতি নহ'ল কোনো ব্যৱস্থা। ইয়াৰ ফলশ্ৰুতিতে আজি সুধাকণ্ঠ ভূপেন হাজৰিকাৰ ৯৫ সংখ্যক জন্মদিনৰ দিনাও উকা হৈ পৰি ৰৈছে বাসগৃহ। সুধাকণ্ঠৰ মৰমৰ বাসগৃহ কলিয়াবৰৰ কুঠৰীত বিপৰীত ছবিৰে হৈ ৰৈথে মৰিশালিৰ নিস্তব্ধতা। এক নিমাও মাও পৰিৱেশ। ৰজাঘৰীয়া-প্ৰজাঘৰীয়া কাৰোৰে যেন অৱকাশ নাই সুধাকণ্ঠক স্মৰণ কৰাৰ। এসময়ৰ ভূপেন হাজৰিকাৰ সহকৰ্মী, কুঠৰীৰ বাসগৃহ চোৱাচিতা কৰা সুৰেন নেওগেই জন্ম- মৃত্যুৰ প্ৰতিটো দিনত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি দি শ্ৰদ্ধাঞ্জলি জনাই আহিছে সুধাকণ্ঠৰ প্ৰতিমূৰ্তিত। সৰ্বানন্দ সোণোৱাল চৰকাৰে সুধাকণ্ঠৰ গৃহটো সংৰক্ষণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল যদিও আজি পৰ্যন্ত কাৰ্যকৰী নহ'ল। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মদিনৰ প্ৰাকক্ষণতো উকা হৈ পৰি ৰৈছে বাসগৃহ। এসময়ৰ ভূপেন হাজৰিকাৰ সহকৰ্মী, কুঠৰীৰ বাসগৃহ চোৱাচিতা কৰা সুৰেন নেওগে বন্তি প্ৰজ্বলন, পুষ্পঞ্জলি দি শ্ৰদ্ধাঞ্জলি জনাই সুধাকণ্ঠৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা জনোৱাৰ প্ৰস্তুতি চলাইছে। বৰ্তমানৰ চৰকাৰখনৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰীজনেও এবছৰ পূৰ্বে এই সুধাকণ্ঠৰ গৃহ সম্পৰ্কত সেই স্থানত উপস্থিত হৈ সংৰক্ষণৰ লগতে সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ আশ্বাস দিছিল যদিও সি আজিও কাৰ্যকৰী ৰূপ নাপালে। নিজৰ মা-দেউতাকো একপ্ৰকাৰ এৰি আহি ভূপেন হাজৰিকাৰ সান্নিধ্যতে জীৱনৰ আধা বয়স পাৰ কৰা ৬৮ বছৰীয়া নেওগে প্ৰকাশ কৰা মতে, ১৪ বিঘা ভূমিৰে পৰিবেষ্টিত এই সুধাকণ্ঠৰ গৃহ চৌহদত আছে বহু মূল্যৱান ফলমূলৰ লগতে ঔষধি গছ। একালত পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ থলী আছিল এই ঘৰখন। কিন্তু আজি এই চৌহদত যেন মৰিশালিৰ নিস্তব্ধতা। এই লৈ এতিয়া ক্ষোভ সুধাকণ্ঠপ্ৰেমীৰ মাজত।



বুধবাৰে মেঘে ঢকা গুৱাহাটী মহানগৰীৰ আকাশ।

# ধুবুৰী-কচুগাঁও গড়কাপ্টানী পথৰ ওপৰত পুখুৰীসদৃশ গাঁত

## যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিছে স্থানীয় ৰাইজে

**তামাৰহাট, ৭ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলা সদৰ চহৰ ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ কচুগাঁও সংযোগী ধুবুৰী-কচুগাঁও গড়াকাপ্টানী পথছোৱাৰ তামাৰহাট আৰু পগলাহাটৰ মাজৰ অংশত প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰীসদৃশ গাঁতৰ সৃষ্টি হোৱাত পথছোৱাৰে যাতায়াত কৰা যাত্ৰীসকলে যমৰ যাতনা ভুগিবলগীয়া হৈছে। বহুদিন ধৰি বিভাগীয় কৰ্তৃপক্ষই পথছোৱা মেৰামতি নকৰাৰ ফলত পথছোৱাৰ পকী অংশ উঠি গৈ বিধ্বস্ত হৈ পৰিছে।

উল্লেখ্য যে ধুবুৰী-কচুগাঁও গড়াকাপ্টানী পথছোৱাৰ শ্ৰীৰামপুৰৰ পৰা তামাৰহাট আৰু পাগলাহাটৰ পৰা বালাজানলৈ বিভাগীয় কৰ্তৃপক্ষই মেৰামতি কৰিছে যদিও তামাৰহাটৰ পৰা পাগলাহাটলৈ থকা দহ কিলোমিটাৰ পথ বহু দিন ধৰি মেৰামতি কৰা নাই। ফলত পথছোৱাৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। ইয়াৰ উপৰি বৰ্তমান চলি থকা বৰষুণ আৰু পথছোৱাৰে মালবাহী ট্ৰাকৰ উপৰি দহচকীয়াৰ পৰা ওঠৰচকীয়া অভাৰলোড ডাম্পাৰসমূহ দিনে-নিশাই চলাচল কৰি থকাত তামাৰহাটৰ পৰা পাগলাহাটলৈ প্ৰায় দহ কিলোমিটাৰ পথৰ ওপৰত পুখুৰীসদৃশ গাঁতৰ সৃষ্টি হৈছে। মন কৰিবলগীয়া যে অভাৰলোড ডাম্পাৰৰ চলাচলৰ ফলত পথছোৱাত থকা কালভাৰ্টটোৰ এটা অংশ ভাঙি তললৈ সোমাই গৈ মৰণফান্দত পৰিণত হৈছে। সদাব্যস্ত পথছোৱাত পুখুৰীসদৃশ গাঁতৰ সৃষ্টি হৈ একাঁঠু পানী জমা হোৱাত পথছোৱাৰে এম্বুলেঞ্চ, চাৰিচকীয়া-তিনিচকীয়া যান-বাহন, যাত্ৰীবাহী বাহনকে ধৰি মটৰ চাইকেল-চাইকেল আদি চলাচল কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। বিপদ সংকুলভাৱে যাত্ৰীবাহী বাছ আৰু ট্ৰাকসমূহ চলাচল কৰাত কেতিয়া যে দুৰ্ঘটনা সংঘটিত হয় তাৰ কোনো নিশ্চয়তা নোহোৱা হৈ পৰিছে। বিধ্বস্ত হৈ পৰা পথছোৱাই দূৰ-দূৰণিৰ পৰা অহা সাধাৰণ যাত্ৰীৰ লগতে স্থানীয় ৰাইজৰ শিক্ষা, চিকিৎসা, ব্যৱসায়-বাণিজ্য আদি কৰি সকলো ক্ষেত্ৰতে বাধাৰ সৃষ্টি কৰিছে। অসম-বংগ সীমান্তৰ বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ জীৱন ৰেখাস্বৰূপ ধুবুৰী-কচুগাঁও গড়কাপ্টানী পথটো বিধ্বস্ত হৈ স্থানীয় ৰাইজে যমৰ যাতনা ভুগি আছে যদিও বিভাগীয় কৰ্তৃপক্ষ নাইবা জনপ্ৰতিনিধিৰ তালৈ কোনো ধৰণৰ কাণসাৰ নাই। পথছোৱা অতি শীঘ্ৰে মেৰামতি কৰি যাতায়াতৰ ক্ষেত্ৰত সুচল কৰি তুলিবৰ বাবে অঞ্চলটোৰ ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰিছে।





সমাগত দুৰ্গা পূজাৰ প্ৰতিমা সজাত ব্যস্ত খনিকৰ।

# কোকৰাঝাৰত সংবাদমেল প্ৰমোদ বড়োৰ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৭ ছেপ্টেম্বৰ ঃ** 'বিটিআৰত পানী যোগান আঁচনিৰ লগতে যোগান বিভাগত সংঘটিত হোৱা বিয়াগোম দুৰ্নীতিত কোনোৱে সাৰি যাব নোৱাৰে। বিষয়া হওক, নেতা হওক বা জনপ্ৰতিনিধি নহওক দুৰ্নীতি কৰিলে জালত পৰিব।' আজি সংবাদ মাধ্যমৰ আগত দুৰ্নীতিৰ বিৰুদ্ধে এইদৰে সৰব হৈ পৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। বড়োৱে পূৰ্বৰ চৰকাৰৰ আমোলত হোৱা বিভিন্ন আঁচনিৰ দুৰ্নীতিক ইতিমধ্যে ইচি মিটিঙত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু প্ৰয়োজন সাপেক্ষে এই সকলোবোৰ দুৰ্নীতিক চিবিআই, নিয়া নতুবা ইডিৰ দ্বাৰা তদন্ত কৰা হ'ব বুলি উল্লেখ কৰে। সংবাদমেলত বড়োৱে বিটিচিৰ চৰকাৰী ভূমি, জলাশয়, খাচ আৰু বনাঞ্চলৰ মাটি কোনোৱে বেদখল কৰিব নোৱাৰে বুলি কয়। ইতিমধ্যে চৰাইখোলাৰ চক্ৰশিলা সংৰক্ষিত বনাঞ্চলত বহুত নেতা-পালিনেতাই চাহ বাগান, ৰবৰ বাগান দি বেদখল কৰাৰ দৃশ্য কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰি বুজ লয়। ইপিনে, সংবাদমেলত বড়োৱে কালি ৰাজ্য চৰকাৰৰ পঞ্চমখন কেবিনেট বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তক লৈ সন্তুষ্টি ব্যক্ত কৰি মুখ্যমন্ত্ৰীৰ পৰা যিমান আশা কৰা হৈছিল তাতকৈ বেছি গুৰুত্ব দিয়া বুলি ব্যক্ত কৰে। বড়োৱে বিটিআৰৰ প্ৰাণকেন্দ্ৰ কোকৰাঝাৰত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক হোৱালৈ মুখ্যমন্ত্ৰীৰ লগতে মন্ত্ৰীমণ্ডলকো ধন্যবাদ জনায়।

# এজেণ্টৰ হাৰাশাস্তি বন্ধ কৰা, মাইক্ৰ'ফাইনেন্সৰ ঋণ শীঘ্ৰে মাফ কৰাৰ দাবী

## পাখিমৰীয়া উন্নয়ন খণ্ডত শতাধিক মহিলাৰ প্ৰতিবাদ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৭ ছেপ্টেম্বৰ ঃ** মাইক্ৰ'ফাইনেন্সৰ এজেণ্টৰ হাৰাশাস্তি বন্ধ কৰা, চৰকাৰে মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফ কৰা আদিৰ দাবীত আজি সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থা আৰু অসম প্ৰগতিশীল নাৰী সন্থাৰ পাখিমৰীয়া আঞ্চলিক সমিতিৰ উদ্যোগত পাখিমৰীয়া খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। বিক্ষোভকাৰীসকলে মূলতঃ 'মাইক্ৰ'ফাইনেন্সৰ ঋণৰ কিস্তি সংগ্ৰহৰ নামত ঋণগ্ৰস্ত মহিলাসকলৰ ওপৰত চলোৱা মানসিক হাৰাশাস্তি বন্ধ কৰক, চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি শীঘ্ৰে ঋণ মাফ কৰক, মূল্যবৃদ্ধি ৰোধ কৰক, চৰকাৰে ঘোষণা কৰা মতে ঋণগ্ৰস্ত মহিলাক মানসিক হাৰাশাস্তি কৰা এজেণ্টক গ্ৰেপ্তাৰ কৰক' আদি শ্ল'গানেৰে বিক্ষোভস্থলী উত্তাল কৰি তোলে। কাৰ্যসূচীৰ অন্তত প্ৰতিবাদকাৰীসকলে পাখিমৰীয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখনি



স্মাৰকপত্ৰ প্ৰেৰণ কৰে। কে'বাশ মহিলাই অংশগ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই অংশগ্ৰহণ কৰি কয় যে বৰ্তমানৰ বিজেপি চৰকাৰে বিশ্বৰ তৃতীয় ধনী ব্যক্তি গৌতম আদানীক হেজাৰ হেজাৰ কোটি টকা ঋণ মাফ কৰি পুনৰ হেজাৰ হেজাৰ কোটি টকা ঋণ দিব পাৰে, কিন্তু সাধাৰণ দুখীয়া ৰাইজৰ বাবে হোঁহকা পিছলা নীতি অনুসৰণ কৰে। আকৌ সেই আদানীকেই এইখন চৰকাৰে ৰাষ্ট্ৰীয়পথৰ পৰা আৰম্ভ কৰি বহু ৰাষ্ট্ৰীয় উদ্যোগ-প্ৰতিষ্ঠান বিক্ৰী কৰে আৰু সাধাৰণ ৰাইজৰ ঋণ মাফত এনপিএ লাগে। চৰকাৰৰ এনে কৰ্প'ৰেটপন্থী দুখীয়া বিৰোধী নীতিৰ বিৰুদ্ধে সংগঠিত হ'বলৈ মহন্তই সকলোকে আহ্বান জনায়। কাৰ্যসূচীত নেতৃত্ব বহন কৰে সন্থাৰ আঞ্চলিক নেত্ৰী ক্ৰমে অনিতা দাস, স্বৰ্ণপ্ৰভা দাস জীনা বেগম আৰু য়াচমিন বেগমে।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com